● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

দেওবৰীয়া দৈনিক

# অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

www.dainikagradoot.in

## দিগ্‌দৰ্শন

মনেই সকলো; ই স্বৰ্গকো নৰক আৰু নৰককো স্বৰ্গলৈ ৰূপান্তৰিত কৰিব পাৰে।

জন মিল্টন
*ইংৰাজ কবি*



৫ সৰ্বত্ৰতে চান্দাৰ ধান্দা বন্ধ হওক
১৫ ফিফা মহিলা বিশ্বকাপলৈ সাজু ভাৰত
৪ দেশখন ভি আই পিৰ ঃ বৰ্তমান সমাজ বাস্তৱতাত মানুহৰ স্বাধীনতা চূড়ান্ত মাত্ৰাত ভূলুণ্ঠিত

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ৮৭তম সংখ্যা ● গুৱাহাটী ● দেওবাৰ ১৭ পুহ ১৪২৮ ভাস্কৰাব্দ ২ জানুৱাৰী ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Sunday 2 January 2022 মূল্য ঃ ৯.০০ টকা

■ ২০২২ হ'ব আশা আৰু সমৃদ্ধিৰ বতৰ ঃ মুখ্যমন্ত্ৰী ড° শৰ্মা ■ অসমৰ পৰা আফস্পা প্ৰত্যাহাৰৰ ইংগিত ■ পৰেশ বৰুৱাই আলোচনাৰ মাধ্যমেৰে আলফা সমস্যাৰ সমাধান বিচাৰে

# জনজাতীয় উগ্ৰপন্থাৰ যৱনিকা পৰিল

■ নতুন দিনৰ আলাপত সদৰী কৰিলে মুখ্যমন্ত্ৰীয়ে ■ পৰেশ বৰুৱাৰ দৰে চৰকাৰৰ সঁহাৰিও ইতিবাচক ■ আলফাৰে মীমাংসাত সাৰ্বভৌমত্বৰ দাবীয়েই একমাত্ৰ প্ৰতিবন্ধক ■ এতিয়াৰে পৰা প্ৰাক্তন মুখ্যমন্ত্ৰীয়ে লাভ নকৰে পূৰ্বৰ সা-সুবিধা ■ ব্যক্তিগত নিৰাপত্তাৰক্ষী সম্পৰ্কত কেবিনেটৰ সম্পূৰ্ণ পৰিৱৰ্তিত নীতি ■ ২০২২ত সামাজিক আৰু মূলধনীৰ ক্ষেত্ৰত অভূতপূৰ্ব ব্যয় হ'ব

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১ জানুৱাৰী ঃ** অসমত জনজাতীয় উগ্ৰপন্থাৰ অন্ত পৰিছে আৰু এতিয়া অন্তিমটো সমস্যা হৈছে আলফা। আলফাক বাদ দি আন সকলোবোৰ উগ্ৰপন্থী সংগঠনে অস্ত্ৰ সম্বৰণ কৰিছে। আলফাৰ সেনাধ্যক্ষ পৰেশ বৰুৱায়ো আলোচনাৰ মাধ্যমেৰে সমস্যাটোৰ সমাধান বিচাৰে। আজি নৱবৰ্ষৰ প্ৰথম দিনা সাংবাদিকৰ স'তে এক বাৰ্তালাপত মিলিত হৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এইদৰে কয়। আলফাৰ সেনাধ্যক্ষ পৰেশ বৰুৱাৰ স'তে *১০ পৃষ্ঠাত চাওক*



## অৰুণাচল প্ৰদেশৰ ১৫টা স্থানৰ নামকৰণ কৰিলে চীনে

ভাৰতৰেই অংগ বুলি তীব্ৰ প্ৰতিক্ৰিয়া দিল্লীৰ

**■ নিউজ ব্যুৰ'**

**নতুন দিল্লী, ১ জানুৱাৰী ঃ** লাডাখক কেন্দ্ৰ কৰি বিদায়ী বৰ্ষটোত ভাৰত আৰু চীনৰ মাজত একাধিকবাৰ সংঘাত হৈছিল। যাক লৈ দুই দেশৰ মাজত সমগ্ৰ বছৰটোতে উত্তেজনা অব্যাহত আছিল। নতুন বছৰতে চীনে পুনৰ আৰম্ভ কৰিলে উত্তেজনাৰ লহৰ। এইবাৰ চৰকাৰীভাৱে অৰুণাচল প্ৰদেশৰ ১৫টা *১০ পৃষ্ঠাত চাওক*

মৃত্যুঞ্জয় সেৱাৰ তথ্য

## ৩১ ডিচেম্বৰত ৰাজ্যত ১০৭টা পথ দুৰ্ঘটনা, ১৩টাৰে শীৰ্ষত শোণিতপুৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১ জানুৱাৰী ঃ** নৱবৰ্ষৰ প্ৰাক্‌ক্ষণত অৰ্থাৎ কালি ৩১ ডিচেম্বৰত সকলোকে সাৱধানতাৰে বাহন চলাই এক দুৰ্ঘটনামুক্ত পৰিৱেশ ৰচনা কৰিবলৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যবাসীক জনোৱা আহ্বানৰ সমান্তৰালভাৱে দুৰ্ঘটনা ৰোধ কৰিবলৈ অসম আৰক্ষীয়ে বিশেষ তৎপৰতা গ্ৰহণ কৰাৰ মাজতে *১০ পৃষ্ঠাত চাওক*

■ ২০২১ৰ তথ্য ■ ৭,২০০টা শিশুৰ বিৰুদ্ধে অপৰাধ ■ ১,১১০টা হত্যাকাণ্ড

## ১১ মাহত ৰাজ্যত ৩০,৬০০টা মহিলাৰ বিৰুদ্ধে অপৰাধ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১ জানুৱাৰী ঃ** ২০২০ বৰ্ষত মহিলাৰ বিৰুদ্ধে অপৰাধৰ ক্ষেত্ৰত ১৫৪.৩ শতাংশ হাৰেৰে দেশৰ শীৰ্ষস্থানত থকা অসমত বিদায়ী ২০২১ *১০ পৃষ্ঠাত চাওক*

অ'মিক্ৰনৰ 'এছ অ' পি' মাথোঁ শ্ল'গানত পৰিণত

## নৱবৰ্ষৰ প্ৰথম দিন উপভোগ কৰিলে মহানগৰবাসীয়ে




**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১ জানুৱাৰী ঃ** পুহ মহীয়া শীতলতাৰ মাজতো পুৱাৰ ৰ'দ জাকে দিনটোক উমাল কৰি তুলিছিল। নৱবৰ্ষৰ প্ৰথম দিনটোক বিশেষ মাত্ৰা দিয়াৰ উদ্দেশ্যে মহানগৰীৰ বহু বাসিন্দাই পুৱা সাত বজাৰ পৰাই গন্তব্যস্থানলৈ যাত্ৰা আৰম্ভ কৰে। তেওঁলোকৰ লক্ষ্যস্থান আছিল *১০ পৃষ্ঠাত চাওক*

■ বছৰৰ প্ৰথম পুৱাতে জম্মু-কাশ্মীৰত ভয়ানক কাণ্ড

## বৈষ্ণোদেৱী মন্দিৰত পদপিষ্ট হৈ ১২ ভক্ত-দৰ্শনাৰ্থীৰ মৃত্যু



সাধাৰণ তৰ্ক-বিতৰ্কৰ পৰাই হোৱা লৰা-ঢপৰাত আহত ১৪জন

**■ নিউজ ব্যুৰ'**

**শ্ৰীনগৰ, ১ জানুৱাৰী ঃ** নৱবৰ্ষৰ প্ৰথমটো পুৱাতে জম্মু-কাশ্মীৰত সংঘটিত হ'ল এক হৃদয়বিদাৰক *১০ পৃষ্ঠাত চাওক*

## পুনৰ মেলা পাতিবলৈ শংকিত চৰকাৰ, চাৰি জানুৱাৰীৰ চাকৰি মেলা বাতিল

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১ জানুৱাৰী ঃ** চাকৰি মেলাৰ জৰিয়তে ৰাজ্যৰ নিবনুৱা সমস্যাৰ ভয়াৱহ ছবিখন অধিক উন্মোচিত হোৱাৰ লগতে সংঘটিত ব্যাপক খেলিমেলিৰ পৰিপ্ৰেক্ষিতত তেনে মেলা পুনৰ অনুষ্ঠিত *১০ পৃষ্ঠাত চাওক*

## ঠিকনাবিহীন ভুৱা কৃষকৰ সংখ্যা বৃদ্ধি পাইছে অসমত

■ প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধিৰ কিস্তিৰ ধন মুকলি
■ আত্মসাৎ কৰা ধনৰ বিপৰীতে নামমাত্ৰহে উদ্ধাৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১ জানুৱাৰী ঃ** ক'ভিডে জুৰুলা কৰা দেশৰ কৃষকসকলক সকাহ দিবলৈ সূচনা কৰা প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধিৰ দশম কিস্তিৰ ধন আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মুকলি কৰি দিয়ে। দেশৰ ১০ কোটি কৃষকৰ বাবে মোকলাই দিয়া ২০ হেজাৰ কোটি টকাৰ অংশ অসমৰ নাম পঞ্জীয়ন হৈ থকা চাৰে ন লাখৰো অধিক কৃষকে লাভ নকৰিলে কাৰণ ইতিমধ্যে সেইসকলক ভুৱা কৃষক বুলি চিনাক্ত কৰা হৈছে। সেইসকলৰ অধিকাংশই এই পৰ্যন্ত ধনো ঘূৰাই দিয়া নাই। উল্লেখ্য যে সেইসকল *১০ পৃষ্ঠাত চাওক*



দেওবৰীয়া দৈনিক
# অগ্ৰদূত
গুৱাহাটী, ২ জানুৱাৰী, ২০২২ দেওবাৰ পৃষ্ঠা তিনি

## নগাঁৱত ভয়ংকৰ অগ্নিকাণ্ডত ১৫শ ব্ৰয়লাৰ পোৱালিৰ মৃত্যু



**বিশেষ সংবাদদাতা**
**নগাঁও, ১ জানুৱাৰী ঃ** ৰাজ্যবাসীয়ে পুৰণা বৰ্ষক বিদায় দি নতুনক আদৰাৰ মানসেৰে আনন্দত আত্মহাৰা হৈ থকাৰ সময়তে নগাঁৱৰ পুৰণিগুদামৰ এটা পৰিয়াললৈ নামি আহিল অমানিশা। গাঁঠিৰ ধন ভাঙি পুৰণিগুদামৰ হালোৱাগাৱঁৰ জোনমণি শইকীয়া নামৰ যুৱকজনে স্থাপন কৰা ব্ৰয়লাৰ ফাৰ্মখনত যোৱা নিশা অগ্নিকাণ্ড সংঘটিত হয়। নিশা হঠাৎ দাওদাওকৈ ব্ৰয়লাৰ ফাৰ্মখন জ্বলি উঠাত গৃহস্থৰ লগতে স্থানীয় ৰাইজৰ মাজত হুৱা-দুৱা লাগে। শইকীয়াৰ ব্ৰয়লাৰ ফাৰ্মখনত সংঘটিত অগ্নিকাণ্ডৰ ফলত প্ৰায় ১৫শ ব্ৰয়লাৰ পোৱালি মৃত্যুমুখত পৰাৰ লগতে অন্যান্য সা-সামগ্ৰীৰো বিস্তৰ ক্ষতিসাধন হয়। ঘটনা সন্দৰ্ভত অৱগত হৈ ঘটনাস্থলীত পুৰণিগুদাম আৰক্ষী আৰু অগ্নিনিৰ্বাপক বাহিনীৰ দুখনকৈ বাহন উপস্থিত হৈ জুই নুমুৱাবলৈ আঠ পৃষ্ঠাত চাওক

## বৰপেটা জিলাৰ ১০৯০জন শিক্ষকক স্বাস্থ্য এম্বেছাদৰ নিযুক্তি

**বিশেষ সংবাদদাতা**
**বৰপেটা, ১ জানুৱাৰী ঃ** বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ স্বাস্থ্য সম্পৰ্কীয় সচেতনতা বৃদ্ধিৰ বাবে অসম চৰকাৰে সম্প্ৰতি প্ৰতিখন মাধ্যমিক আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ৰ এজন বা দুজন শিক্ষকক বিশেষভাৱে এম্বেছাদৰৰূপে নিযুক্তি দিছে। তেওঁলোকক এই দায়িত্ব সুচাৰুৰূপে পালন কৰাৰ বাবে প্ৰশিক্ষণ প্ৰদান কৰা হৈছে। যোৱা ২২ নৱেম্বৰত বৰপেটাৰ উপায়ুক্ত তেজ প্ৰসাদ ভূচালে বৰপেটা শিক্ষণ প্ৰশিক্ষণ প্ৰতিষ্ঠান (ডায়েট)ত উদ্বোধন কৰা এই প্ৰশিক্ষণ কাৰ্যসূচীৰ কালি সামৰণি পৰে। মুঠ ১০৯০জন শিক্ষকক প্ৰশিক্ষণ প্ৰদান কৰা এই কাৰ্যসূচীৰ সামৰণি অনুষ্ঠানত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰি শিক্ষা বিভাগৰ দায়িত্বত থকা অতিৰিক্ত উপায়ুক্ত আঠ পৃষ্ঠাত চাওক

**সুকীয়া বড়োলেণ্ড ৰাজ্যৰ দাবীত কোকৰাঝাৰত পুনৰ সৰৱ**

## কেন্দ্ৰীয় চৰকাৰক ৰাজনৈতিক আলোচনা আগবঢ়াই নিবলৈ হুংকাৰ এআইবিপিএনএলএফৰ

**অগ্ৰদূত বাৰ্তা**
**কোকৰাঝাৰ, ১ জানুবাৰী ঃ** অসমৰ ভূমিপুত্ৰ বড়োসকলৰ দীৰ্ঘদিনীয়া সুকীয়া বড়োলেণ্ড ৰাজ্য গঠনৰ দাবীত পুনৰ সৰৱ হৈছে বড়োভূমি। এই সন্দৰ্ভত আগন্তুক ২৭ জানুবাৰীৰ ভিতৰত ৰাজনৈতিক আলোচনা প্ৰক্ৰিয়া নতুনকৈ আৰম্ভ কৰিবলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু গৃহমন্ত্ৰী অমিত শ্বাহক দাবী জনাইছে 'অল ইণ্ডিয়া বড়ো পিপল্‌ছ নেছনেল লীগ ফৰ বড়োলেণ্ড ষ্টেট' (এআইবিপিএনএলএফ) নামৰ সংগঠনটোৱে। অন্যথা পৃথক বড়োলেণ্ডৰ দাবীত পুনৰ গণ আন্দোলন গঢ়ি তোলাৰো হুংকাৰ দিছে সংগঠনটোৱে। কোকৰাঝাৰ চহৰৰ নিৰ্বানা গাৰ্ডেনত আজি 'অল ইণ্ডিয়া বড়ো পিপল্‌ছ নেছনেল লীগ ফৰ বড়োলেণ্ড ষ্টেট'ৰ এখন বিশেষ বৈঠক অনুষ্ঠিত হয়। সংগঠনটোৰ সভাপতি তথা কোকৰাঝাৰ লোকসভাৰ প্ৰাক্তন সাংসদ ছানছুমা খুংগুৰ বিছমুতিয়াৰীৰ পৌৰোহিত্যত অনুষ্ঠিত হোৱা বিশেষ বৈঠকখনত সুকীয়া বড়োলেণ্ড ৰাজ্যৰ ডিভাইড আছাম ফিফ্‌টি ফিফ্‌টি দাবী পুনৰ উত্থাপন হোৱাৰ লগতে ৰাজ্য গঠনৰ আলোচনা প্ৰক্ৰিয়া অতিশীঘ্ৰে আগবঢ়াই নিবলৈ কেন্দ্ৰীয় চৰকাৰক এক নিৰ্দিষ্ট সময়সীমা বান্ধি দিয়ে। অন্যথা সংগঠনটোৱে নতুন বছৰৰ পৰাই তীব্ৰ আঠ পৃষ্ঠাত চাওক

## সোঁতৰ বিপৰীতে



**■ নগাঁৱত নৱবৰ্ষৰ পহিলা দিনটোত মন্দিৰ-দেৱালয়ত ভক্তপ্ৰাণ ৰাইজৰ পূজা-অৰ্চনা**

# মহামৃত্যুঞ্জয় মন্দিৰত অগণন ভক্তৰ সমাগম



**বিশেষ সংবাদদাতা/ অগ্ৰদূত বাৰ্তা**
**নগাঁও/বটদ্ৰৱা, ১ জানুৱাৰী ঃ** ইংৰাজী নৱবৰ্ষৰ পহিলা দিনটোতে মনত অযুত সপোন আৰু আশা লৈ ৰাজ্যৰ মঠ-মন্দিৰ-দেৱালয়সমূহত ভিৰ কৰিছে ভক্তপ্ৰাণ ৰাইজে। সমান্তৰালভাৱে নগাঁৱৰ ভেৰভেৰীৰ বিশ্বৰ ভিতৰতে সৰ্ববৃহৎ ১২৬ ফুট উচ্চতাৰ মহামৃত্যুঞ্জয় মন্দিৰতো পুৱাৰে পৰা ভিৰ কৰিছে সহস্ৰ ভক্তপ্ৰাণ ৰাইজে। বিশ্বৰ ভিতৰতে সৰ্ববৃহৎ লিংগাকাৰ মহামৃত্যুঞ্জয় মন্দিৰলৈ পুৱাৰে পৰা আগমন ঘটিছে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ ভক্তপ্ৰাণ ৰাইজৰ। আনহাতে, মহামৃত্যুঞ্জয় মন্দিৰৰ প্ৰধান পুৰোহিতেও মন্ত্ৰোচ্চাৰণে কামনা কৰিলে ৰাজ্যবাসীৰ কুশল-মংগল। ইপিনে, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ পৱিত্ৰ জন্মস্থান শ্ৰীশ্ৰীবটদ্ৰৱা থানতো আজি অগণন ভক্তৰ সমাগম হয় আৰু প্ৰতিগৰাকী যাত্ৰীয়ে শৰাই শলিতা আগবঢ়াই মংগল কামনা কৰে। বটদ্ৰৱা থানৰ কীৰ্তন ঘৰৰ লগতে দৌল মন্দিৰ, আকাশী গংগাৰ পাৰ আদিতো অজস্ৰ লোকে ভিৰ কৰে। একেদৰে নগাঁও চহৰৰ আমোলাপট্টি শিৱ মন্দিৰ, কলংপাৰ কৃষ্ণাশ্ৰম শিৱমন্দিৰ, পানীগাঁও চাৰিআলিৰ গণেশ মন্দিৰ, হয়বৰগাঁৱৰ শনি মন্দিৰ, হনুমান মন্দিৰৰ উপৰি জিলাখনত বিভিন্ন প্ৰান্তত থকা নামঘৰ, দেৱালয়, সত্ৰসমূহতো পুৱাৰে পৰা ভক্তপ্ৰাণ ৰাইজৰ সমাগম হয় আৰু সকলোৱে আগন্তুক দিনবোৰ সুখ-সমৃদ্ধি কামনা কৰি পূজা-অৰ্চনা আগবঢ়ায়। তদুপৰি সাহিত্য কৃষ্টিৰ বৰভেটি প্ৰতিষ্ঠাৰে জাতীয় জীৱনক নতুন ৰঙেৰে সজাই-পৰাই তোলা অসমীয়া জাতিৰ জনক জগতগুৰু শ্ৰীমন্ত শংকৰদেৱৰ জন্ম আদি লীলা ভূমি শ্ৰীশ্ৰী বটদ্ৰৱা থান সমগ্ৰ অসম, ভাৰত ভূমি তথা বিশ্বৰ সনাতনী সাংস্কৃতিক পৰম্পৰাত বিশ্বাসী প্ৰতিগৰাকী ধৰ্মপ্ৰাণ আঠ পৃষ্ঠাত চাওক

## তেজপুৰত ৩১ ডিচেম্বৰত দুই লক্ষাধিক জৰিমনা সংগ্ৰহ

**অগ্ৰদূত বাৰ্তা**
**তেজপুৰ, ১ জানুৱাৰী ঃ** এফালে ক'ভিড বিধি শিথিল কৰি ৩১ ডিচেম্বৰত সৰ্বসাধাৰণক নৱবৰ্ষ উলহ মালহেৰে আদৰাৰ সুযোগ দিয়াৰ বিপৰীতে যানবাহন আইন উলংঘকাৰী আৰু ৰাজহুৱা স্থানত সুৰাপায়ীৰ বিৰুদ্ধে কঠোৰতা প্ৰদৰ্শন কৰা চৰকাৰী বিভাগে তেজপুৰত কালিৰ দিনটোতে আইন ভংগকাৰীৰ পৰা সংগ্ৰহ কৰিলে দুই লাখৰ অধিক জৰিমনা। ৰাজ্যৰ অন্যান্য জিলাসমূহৰ দৰেই শোণিতপুৰতো ৩১ ডিচেম্বৰক লৈ সক্ৰিয় হৈ উঠে পৰিবহণ বিভাগ, আৰক্ষী আৰু জিলা প্ৰশাসন। পৰিণতিত ৩১ ডিচেম্বৰৰ নিশালৈকে শোণিতপুৰ জিলা আঠ পৃষ্ঠাত চাওক

## ২০২১ত দেশত সৰ্বমুঠ ১২৬টা বাঘৰ মৃত্যু হৈছে

সৰ্বাধিক বাঘৰ মৃত্যুৰ দাবী জাতীয় ব্যাঘ্ৰ সংৰক্ষণ কৰ্তৃপক্ষৰ

**অগ্ৰদূত বাৰ্তা**
**কোকৰাঝাৰ, ১ জানুৱাৰী ঃ** বিগত এটা দশকত দেশত বাঘৰ মৃত্যুৰ ক্ষেত্ৰত নজিৰবিহীন দৃষ্টান্ত গঢ়িলে বিদায়ী ২০২১ বৰ্ষটোৱে। যোৱা ২৯ ডিচেম্বৰলৈকে চলোৱা জৰীপ মতে বিদায়ী বছৰটোত সৰ্বাধিক ১২৬টা বাঘৰ দেশত মৃত্যু হৈছে বুলি জাতীয় ব্যাঘ্ৰ সংৰক্ষণ কৰ্তৃপক্ষ (এনটিচিএ)ই সদৰী কৰিছে। বাঘৰ মৃত্যুৰ অন্যতম কাৰণ হিচাপে সংস্থাটোৱে চোৰাং চিকাৰীৰ হাতৰ মাৰণাস্ত্ৰৰ গুলি, বিষক্ৰিয়াৰ পৰিণতি আৰু প্ৰাকৃতিক দুৰ্যোগ-দুৰ্ঘটনা বুলি প্ৰতিবেদনত উল্লেখ কৰিছে। উল্লেখ্য যে আঠ পৃষ্ঠাত চাওক

## এম্বুলেন্সৰ অভাৱত বৰপেটাৰ চৰত সদ্যোজাত শিশুৰ মৃত্যু

**আলোপতি, ১ জানুৱাৰী ঃ** নৱবৰ্ষৰ আনন্দ-উল্লাসৰ মাজতে বৰপেটা জিলাৰ বাঘবৰ সমষ্টিৰ মাজৰচৰ গাঁৱত আজি সংঘটিত হয় এক মৰ্মান্তিক ঘটনা। গাঁওখনৰ এটি সদ্যোজাত শিশু বিনা চিকিৎসাই মৃত্যুক সাবটি ল'বলগীয়া হ'ল। প্ৰাপ্ত তথ্য মতে, তিনিদিন পূৰ্বে গাঁওখনৰ লালচান আলীৰ পত্নী নিলীমা খাতুনে জন্ম দিয়ে এটি পুত্ৰ সন্তান। এম্বুলেন্সৰ অভাৱত ই-ৰিক্সাৰে চিকিৎসালয়লৈ আঠ পৃষ্ঠাত চাওক

## সুৱণখাটাত দুষ্কৃতিকাৰীয়ে জ্বলাই দিলে বাহনসহ তিনি লক্ষাধিক টকাৰ চুপাৰি



**অগ্ৰদূত বাৰ্তা**
**মুছলপুৰ/বাগানপাৰা, ১ জানুৱাৰী ঃ** বাগ্‌সা জিলাৰ ভাৰত-ভূটান সীমান্তৱৰ্তী সুৱণখাটাত যোৱা নিশা অগ্নিকাণ্ডৰ ঘটনা সংঘটিত হয়। নৱবৰ্ষৰ প্ৰাক্‌ক্ষণত মাজনিশা দুষ্কৃতিকাৰীয়ে জ্বলাই দিলে এখন চাৰিচকীয়া বাহনসহ চুপাৰিৰ এটা গুদাম। দুষ্কৃতিকাৰীৰ তাণ্ডৱত এখন বিলাসী চাৰিচকীয়া বাহনখন সম্পূৰ্ণৰূপে ভস্মীভূত হয়। লগতে তিনি লক্ষাধিক টকাৰ চুপাৰিৰ লগতে আন বয়বস্তুও জ্বলি ভস্মীভূত হয়। বাহনৰ গৰাকী তথা প্ৰতিষ্ঠিত চুপাৰি ব্যৱসায়ী প্ৰদীপ বৰ্মনে শুই থকা অৱস্থাত দুষ্কৃতিকাৰীয়ে মাজ নিশা সংঘটিত কৰিলে এই কাণ্ড। বৰবৰী থানাৰ আঠ পৃষ্ঠাত চাওক

## বিশ্বশান্তিৰ হকে নায়েকগাঁৱত খ্ৰীষ্টান ধৰ্মাৱলম্বী ৰাইজৰ প্ৰাৰ্থনা সভা

**অগ্ৰদূত বাৰ্তা**
**বহলপুৰ, ১ জানুৱাৰী ঃ** বহলপুৰৰ নিকটৱৰ্তী জনজাতি অধ্যুষিত অঞ্চল নায়েকগাঁৱৰ কাক্ৰীঘোলা আৰু টিলাপাৰাত আজি সহস্ৰাধিক খ্ৰীষ্টান ধৰ্মাৱলম্বী লোকে ইংৰাজী ২০২২ নৱবৰ্ষটো মানৱ জাতিৰ বাবে যাতে সুখ, শান্তি আৰু সমৃদ্ধিৰে উপচি পৰে তাৰে কামনাৰে এক সমূহীয়া প্ৰাৰ্থনা সভা আৰু সাংস্কৃতিক কাৰ্যসূচী অনুষ্ঠিত কৰে। এই উপলক্ষে কাক্ৰীঘোলা গিৰ্জাৰ ধৰ্মীয় মুৰব্বী পেষ্টৰ উইলবাৰ্ট চাংমা, টিলাপাৰা গিৰ্জাৰ ধৰ্মীয় মুৰব্বী পেষ্টৰ কাডল চাংমা আৰু বাঘপাৰা গিৰ্জাৰ ধৰ্মীয় মুৰব্বী আঠ পৃষ্ঠাত চাওক

**■ উৎকৃষ্ট সেৱাৰ বাবে বহুকেইগৰাকীলৈ সন্মান**

## আত্মপ্ৰত্যয়ৰে উজলি উঠাৰ পণ ল'লে শিলঘাট মৰাপাট কলে



**অগ্ৰদূত বাৰ্তা**
**কলিয়াবৰ, ১ জানুৱাৰী ঃ** নৱবৰ্ষৰ পহিলা দিনটোতে আত্মপ্ৰত্যয়েৰে উদ্যোগ ক্ষেত্ৰখনত উজলি উঠাৰ পণ ল'লে কলিয়াবৰৰ শিলঘাটস্থিত অসম সমবায় মৰাপাট কলে। বিভিন্ন ঘাত-প্ৰতিঘাত, অনাকাংক্ষিত বিপদ, বাধা-বিঘিনি নেওচি পুনৰ ঠন ধৰি উঠা উদ্যোগটোৱে অতীতৰ দুঃস্বপ্ন পৰিহাৰ কৰি গতিশীল হোৱাৰ পূৰ্ণোদ্যমে চলাইছে কুচকাৱাজ। আঠ পৃষ্ঠাত চাওক

## তামুলপুৰত বিশেষভাৱে সক্ষমৰে বিটিআৰ প্ৰধানৰ অন্তৰংগ আলাপ

**অগ্ৰদূত বাৰ্তা**
**তামুলপুৰ, ১ জানুৱাৰী ঃ** নৱবৰ্ষৰ প্ৰথম দিনাই তামুলপুৰত বিটিআৰ প্ৰধান প্ৰমোদ বড়োৰ বাসভৱনত বিশেষভাৱে সক্ষম লোকৰ স'তে এক অন্তৰংগ আলাপ অনুষ্ঠান অনুষ্ঠিত হয়। বিশেষভাৱে সক্ষম ব্যক্তিসকলৰ মনোবল বৃদ্ধি কৰাৰ উদ্দেশ্যে আয়োজিত অনুষ্ঠানত বিটিআৰ প্ৰধানজনে সম্বৰ্ধনা জ্ঞাপন কৰি অন্তৰংগ আলাপত মিলিত হৈ ভাব বিনিময় কৰে। যি সময়ত পহিলা জানুৱাৰীত নৱবৰ্ষক আদৰাৰ নামত ৰাজ্যবাসী বনভোজথলীত মছগুল হৈ আঠ পৃষ্ঠাত চাওক

**মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰথমে কুপন গ্ৰহণ কৰি আগবঢ়ালে এহেজাৰ টকা**

## প্ৰথম দিনাই ১৫ লাখ সংগ্ৰহ বিজেপিৰ সহযোগ নিধিত



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১ জানুৱাৰী ঃ** এমাহৰ ভিতৰত এশ কোটি দলীয় পুঁজি সংগ্ৰহৰ লক্ষ্যৰে আজিৰ পৰা অসম ৰাজ্যিক বিজেপিয়ে 'সহযোগ আঠ পৃষ্ঠাত চাওক

## প্ৰাক্তন ডিএফঅ' নগেন দাসৰ পৰলোক প্ৰাপ্তি

**অগ্ৰদূত বাৰ্তা**
**আজাৰা, ১ জানুৱাৰী ঃ** অসম সাহিত্য সভাৰ আজীৱন সদস্য তথা অৱসৰপ্ৰাপ্ত ডিএফঅ' আজাৰাৰ কাঁহিকুছিৰ নগেন দাস (৭৬)ৰ যোৱা নিশা পৰলোকপ্ৰাপ্তি হয়। তেওঁৰ মৃত্যুৰ বাতৰি আঠ পৃষ্ঠাত চাওক

অসম চৰকাৰ
অম্বিকাগিৰী ৰায়চৌধুৰীৰ মৃত্যুদিৱস
২ জানুৱাৰী, ২০২২

অসমকেশৰীলৈ মৃত্যুদিৱসত
গভীৰ শ্ৰদ্ধাঞ্জলি যাচিছোঁ।
ড° হিমন্ত বিশ্ব শৰ্মা
মুখ্যমন্ত্ৰী, অসম
জনসংযোগ/ডি/১২৫১৮/২১

**■ নতুনক ভ্ৰাম্যমাণ থিয়েটাৰৰ জন্ম দিবলৈ আহ্বান মন্ত্ৰী ৰঞ্জিত দাসৰ ■ আৱাহনৰ প্ৰতিষ্ঠাপক প্ৰযোজক কৃষ্ণ ৰয়ক সম্বৰ্ধনা**

## পাঠশালাত ভ্ৰাম্যমাণৰ জনক অচ্যুত লহকৰ-মঞ্চৰত্ন ৰতন লহকৰৰ প্ৰতিমূৰ্তি উন্মোচন



**বিশেষ সংবাদদাতা**
**পাঠশালা, ১ জানুৱাৰী ঃ** 'ক'ভিড পৰিস্থিতিত ভ্ৰাম্যমাণ থিয়েটাৰ উদ্যোগটো জটিল পৰিস্থিতিৰ সন্মুখীন হৈছে। এনে পৰিস্থিতিত ভ্ৰাম্যমাণৰ কলা-কুশলীসকলৰ ভৱিষ্যৎ সুৰক্ষিত কৰাৰ প্ৰয়োজন আহি পৰিছে। সেইবাবেই পাঠশালাৰ পৰা অধিক সংখ্যাত ভ্ৰাম্যমাণ থিয়েটাৰ জন্ম দিয়াৰ বাবে সংস্কৃতিবান লোকসকল আগবাঢ়ি আহক।' এই আহ্বান মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসৰ। নৱবৰ্ষৰ প্ৰথম দিনটোতে স্থানীয় বিধায়ক তথা মন্ত্ৰী দাসে পাঠশালাৰ প্ৰগতি সংঘৰ বাকৰিত ভ্ৰাম্যমাণ থিয়েটাৰৰ জনক, মঞ্চপ্ৰভাকৰ অচ্যুত লহকৰ আৰু আধুনিক ভ্ৰাম্যমাণ থিয়েটাৰৰ খনিকৰ, মঞ্চৰত্ন ৰতন লহকৰৰ প্ৰতিমূৰ্তি উন্মোচন কৰি এই মন্তব্য কৰে। অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ উদ্যোগত আৰু বজালী জিলা আঠ পৃষ্ঠাত চাওক

দেওবৰীয়া দৈনিক
# অগ্ৰদূত
গুৱাহাটী, দেওবাৰ ১৭ পুহ ১৪২৮ ভাস্কৰাব্দ ২ জানুৱাৰী ২০২২



## শিশুৰ প্ৰতিষেধক



কেন্দ্ৰীয় চৰকাৰে অহা তিনি জানুৱাৰীৰ পৰা দেশৰ ১৫-১৮ বছৰীয়া কিশোৰ-কিশোৰীসকলক ক'ভিডৰ প্ৰতিষেধক প্ৰদানৰ বাবে অনুমোদন জনাইছে। দেশৰ সাত কোটি এই পৰ্যায়ৰ নাবালক-নাবালিকাক চৰকাৰে ক'ভিড প্ৰতিষেধক প্ৰদানৰ সিদ্ধান্ত লৈছে। সকলো কিশোৰ-কিশোৰীৰ বাবে ক'ভাক্সিন নামৰ প্ৰতিষেধক প্ৰদান কৰিবলৈ অনুমতি প্ৰদান কৰা হৈছে। উল্লেখ্য যে ক'ভাক্সিন ভাৰতত প্ৰস্তুত কৰা সম্পূৰ্ণ দেশীয় প্ৰযুক্তি নিৰ্ভৰ প্ৰতিষেধক। হায়দৰাবাদৰ ভাৰত বায়'টেক নামৰ ঔষধ প্ৰস্তুতকাৰী কোম্পানীয়ে ইণ্ডিয়ান কাউন্সিল অৱ মেডিকেল ৰিছাৰ্চ (আই চি এম আৰ) আৰু নেছনেল ইনষ্টিটিউট অৱ ভাইৰ'ল'জী (এন আই ভি)ৰ সহযোগত ক'ভাক্সিন নামৰ ক'ভিড প্ৰতিষেধক প্ৰস্তুত কৰি উলিয়াইছে। ভাৰত বায়'টেকে এবছৰত এশ কোটি পালি প্ৰতিষেধক প্ৰস্তুত কৰিবলৈ সক্ষম। বৰ্তমান দেশত অক্সফ'ৰ্ড-অষ্ট্ৰাজেনেকাৰ সহযোগত ভাৰতৰ পুণেস্থিত ছেৰাম ইনষ্টিটিউটত উৎপাদিত 'ক'ভিশ্বিল্ড' প্ৰতিষেধক প্ৰাপ্তবয়স্কসকলক প্ৰদান কৰি থকা হৈছে। ক'ভিশ্বিল্ডৰ লগতে ক'ভাক্সিন প্ৰতিষেধকো ভাৰতত প্ৰদান কৰি থকা হৈছে যদিও বিশ্ব স্বাস্থ্য সংস্থা (ডব্লিউ এইছ অ')ই ক'ভাক্সিন প্ৰতিষেধকৰ অনুমোদন যথেষ্ট পলমকৈ প্ৰদান কৰাটো দুৰ্ভাগ্যজনক। 'হু'ৰ লগতে আমেৰিকা যুক্তৰাষ্ট্ৰ তথা ইউৰোপীয় দেশবিলাকেও ক'ভাক্সিনৰ স্বীকৃতি প্ৰদান কৰা নাছিল আৰু এই দেশবিলাকে ক'ভাক্সিন প্ৰতিষেধক লোৱা ভাৰতীয়সকলক প্ৰতিষেধক লোৱা বুলিও স্বীকৃতি দিয়া নাছিল। অৱশেষত যথেষ্ট পলমকৈ 'হু' আৰু পশ্চিমীয়া দেশবিলাকে সম্পূৰ্ণ ভাৰতীয় ক'ভিড প্ৰতিষেধক ক'ভাক্সিনক স্বীকৃতি প্ৰদান কৰিলে। ক'ভাক্সিনৰ স্বীকৃতিৰ জৰিয়তে ভাৰতীয় বিজ্ঞান-গৱেষণাই আন্তঃৰাষ্ট্ৰীয় স্বীকৃতি লাভ কৰিলে। এতিয়া বিজ্ঞানী-বিশেষজ্ঞসকলৰ অধ্যয়ন তথা পৰামৰ্শৰ ভিত্তিত কেন্দ্ৰীয় চৰকাৰে ক'ভাক্সিন প্ৰতিষেধক ১৫-১৮ বছৰীয়া কিশোৰ-কিশোৰীসকলক প্ৰদানৰ বাবে অনুমোদন জনাইছে। অহা তিনি জানুৱাৰীৰ পৰা ক'ভাক্সিন দেশৰ ১৫-১৮ বছৰীয়া কিশোৰ-কিশোৰীসকলক প্ৰদান কৰা হ'ব যদিও ১৫ বছৰৰ তলৰ শিশুসকল বাদ পৰি ৰ'ব। চৰকাৰে ১২-১৫ বছৰ বয়সীয়া শিশুসকলক ক'ভিড প্ৰতিষেধক প্ৰদানৰ ক্ষেত্ৰত এতিয়ালৈকে কোনো সিদ্ধান্ত লোৱা নাই। উল্লেখ্য যে বিশ্বৰ বিভিন্ন দেশত ১২ বছৰৰ পৰা ১৮ বছৰীয়া সকলো শিশু তথা কিশোৰ-কিশোৰীক ক'ভিড প্ৰতিষেধক প্ৰদান কৰিছে। শেহতীয়াকৈ আমেৰিকা যুক্তৰাষ্ট্ৰত শিশুসকল ব্যাপক হাৰত ক'ভিডত আক্ৰান্ত হৈছে আৰু বহুতকেই চিকিৎসালয়ত ভৰ্তি কৰিবলগীয়া হৈছে। চিকিৎসালয়ত শিশুৰ ভৰ্তিৰ হাৰ ৬৬ শতাংশ বৃদ্ধি পোৱাত চিকিৎসকসকল চিন্তিত হৈছে। উল্লেখ্য যে হাস্পতালত ভৰ্তি হোৱা শিশুসকলৰ বয়স ১৭ বছৰৰ তলৰ বুলি কোৱা হৈছে। সৌভাগ্যৰ কথা যে ভাৰতত আমেৰিকাৰ দৰে পৰিস্থিতি এতিয়া হোৱা নাই। আমেৰিকাত শেহতীয়া তথ্য অনুসৰি ২৪ ঘণ্টাত প্ৰায় ছয় লাখ (পাঁচ লাখ ৮০ হেজাৰ) লোক ক'ভিডত আক্ৰান্ত হৈছে। আনকি ক'ভিডৰ ভয়াৱহ দ্বিতীয় তৰংগৰ সময়তো এটা দিনত ইমান বেছি আক্ৰান্ত হোৱা নাছিল। ইউৰোপীয় দেশবিলাকতো ক'ভিডৰ সংক্ৰমণ ব্যাপক হাৰত বৃদ্ধি পাইছে। পুনৰ তলাবন্ধ আৰু বিভিন্ন নিষেধাজ্ঞা জাৰি কৰিবলৈ চৰকাৰ বাধ্য হৈছে। এই দেশবোৰে সেয়ে ক'ভিডৰ তৃতীয় পালি প্ৰতিষেধক প্ৰদান অভিযান চলাইছে। ক'ভিডৰ দ্বিতীয় পালি প্ৰতিষেধক লোৱাসকলো ক'ভিডত আক্ৰান্ত হোৱাত প্ৰতিৰোধৰ বাবে তৃতীয় পালি প্ৰতিষেধক প্ৰদানত এই দেশবিলাকে বিশেষ গুৰুত্ব প্ৰদান কৰিছে।

ভাৰতৰ পৰিস্থিতি আমেৰিকাৰ দৰে হোৱা নাই যদিও একাংশ বিশেষজ্ঞই অহা ফেব্ৰুৱাৰীৰ ভিতৰত ভাৰতত দৈনিক লক্ষাধিক লোক পুনৰ ক'ভিডত আক্ৰান্ত হোৱাৰ সম্ভাৱনা ব্যক্ত কৰি সতৰ্ক কৰি দিছে। ভাৰতৰ ক'ভিড পৰিস্থিতি উন্নত হৈ ২৪ ঘণ্টাত মাত্ৰ ছহেজাৰলৈকে সংক্ৰমণ হ্ৰাস পাইছিল; কিন্তু যোৱা চাৰি দিনত দৈনিক সংক্ৰমণ ছহেজাৰলৈ নিম্নগামী হোৱাৰ পাছত যোৱা ৩০ ডিচেম্বৰত পুনৰ এদিনত আক্ৰান্তৰ সংখ্যা ১৬ হেজাৰলৈ বৃদ্ধি পালে। অৰ্থাৎ ২৪ ঘণ্টাত এশ শতাংশৰো অধিক বৃদ্ধি হৈছে। এইদৰে বৃদ্ধি পালে এসপ্তাহৰ ভিতৰত ভাৰতত কিমান লোক আক্ৰান্ত হ'ব সেয়া সহজেই অনুমেয়। বিভিন্ন ৰাজ্যত ইতিমধ্যে পুনৰ নিষেধাজ্ঞা আৰু নৈশ সান্ধ্য আইন বলৱৎ কৰা হৈছে। হোটেল, ৰেস্তোৰাঁ, মল, চিনেমা হল, মেট্ৰ'ৰেল, বাছ আদিত ৫০ শতাংশ লোকৰ বাবে অনুমতি প্ৰদান কৰা হৈছে। নৈশ সান্ধ্য আইন জাৰি কৰা হৈছে যদিও ৰাজনৈতিক দলৰ ৰাজহুৱা সভা, প্ৰাক্ নিৰ্বাচনী সভা আদিত হেজাৰ হেজাৰ লোক উপস্থিত হৈছে। ইতিমধ্যে দেশৰ প্ৰায়বোৰ ৰাজ্যত পৌৰ নিগম-নিকায়সমূহৰ নিৰ্বাচন অনুষ্ঠিত হৈছে। ৰাজনৈতিক দলৰ ৰাজহুৱা সভাবোৰো অনুষ্ঠিত হৈছে। এইবোৰ অব্যাহত থাকিলে ক'ভিডৰ সংক্ৰমণ পুনৰ বৃদ্ধি নাপাব বুলি ক'ব নোৱাৰি। ক'ভিড প্ৰতিষেধক লোৱাৰ ফলত আক্ৰান্তসকলৰ সৰহ সংখ্যকক চিকিৎসালয়ত ভৰ্তি কৰিবলগীয়া হোৱা নাই; কিন্তু সেই কাৰণেই যদি সতৰ্কতা কমাই দিয়া হয়, তেন্তে ইয়াৰ পৰিণাম বিপজ্জনক হ'ব পাৰে। আনহাতে, এতিয়ালৈকে ভাৰতৰ ৬৪ শতাংশ প্ৰাপ্তবয়স্ক লোকক সম্পূৰ্ণ নাইবা দুপালিকৈ ক'ভিড প্ৰতিষেধক প্ৰদান কৰা হৈছে। অৰ্থাৎ ৩৬ শতাংশ লোকক দ্বিতীয় পালি প্ৰতিষেধক প্ৰদান কৰিবলৈ বাকী আছে। একাংশ প্ৰাপ্তবয়স্ক লোকক আনকি প্ৰথম পালি প্ৰতিষেধকো দিবলৈ বাকী আছে। আনহাতে, চৰকাৰে যদিও দুপালি প্ৰতিষেধক প্ৰদানক সম্পূৰ্ণ প্ৰতিষেধক প্ৰদান কৰা বুলি কৈছে, প্ৰকৃততে দুপালি প্ৰতিষেধক লোৱাসকলো পুনৰ ক'ভিডত ডেল্টা নাইবা অ'মিক্ৰনত আক্ৰান্ত হৈছে আৰু হৈ থাকিব। যদিহে দুপালি প্ৰতিষেধকে সম্পূৰ্ণ সুৰক্ষা প্ৰদান কৰিব নোৱাৰে তেন্তে দুপালি প্ৰতিষেধকক সম্পূৰ্ণ প্ৰতিষেধক বুলি ক'ব বা স্বীকৃতি দিব পাৰিনে? সমগ্ৰ বিশ্বই এতিয়া ক'ভিডৰ তৃতীয়পালি প্ৰতিষেধক প্ৰদানত গুৰুত্ব দিছে। তেনে ক্ষেত্ৰত দুপালি প্ৰতিষেধকক সম্পূৰ্ণ বুলি ক'লে নিশ্চয় ভুল হ'ব। ভাৰত চৰকাৰেও অহা ১০ জানুৱাৰীৰ পৰা বুষ্টাৰ বা তৃতীয় পালি ক'ভিড প্ৰতিষেধক ৬০ বছৰৰ উৰ্দ্ধৰ লোকসকলক প্ৰদান কৰিবলৈ প্ৰস্তুতি আৰম্ভ কৰিছে। সেই অনুসৰি ৬০ উৰ্দ্ধৰ যিসকলে দ্বিতীয় পালি প্ৰতিষেধক লোৱা ন মাহৰ পৰা ১২ মাহ হ'ল সেইসকলে অহা ১০ জানুৱাৰীৰ পৰা তৃতীয় পালি প্ৰতিষেধক ল'ব পাৰিব। চৰকাৰে এই ক্ষেত্ৰত বুষ্টাৰ বা তৃতীয় পালি প্ৰতিষেধক লোৱাটো বাধ্যতামূলক বুলি এতিয়াও কোৱা নাই; কিন্তু একাংশ বিশেষজ্ঞই ৬০ৰ পৰিৱৰ্তে ৪০ বছৰ হোৱা সকলোকে তৃতীয় পালি প্ৰতিষেধক প্ৰদান কৰা উচিত বুলি মত ব্যক্ত কৰিছে। চৰকাৰে অৱশ্যে যিসকল লোকৰ বয়স বেছি আৰু স্বাস্থ্য দুৰ্বল— সেইসকলক তৃতীয় পালি প্ৰতিষেধকৰ প্ৰয়োজন বেছি বুলি বিবেচনা কৰিছে। চৰকাৰৰ এনে সিদ্ধান্ত নিশ্চয় গুৰুত্বপূৰ্ণ। শিশুসকল অথবা কিশোৰ-কিশোৰীসকলকো সমান্তৰালভাৱে প্ৰতিষেধক প্ৰদানৰ অভিযান আৰম্ভ হোৱাত দেশত স্বাস্থ্যকৰ্মীৰো সমস্যাই দেখা দিব পাৰে। চিকিৎসক তথা নাৰ্ছসকলৰ লগতে অংগনৱাড়ী আৰু আশা কৰ্মীসকলৰ সেৱা আৰু ত্যাগে দেশবাসীৰ স্বাস্থ্য সুৰক্ষা প্ৰদানত অত্যন্ত গুৰুত্বপূৰ্ণ ভূমিকা লৈছে।

# দেশখন ভি আই পিৰ

## বৰ্তমান সমাজ বাস্তৱতাত মানুহৰ স্বাধীনতা চূড়ান্ত মাত্ৰাত ভূলুণ্ঠিত



### আত্মজিজ্ঞাসা
কানাডাৰ পৰা **মুস্তাফিজুৰ ৰহমান**

প্ৰতিখন সমাজৰ এক নিৰ্দিষ্ট চৰিত্ৰ থাকে। মানুহৰ জীৱন-যাপন পদ্ধতি, চাহিদা, কামনা-বাসনা আৰু আশা-আকাংক্ষাৰ প্ৰতিফলনৰ ভিত্তিত সমাজৰ চৰিত্ৰ, লক্ষণবোৰ ফুটি উঠে, অৰ্থাৎ ব্যক্তি মানুহ সমাজৰেই প্ৰতিফলন। প্ৰশ্ন হ'ল, সমাজ জীৱনত মানুহৰ অস্তিত্ব। তাৰ জীয়াই থকাৰ ক্ষেত্ৰত কোন বিষয়টোৱে মূল প্ৰেৰণা বা অনুপ্ৰেৰণা হিচাপে কাম কৰে? কাৰো মতে সুখ লাভৰ বাসনাই মানুহৰ মূল প্ৰেৰণা। কাৰো মতে মৰ্যাদা লাভৰ বাসনা। কাৰো মতে ক্ষমতা অৰ্জন আৰু চৰ্চাৰ বাসনা মানুহৰ জীৱনৰ মূল প্ৰেৰণা। আধুনিক জটিল বাস্তৱতাত মানুহৰ অস্তিত্বৰ প্ৰেৰণা যিয়েই নহওক, প্ৰাগ ঐতিহাসিক কালত তাৰ যাত্ৰা যে আৰম্ভ হৈছিল মূলতঃ জৈৱিক আৰু প্ৰাকৃতিক তাড়নাৰ পৰা সেই বিষয়ত কোনো সন্দেহ নাই। তাৰ পৰা যাত্ৰা আৰম্ভ কৰি মানুহ আৰু সমাজ আজিৰ দিনত বিকাশৰ এনে পৰ্যায়ত আহি উপনীত হৈছে, য'ত আপাতদৃষ্টিত মনত হয় অৰ্থনৈতিক মুনাফা আৰু স্বাচ্ছন্দ্যৰ অভিলাষেই মানুহৰ একমাত্ৰ সামাজিক আৰু মনস্তাত্ত্বিক অনুপ্ৰেৰণা। মানুহৰ এই জীৱন বাস্তৱতাৰ পৰা সমাজৰ যি চৰিত্ৰটো স্পষ্ট হয়, সেয়া হ'ল এই সমাজ অৰ্থনৈতিক স্বাচ্ছন্দ্য আৰু সম্পত্তিকেই সকলো কিছু পৰিমাপৰ মানত পৰিণত কৰিছে। অৰ্থ-সম্পত্তিয়ে সামাজিক মানুহক বিভিন্ন পৰিচয়ৰে পৰিচিত কৰিছে। যেনে— সম্পত্তিৱান, সম্পত্তিহীন। সম্পত্তিৱান সম্পত্তিৰ মালিক হৈ নিজৰ স্বৰূপৰ পৰা বিচ্যুত। আনপিনে, সম্পত্তিহীন ন্যূনতম সম্পত্তিৰ যোগানত ব্যৰ্থ হৈ বিপৰ্যস্ত।

এই সমাজে মানুহক এনে এক বাস্তৱতাৰ পিনে ঠেলি দিছে, য'ত এজন মানুহ আন মানুহ কিম্বা বিশ্বৰ স'তে কোনো সহযোগিতাপূৰ্ণ সৃজনশীল সম্পৰ্কত আৱদ্ধ নহয়, বৰঞ্চ মানুহৰ পাৰস্পৰিক সম্পৰ্ক ইয়াত প্ৰতিযোগিতাৰ য'ত প্ৰতিটো মানুহ অব্যাহত। অন্তহীন, চিৰ অতৃপ্ত ভোগৰ তৃষ্ণাত তাড়িত। জীৱন ইয়াত পাৰস্পৰ্যহীন, স্ববিৰোধী খণ্ডিত ভঁহা ভঁহা সম্পৰ্কৰ প্ৰকাশ। বিদ্যমান সমাজত মানুহৰ সামাজিক বন্ধন খুব দুৰ্বল। মানুহ একাকিত্ব আৰু উদ্বিগ্নতাৰ চিকাৰ।

মানুহৰ ইতিহাস বিশ্লেষণত প্ৰতীয়মান হয় যে প্ৰাগ ঐতিহাসিক কালৰ পৰাই মানুহে শ্ৰমৰ মাজেৰে নিজকে সৃষ্টি কৰিছে। অৰ্থাৎ পৃথিৱীৰ সমগ্ৰ ইতিহাস বুলিলে শ্ৰমৰ মাজেৰে মানুহৰ সৃষ্টি কৰা ইতিহাসক বুজায়। বৰ্তমান সমাজ বাস্তৱতাত মানুহৰ স্বাধীনতা চূড়ান্ত মাত্ৰাত ভূলুণ্ঠিত। মানুহ নিজে আজি নিজৰ জীৱনৰ নিয়ন্ত্ৰক নহয়। সি নিজে যৌক্তিকভাৱে নিজৰ জীৱনৰ পৰিকল্পনা নকৰে। পৰিকল্পনা কৰে আন কোনোবাই। মুনাফাৰ আশাত। লাভৰ আশাত। টকাই ইয়াত মুখ্য।

শত্ৰুক চিনাৰ প্ৰয়োজন। এই শত্ৰু কোনো মানুহ নহয়। শত্ৰু হ'ল টকা। এই শত্ৰু হ'ল টকা আৰু মুনাফাৰ প্ৰতি মানুহৰ লোভ।

**দুই**

শিক্ষিত বেকাৰ। শব্দ দুটাত এটা কষ্ট আছে। হাহাকাৰ আছে। গ্লানি আছে। আছে লজ্জা। সেয়া প্ৰতিমুহূৰ্ত অনুভৱ কৰে তেওঁলোকে, যিসকল বেকাৰ। কোনো দেশতে শিক্ষিত বেকাৰ থকাৰ কথা নহয়। আমাৰ দেশখনতো চব সম্ভৱৰ দেশ। নানা অসম্ভৱৰ অপকৰ্মক আমি সম্ভৱ কৰিছো; কিন্তু ব্যৰ্থ হৈছো বেকাৰত্ব নিৰসন কৰাত। দেশত বৰ্তমান কালত যি দুখ-বেদনা, ক্ষোভ, আশাহীনতা আৰু নৈৰাজ্য চলিছে, কেই ফোটামান অশ্ৰুৰে সেয়া ধুই পেলোৱা সম্ভৱ নহয়।

দেশৰ লাখ লাখ বেকাৰক ভেঙুচালি কৰি নিজৰ দলৰ অযোগ্য প্ৰাৰ্থীক নিগমৰ অধ্যক্ষ, উপাধ্যক্ষ পাতি দিছে। সত্ৰক বেদখল কৰিবলৈ প্ৰদীপ হাজৰিকাৰ নেতৃত্বত গঠন কৰি দিয়া হৈছে এখন সমিতি। হাজৰিকাক দিয়া হৈছে কেবিনেট মন্ত্ৰীৰ মৰ্যাদা। সমিতিৰ দুই সদস্য মৃণাল শইকীয়া আৰু ৰূপক শৰ্মাক দিয়া হৈছে ৰাজ্যিক মন্ত্ৰীৰ মৰ্যাদা। বিত্তৰ অপচয় কৰি জধে-মধে দি আছে কেবিনেট পদমৰ্যাদা। প্ৰশান্ত ফুকন, ৰমাকান্ত দেউৰী, বলীন চেতিয়া আৰু বিদ্যাছিং ইংলেঙক দিয়া হৈছে কেবিনেট পদমৰ্যাদা। ইয়াৰ পূৰ্বে বিধায়ক ভবেশ কলিতা আৰু ৰমেন্দ্ৰ নাৰায়ণ কলিতাক দিয়া হৈছে কেবিনেট পদমৰ্যাদা।

ৰাজনীতি এতিয়া সম্পন্ন মানুহৰ ক্ষমতা চৰ্চাৰ আৰু উচ্চাভিলাষীৰ সম্পদ আৰু ক্ষমতা অৰ্জনৰ অৱলম্বন মাত্ৰ। সিহঁতৰ প্ৰয়োজন টকা। বগা বা ক'লা যিয়েই নহওক। প্ৰয়োজন বিত্ত, বৈধ বা অবৈধ যিয়েই নহওক। আৰু ক্ষমতা-আদৰ্শ বা আত্মমৰ্যাদা বিসৰ্জন দি হ'লেও। সফল ৰাজনীতিকৰ লক্ষণ হ'ল তাক ঘেৰি থাকিব অসংখ্য চাটুখোৰ আৰু কৃপাপ্ৰাৰ্থীয়ে। ইয়াৰ বাহিৰেও ক্ষমতা চৰ্চাৰ বাবে থাকিব এটা অন্তৰংগ চক্ৰ। সিহঁত দলীয় কৰ্মী হিচাপে পৰিচিত হ'লেও প্ৰায়েই ক্ষমতাৰ দাপটত বহিঃপ্ৰকাশ ঘটায়। জনসভাত শুনা যায় নেতাৰ প্ৰশংসা। গুণ-গান আৰু ভিন্ন দল আৰু নেতাৰ প্ৰতি বিষোদ্গাৰ। ৰাজনীতিৰ অংগন হৈ পৰিছে সংকীৰ্ণ। হেৰাই গৈছে প্ৰেক্ষাপট।

দেশখন হ'ল ভি আই পিৰ। আমি হ'লো প্ৰজা। প্ৰতিদিন ৰাজপথত ভি আই পিবোৰৰ চলাচলৰ পথ মসৃণ কৰিবলৈ ছিগনেলত বাধাপ্ৰাপ্ত হোৱা মানুহবোৰ, শিক্ষাৰ্থীবোৰ, এম্বুলেন্সৰ ৰোগীক লৈ ভাবিবৰ কোনো নাই। ভি আই পিৰ কাষত তেওঁলোক তুচ্ছ।

যি ৰাজনীতি গণতন্ত্ৰক লালন কৰে তাৰ অৱসান ঘটিছে। কোনো নীতি-আদৰ্শ নাই। আছে কেৱল ৰাজনৈতিক স্বাৰ্থ।

**তিনি**

অহা ত্ৰিশ বছৰলৈ অসমত বিজেপিৰ চৰকাৰ থাকিব আৰু মুখ্যমন্ত্ৰী হৈ থাকিব হিমন্ত বিশ্ব শৰ্মা। এই মন্তব্য নিমখ মন্ত্ৰী ৰঞ্জিত দাসৰ। চৌদিশে হিমন্ত বিশ্বৰ প্ৰশংসাই প্ৰশংসা। তেওঁ হেনো সাহসী। অসীম সাহসী। সঁচা জানো? অপদাৰ্থ মন্ত্ৰী চন্দ্ৰমোহনক অপসাৰণ কৰাৰ সাহসেই দেখোন তেওঁৰ নহ'ল। চন্দ্ৰ মোহনক অপসাৰণ কৰিলে দেশৰ ৯৫ শতাংশ মানুহেই সুখী হ'লহেঁতেন।

দেশবাসীক এটা নতুন বস্তু উপহাৰ দিছে হিমন্ত বিশ্বই। অভিভাৱক মন্ত্ৰী। জিলাই জিলাই অভিভাৱক মন্ত্ৰী। প্ৰকাশন পৰিষদৰো নতুন সংযোজন। 'প্ৰকাশন পৰিষদ সাহিত্য বঁটা' লেখকৰ স'তে প্ৰকাশকলৈও আগবঢ়োৱা হৈছে।লেখকক দুই লাখ, প্ৰকাশকক দুই লাখ।

ৰাতিৰ এক নিজস্ব পোহৰ আছে
অন্ধকাৰৰ অস্পষ্ট পোহৰ
সেই পোহৰৰ চৌদিশে
দুঃসহ নৈঃশব্দ চৌদিশে স্তব্ধতা
মৃত্যুৰ দৰে ধূসৰ।

**চাৰি**

ভাৰতৰ ছুপ্ৰিম কোৰ্টৰ ভূতপূৰ্ব প্ৰধান বিচাৰপতি ৰঞ্জন গগৈয়ে তেওঁৰ আত্মজীৱনীত স্বীকাৰোক্তি কৰিছে যে অযোধ্যা মামলাৰ ৰায় শুনোৱাৰ পাছতেই নিজৰ পছন্দৰ মদ পান কৰিছিল।

বিতৰ্কিত ৰায়ৰ বিষয়ত দাম্ভিকতাও প্ৰকাশ কৰিছে— 'ইয়াৰ দ্বাৰা সমগ্ৰ বিশ্বৰ ধৰ্মীয় সম্প্ৰদায়বোৰৰ মাজত ধৰ্মীয় বিবাদবোৰ শান্তিপূৰ্ণ আৰু ন্যায় সংগত পন্থাত নিষ্পত্তিৰ ইচ্ছা সৃষ্টি হ'ল।' গগৈয়ে তেওঁৰ এই ৰায়ক 'মানৱ ইতিহাসত বিচাৰিক ত্যাগৰ এক দৃষ্টান্ত' বুলি আখ্যায়িত কৰিছে। অযোধ্যা বিবাদ সংক্ৰান্ত এই ৰায়ৰ পোহৰত বিশ্বত ধৰ্মীয় সংঘাতক ন্যায়সংগত পন্থাত সমাধান কৰাৰ ইচ্ছা ক'ত কেতিয়া সৃষ্টি হৈছে সেয়া মই নাজানো।

গগৈয়ে লিখিছে অযোধ্যা বিবাদৰ সমাধানৰ পাছত 'আত্মিক শক্তি'য়ে কাম কৰিছে।

ৰায় শুনোৱাৰ পাছত তেওঁ তেওঁৰ বেঞ্চৰ সকলো বিচাৰপতিক লৈ নতুন দিল্লীৰ তাজ মানসিং হোটেললৈ গৈ নিজৰ পছন্দৰ সবাতোকৈ দামী মদ গলাধঃকৰণ কৰিছিল। মোৰ খুব জানিবলৈ মন যায় সেয়া কেনে আত্মিক শক্তি আছিল যিয়ে ৰায়ৰ পাছত তেওঁক লৈ গৈছিল মদ খাবলৈ।

মুখ্য ন্যায়াধীশ হৈ থাকোতে দিল্লীৰ পৰা কে'বাবাৰো কামাখ্যাত পূজা দিবলৈ আহিছিল। এতিয়া কামাখ্যাৰ ওচৰতে থাকে যদিও পূজা দিবলৈ দেখোন অহা দেখা নাপাওঁ।

মানৱিক নৈতিকতা ধৰ্মীয় নৈতিকতাতকৈ উন্নত। মানৱিক নৈতিকতাৰ ভিত্তি হৈছে কল্যাণ। ধৰ্মীয় নৈতিকতা মূলতঃ স্বেচ্ছাচাৰী নিৰ্দেশ।

**পাঁচ**

সময়ৰ এক সীমাৰেখাৰ হিচাপকে কোৱা হয় নৱবৰ্ষ। এই দিনত কোনো নতুন দিনৰ বা প্ৰাকৃতিক ৰঙৰ প্ৰকাশ নঘটে। বিছনাত শুই শুই নৱবৰ্ষৰ কথা ভাবি থাকোতেই চকুযুৰি মুদ খাই গ'ল। সপোন এটা দেখিলো। পৰমানন্দ ৰাজবংশী আহিছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্বৰ কাষলৈ। মুখ্যমন্ত্ৰীক ফুলৰ টোপা এটা উপহাৰ দি পৰমানন্দই ক'লে ঃ ছাৰ, মোকতো মন্ত্ৰী বনাবই লাগিব।

ঃ কিয়? কিয় তোমাক মন্ত্ৰী বনাবই লাগিব। হিমন্ত বিশ্বই প্ৰশ্ন কৰিলে।

ঃ কাৰণ মই বৌদ্ধিক সমাজক বুঢ়া আঙুলি দেখুৱাই কে'বা বছৰ অসম সাহিত্য সভাত টিঘিল ঘিলাই আছিলো। মোৰ বহু অভিজ্ঞতা আছে। চান্দা তোলাৰ অভিজ্ঞতা, পইচা মৰাৰ অভিজ্ঞতা, লেং মৰাৰ অভিজ্ঞতা, ৰাইজৰ মাৰ খোৱাৰ অভিজ্ঞতা, ৰাম পিটন খোৱাৰ অভিজ্ঞতা। পৰমানন্দই উত্তৰ দিলে।

ঃ ধৰা। এই টোপোলাটো ধৰা।

ঃ কি আছে টোপোলাত ছাৰ?

আমাৰ দেশখনতো চব সম্ভৱৰ দেশ। নানা অসম্ভৱৰ অপকৰ্মক আমি সম্ভৱ কৰিছো; কিন্তু ব্যৰ্থ হৈছো বেকাৰত্ব নিৰসন কৰাত। দেশত বৰ্তমান কালত যি দুখ-বেদনা, ক্ষোভ, আশাহীনতা আৰু নৈৰাজ্য চলিছে, কেই ফোটামান অশ্ৰুৰে সেয়া ধুই পেলোৱা সম্ভৱ নহয়।

ঃ গাজা।

ঃ গাজা কিয় ছাৰ?

ঃ কাৰণ তোমাক মই মন্ত্ৰী নবনাওঁ। তোমাক বনাম ৰাজা।

এক চিলিমত যেমন তেমন
দুই চিলিমত তাজা
তিনি চিলিমত উজিৰ নজিৰ
চাৰি চিলিমত ৰাজা।

মই খুব জোৰেৰে হাঁহি দিলো আৰু পত্নীৰ কিলাকুটিৰ গুটা খাই সাৰ পাই গ'লো।

**ছয়**

পত্নী ঘৰত নাই। ৰাজনৈতিক সভা এখনত ভাষণ দিবলৈ পুৱাতে ওলাই গৈছে। ঘৰত কাম কৰা ল'ৰাটোকো লগত লৈ গৈছে। টিভিটো অন কৰি ছোফাত বহিব খোজোতেই বাহিৰত চিঞৰ শুনি শিলাদিত্য বাৰাণ্ডালৈ ওলাই আহিল। বৃদ্ধ ভিক্ষাৰী এজনে চিঞৰিছে ঃ ছাৰ, খাবলৈ কিবা অলপ দিয়ক। বৰ ভোক লাগিছে।

ঃ যা, পাছত আহিবি। ঘৰত মানুহ নাই। — শিলাদিত্যই ক'লে।

বৃদ্ধ ভিক্ষাৰীৰ প্ৰশ্ন ঃ আপুনি তেনেহ'লে কি?

ফোন ঃ ০০১৪০৩২৭০১৮১৭



# কলিতা বাবুৰ দোকান

**আমাৰ** চহৰখনৰ এটা অঞ্চলত এখন পাণ দোকান আছে। নামতহে পাণ দোকান— কিন্তু তেওঁৰ দোকানখনত নাই কি? কল, তামোল, পাণ, চূণ, ধপাত, মিঠাতেলৰ বটল, চাউল, দাইল, আলু, পিঁয়াজ, নহৰু, আদা, ডলা, চালনী, কুলা, খৰাহি, দিয়াচলাই, বিড়ি, চিগাৰেট, সৰু সৰু জৰ্দাৰ পেকেট, লং-ইলাচি-দালচেনিৰ সৰু সৰু পেকেট, আন আন মছলা পেকেট ইত্যাদি।

দোকানীজনৰ অসংখ্য গ্ৰাহক। কিছুমানে তেওঁক নাম কাঢ়ি মাতে, কিছুমানে উপাধি কলিতা বুলি মাতে। ময়ো তেওঁক উপাধি ধৰি মাতো, কিন্তু উপাধিৰ লগত বাবুটো লগাই দি কলিতা বাবু বুলি মাতো। তেওঁৰ অসংখ্য গ্ৰাহক। তেওঁৰ দোকানৰ ওচৰতে বহুত ডাঙৰ ডাঙৰ গেলামালৰ দোকান, কিন্তু সেইবোৰলৈ বহুত গ্ৰাহক নাযায়। ময়ো কলিতা বাবুৰ দোকানলৈ যাওঁ। কাৰণ মোৰ প্ৰয়োজনীয় বস্তুবোৰ তেওঁৰ দোকানতে পোৱা যায়। মোক লাগে তামোল, পাণ, চূণ, ক'লা পাত চাধা, জৰ্দাৰ পেকেট, ডলা-চালানী-কুলা, খৰাহি ইত্যাদি বাঁহ-বেতৰ বাচন।

মই গৈয়েই তেওঁৰ দোকানৰ মুখত থিয় হৈ তেওঁক মাত লগাওঁ— কলিতা বাবু মোক ১০টা তামোল, এমুঠি পাণ, ক'লা পাত চাধা এশ গ্ৰাম, এটা চূণৰ পেকেট দিয়ক। তেওঁ এই বস্তু যতনাই পলিথিনৰ পেকেট এটাত সুমুৱাই দিয়ে। তাৰ পাছত এখন তামোল চকলিয়াই এপাত পাণত চূণ-চাধা দি মোক খাবলৈ দিয়ে। মই সেইখন সুমুৱাই দি তেওঁৰ লগত কথা পাতো — কেনে খবৰ, দোকানৰ বিক্ৰী ভাল নে? তেওঁ কয়— ভাল দিয়ক, কোনো মতে চলি আছো। ইতিমধ্যে তেওঁৰ দোকানত সন্মুখত গ্ৰাহক জমা হৈছেই। মোক তামোলখন দি তেওঁ আন আন গ্ৰাহকক দিয়ে যাক যি লাগে।

এদিন কলিতা বাবুৰ দোকানত গ'লো এটা খৰাহি কিনিবলৈ। তেওঁ বাঁহ-বেতৰ খৰাহি ডলা-চালনী, কুলা আদি বনোৱাত যেন নিপুণ কাৰিকৰ। এইবোৰ বনাই দোকানত আঁৰি থৈ দিয়ে। সকলোৰে চকুত পৰে। মই গৈ পোৱাৰ লগে লগে তামোলখন খুওৱাৰ যোগাৰ কৰিলে। মই কি আনিবলৈ গৈছো নোসোধে। প্ৰথমতে সচৰাচৰ দিয়াৰ দৰে জুতি লগাকৈ তামোলখন দিয়ে। মই তামোলখন মুখত সুমুৱাই ক'লো— মোক এটা সৰু খৰাহি দিয়ক নামঘৰত শৰাই দিবলৈ। তেওঁ এটা অতি ধুনীয়া, মিহি বাও লগোৱা খৰাহি উলিয়াই মোক দিলে। এদিন এখন আনিলো গুৰা চালনী। এনে ধৰণে বিভিন্ন বাঁহ-বেতৰ বাচন মই কলিতা বাবুৰ পৰাই আনিলো। মই তেওঁক সুধিলো এই বাঁহ-বেতৰ বাচনবোৰ কোন সময়ত তৈয়াৰ কৰে?

**ৰিজু হাজৰিকা**

তেওঁ ক'লে— মই ৰাতি প্ৰায় ১২টামান বজালৈ এইবোৰ কাম কৰো। এইজন মানুহৰ কথা কোনোবাই জানেনে? তেওঁৰ যি কৰ্মক্ষম শক্তি কোনেনো খবৰ ৰাখে।

অকল এয়েইনে? কলিতা বাবু এজন কালচাৰ্ড মানুহো। আমাৰ এই অঞ্চলত কে'বাটাও সাহিত্য-সংস্কৃতিৰ অনুষ্ঠান আছে। যেনে জ্যেষ্ঠ নাগৰিক সমাজ, সাহিত্য চ'ৰা, শংকৰ-মাধৱ সেৱাশ্ৰম আদি। জ্যেষ্ঠ নাগৰিক সমাজৰ যি কোনো সভাত তেওঁ উপস্থিত থাকেই। জ্যেষ্ঠ নাগৰিক সভাত মাজে মাজে নিজৰ পৰিচয় দাঙি ধৰাৰ এটা কাৰ্যসূচী থাকে। তাকে কলিতা বাবুৱে ৰস লগাকৈ তেওঁৰ পৰিচয় দাঙি ধৰে। মিটিঙত দুই-এজন ৰসিক বন্ধুৱে সোধে— আপোনাৰ লাভ মেৰেজ নে? তেওঁ হাঁহি হাঁহি কয়— আমাৰ দিনত সেইবোৰ লাভ-চাভ নাছিল। মা-পিতাই যি ছোৱালী চাই বন্দৱস্ত কৰিছিল তাইকে বিয়া কৰাইছিলো। বিয়াৰ দিনাহে কইনাৰ মুখ দেখা পাইছিলো।

সবতকৈ ডাঙৰ খবৰ হ'ল— আমাৰ সাহিত্য চ'ৰাত মাজে মাজে স্বৰচিত লিখনি পাঠৰ অনুষ্ঠান হয়। তাতে সকলো সদস্যই নিজৰ নিজৰ লেখা পাঠ কৰে। যেনে— গল্প, কবিতা, প্ৰবন্ধ আদি পাঠ কৰে। এজন পৰ্যালোচনা কৰা পৰ্যবেক্ষক নিৰ্ধাৰণ কৰা হয়। তেওঁ লেখাবোৰ পৰ্যালোচনা কৰে। এইটো কাৰ্যসূচীত কলিতা বাবুৱে যোগদান কৰে। তেওঁ কবিতা, গল্প আদি পাঠ কৰে। তেওঁৰ লেখাটোও বৰ ৰস লগা। সকলোৱে শুনে আৰু হাঁহে।

এইজন কলিতা বাবু এতিয়া প্ৰায় বুঢ়াই হৈছে। তথাপিতো দোকান এৰা নাই, কোনো সামাজিক অনুষ্ঠানত যোগ নকৰাকৈ থকা নাই। তেওঁ দীৰ্ঘজীৱী হওক— তাকেই ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনালো।

# নুশুনা কথা শুনিলো মুখত নোকোৱা কথা ক'লো দুখত

**মনোজ কুমাৰ ভট্টাচাৰ্য**

— কাইলৈ আপোনাৰ ক'ৰবাত কিবা প্ৰ'গ্ৰেম আছে নেকি?
— কিয়বা সুধিলা তুমি? মোৰ কিন্তু মনে গোন্ধাইছে দেই।
— কি মনে গোন্ধাইছে নকয় কিয়? এহ্ একেবাৰে নুসুধিবলগীয়া কথাহে যেন সুধিলো আপোনাক? বয়স হ'ল নহয়, সন্দেহবাদী মনটো এতিয়া এৰক।
— ভুল নকৰিবা। এয়া মোৰ সন্দেহ নহয়। সত্য আৰু শুদ্ধ কথাটো হ'ল কাইলৈ নিশ্চয় তোমাৰ ক'ৰবাত কিবা প্ৰ'গ্ৰেম আছে। হয় নে নহয় কোৱা?
— আগতে মইহে আপোনাক প্ৰশ্ন কৰিছো, গতিকে আপুনি প্ৰথমতে উত্তৰ দিব লাগিব। তাৰ পাছতহে মই উত্তৰ দিম।
— যি দেখিছো তুমিও আঙুলি ভাঁজ কৰি ঘিঁ উলিয়াব জনা হৈছা।
— তথাপি এই মানুহটোৱে পোনে পোনে কথাষাৰ কৈ নিদিয়ে। মৰণা মাৰি থাকিবলৈ ইমান কিয় ভাল পায় কওকচোন?
— হেৰা, এতিয়াহে আচল কথা কৈছা তুমি। মৰণা নামাৰিলে যে ঠগ খোৱাৰ ভয়, সেইটো তুমি নাজানা নেকি?
— কি ক'লে আপুনি? ঠগ খোৱাৰ ভয়? মই আপোনাক ঠগাম? ঠগাইছো কোনোবাদিনা? প্ৰমাণ দিব পাৰিব আপুনি?
— তুমি ঠগাইছা বুলি মই কোৱা নাই নহয়। মই নিজে ঠগ খোৱাৰ কথাহে কৈছো।
— জিলাপীতকৈও আপোনাৰ কথাৰ পাক বেছি বুলি ক'লে দেখোন আপুনি বেয়া পায়। কওকচোন হয় নে নহয় এতিয়া?
— হেৰা, তুমি বৰ আঁকৰীহে। এইমাত্ৰ তাকেই ক'লোচোন। তুমি যদি কিবা স্পেচিয়েল প্ৰ'গ্ৰেম বনাইছা আৰু সেইটো যদি মোৰ প্ৰ'গ্ৰেমতকৈ বেছি ভাল, তেনেহ'লে সেইটোৰ পৰা বঞ্চিত হোৱাৰ ইচ্ছা মোৰ নাই। লাগিলে মই মোৰ প্ৰ'গ্ৰেমেই কেনচেল কৰিম।
— অ' তাৰ মানে আপুনি সুবিধাবাদী। পাৰ পালেই ইপাৰ আৰু পাৰ নাপালেই সিপাৰ।
— ওহো, তেনেকৈ নক'বা তুমি। মোৰ কাইলৈ প্ৰ'গ্ৰেম হ'ল...
— হেঃ হেঃ হেঃ ধৰা পৰি গ'ল আপুনি। দেখিলে, আপোনাৰ প্ৰ'গ্ৰেম থকা কথাটো আপোনাৰ মুখেৰেই কেনেকৈ উলিয়াই পেলালো।
— নহয়, ঠিক তেনেকুৱা বিশেষ একো প্ৰ'গ্ৰেম নাই; মাত্ৰ...
— বুজিলো দিয়ক। আগবেলা নে পিছবেলা তাকেই কওক।
— পিছবেলা। আবেলি তিনি বজাৰ পৰা সন্ধিয়া আঠ বজালৈ।
— নাই নহ'ব। আপুনি আপোনাৰ প্ৰ'গ্ৰেম কেনচেল কৰিব লাগিব। কাইলৈ আপুনি ঘৰ ৰখীয়া। পিছবেলা বৰুৱানীৰ লগত মই এঠাইলৈ যাম।
— যাবা, কিন্তু মোৰ প্ৰ'গ্ৰেম কিয় কেনচেল কৰিব লাগে? ঘৰ ৰখীয়া পাতি মোক কিয় শাস্তি দিব খুজিছা?
— এদিনৰ বাবে ঘৰত থাকিবলৈ ক'লে শাস্তি দিয়া হয় নেকি? তেনেহ'লে আজি অতদিনে আপুনি মোক শাস্তিহে দি আছিল? শাস্তি দিবলৈহে আপুনি মোক বিয়া কৰাই আনিছিল?
— নহয়হে? কথাবোৰ তুমি ওলোটাকৈ লোৱা কিয়? ঘৰৰ দায়িত্ব তিৰোতাৰ আৰু বজাৰৰ দায়িত্ব মতাৰ। ঠিক আছে, ঘৰতে থাকিম মই। সেইটোনো কি ডাঙৰ কথা।
— পানীখিনি ধৰি থ'ব। পাৰৰ বাঁহৰ দুৱাৰখন দিব। ছাগলীজনীক বিচাৰি আনি বান্ধি থ'বলৈ নাপাহৰিব।
— হ'ব দিয়া। সেইখিনি মই চম্ভালিম। পিছে এঠাইলৈ মানে কোন ঠাইলৈ যাব খুজিছা?
— গ্ৰন্থমেলালৈ যাম।
— কি? আকৌ এবাৰ কোৱাচোন? তুমি যাবা গ্ৰন্থমেলালৈ? এয়া মই কি শুনিছো?
— ঠিকেই শুনিছে আপুনি।



— ভূতৰ মুখত ৰাম নাম? অৱশেষত তোমাৰ যে সুমতি হ'ল। যমৰ আগত অন্ততঃ ক'ব পাৰিবা জীৱনত এবাৰ হ'লেও গ্ৰন্থমেলালৈ যোৱা বুলি।
— ঠাট্টা কৰিব নালাগে দিয়ক।
— ঠাট্টা কৰা নাই ৰ'বা। এই কথাষাৰ শুনি কিমান আনন্দিত হৈছো মইহে জানো। পিছে কোৱাচোন, বৰুৱানীয়ে তোমাক লগ ধৰিলে নে তুমি?
— ময়েই লগ ধৰিছো।
— বাঃ বঢ়িয়া। কাইলৈ যে প্ৰ'গ্ৰেমৰ কথা কৈছিলো মই, গ্ৰন্থমেলাই বুজিছা? ভালেই হ'ব দিয়া, একেলগে যাব পাৰিম।
— ইহ্ কিয়নো যাম আপোনাৰ লগত? আপোনাৰ লগত গৈ ব'ৰ হৈ থাকিলেহে হ'ব?
— তাৰ মানে মোৰ স'তে সংসাৰ পাতি ইমানদিনে তুমি ব'ৰ হৈয়েই আছা?
— ঘৰৰ কথা আৰু গ্ৰন্থমেলাৰ কথা একেই জানো? সেইবাবেই মই বৰুৱানীক লগ ধৰিছো।
— হেৰা, ইমান ভয় খাব নালাগে। কথা দিছো মই ব'ৰ নকৰো তোমাক।
— এতিয়াহে কৈছে। জানো নহয় মই, কিতাপ দেখিলে মোক পাহৰি আপুনি ইখন এৰি সিখন কিতাপ চাই সময়ো নষ্ট কৰিব আৰু কিতাপ কিনি পকেটো উদং কৰিব।
— আন যিয়েই নহওক, তলাবন্ধই কিন্তু বহুতকে উপকাৰ কৰি থৈ গ'ল দেই। তুমিয়েই ভাবাচোন, তলাবন্ধই কিতাপৰ প্ৰতি তোমাৰ ধাউতি কিমান বঢ়ালে? যাৰ বাবে কিতাপ কিনিবলৈ তুমি গ্ৰন্থমেলালৈ ওলাইছা।
— কোনে ক'লে আপোনাক?
— কি কোৱাহে তুমি? কিতাপ কিনিবলৈকেতো গ্ৰন্থমেলালৈ মানুহ যায়?
— কিয়নো যাব, ক'লেই হ'লনে আপুনি? আপোনাৰ দৰে হয়তো কেইজনমান যায়; কিন্তু আমাৰ দৰে যোৱা মানুহেই বেছি।
— তাৰ মানে তুমি কিতাপ নিকিনা?
— দৰকাৰ পৰিছে কিতাপ কিনিবলৈ। পৰীক্ষা দিম নেকি মই? তাতকৈ সেইখিনি টকাৰে কিবা খাম।
— হে হৰি! তেনেহ'লে গ্ৰন্থমেলালৈ যোৱা কিয়?
— গ্ৰন্থমেলাত এখন ভাল ৰেস্তোৰাঁ আছে হেনো। তাতে চিকেন-বিৰিয়ানি খাবলৈ যাম। কিমান বোলে টেষ্টি কি ক'ম আপোনাক?
— ঠিকেই। পঢ়ি-শুনি মূৰ ঘোলা কৰাতকৈ খাই-বৈ মুখ সোলা কৰাই ভাল। নহয় জানো?
— কি?

ফোন ঃ ৯১০১৭৭৪৮৬৮

দেওবৰীয়া দৈনিক অগ্ৰদূত
গুৱাহাটী, ২ জানুৱাৰী দেওবাৰ, ২০২২ পৃষ্ঠা ৫

# তাহানিৰ কথাৰে

**তাহানিক** পাহৰো কেনেকৈ? তাহানিৰ কথাৰে মন ভৰি আছে। তাহানিৰ মৰম-চেনেহ, আদৰ-সাদৰ, ব্যৱহাৰ-পাতি, মাত-কথা সকলো মনৰ মাজত সজীৱ হৈ আছে। চকুযুৰি মুদিলেই চকুৰ পতাৰ মাজত সকলো স্পষ্ট হৈ পৰে। নিজান-নিস্তব্ধ পৰিৱেশত কাণ দুখনত মাত-কথাবোৰ বাজি উঠে। শব্দবোৰ নাচি উঠে— আমাৰ তাঁতশাল আছিল, ঢেঁকী আছিল, ভঁৰাল আছিল। গাইৰ গাখীৰ টোপা ঘৰতে পাইছিল। হাঁহ-কুকুৰাৰ কণী ঘৰতে পাইছিল। শাক-পাচলিৰ খেতি ঘৰতে কৰিছিল। ল'ৰাহঁতে মাছ যতনাইছিল, খৰি লুৰিছিল।



মুঠতে তাহানিৰ কথাৰে তাহানিৰ মানুহ চামৰ মন আজিও চহকী হৈ আছে। খেতিৰ ধান চপাই ভঁৰালত ভৰায়, ভঁৰালৰ পৰা উলিয়াই মৰণা মাৰি ধান-চাউলৰো ব্যৱসায় কৰিছিল কোনো কোনোৱে।

তাহানিত মানুহচাম বৰ ব্যস্ত আছিল খেতি-বাতিৰ কামত। বিয়া-সবাহবোৰো বৰ ডাঙৰকৈ পাতিছিল। কোনো নিয়ম-নীতি বাদ দিয়া নাছিল। নামঘৰত খনেপতি ভাওনা পাতিছিল। বিহুত ডেকাহঁতৰ গাত তৰণি নাছিল। প্ৰত্যেকেই ঢোল-পেঁপা-গগনা বজাব জানিছিল। বজাইছিল। গাভৰু-বোৱাৰীহঁতে জেং বিহু পাতি নাচিছিল, গাইছিল।

তাহানিৰ দিনবোৰত আমাৰ আপোন পৰিয়ালেৰে ভৰি আছিল। যৌথ পৰিয়ালৰ একোখন ঘৰত ভালেসংখ্যক সদস্য আছিল। আজোককা, আজো আইতাৰ পৰা আৰম্ভ কৰি ককা-আইতা, মা-দেউতা, পো-বোৱাৰীৰ নাতি-পুতিয়ে ঘৰখনত কলকলাই আছিল। সকলোৱে নিজৰ নিজৰ কামত ব্যস্ত আছিল। ধলপুৱাতে চোতাল-পদূলি সাৰি নিকা কৰি পেলোৱা চোতাল পদূলিয়েদি পথাৰলৈ যোৱাই পথাৰলৈ গৈছিল, মাছলৈ যোৱাই মাছলৈ গৈছিল, ব্যৱসায়-বাণিজ্যলৈ যোৱাই হয় ভাৰ বৈ নহয় চাইকেলত নতুবা গৰু-গাড়ীত পা-পাচলি, তামোল-পাণ, নাৰিকল, কঁঠাল আদি বেপাৰলৈ নিছিল। প্ৰত্যেকৰে নিজৰ নিজৰ বাৰী ফলমূল, শাক-পাচলিৰে ভৰি আছিল।

ভাবিলেই ভাল লগা ধলপুৱাৰ এই ব্যস্ততাই ঘৰখনলৈ আনন্দ আনিছিল। চোতালত হাঁহ-কুকুৰাই পিত্‌পিতাই ফুৰিছিল। কেঁচুৱাহঁতে য'তে মন যায়, তাতে 'কামফেৰা' কৰিছিল। কোনোবা এগৰাকী পেহী, মা, বৰমা, খুৰীয়ে আহি মলখিনি দুহাতেৰে চুঁচি ঠাই ডোখৰত পানী অকণ ঢালি ভৰিতে মচি দিছিল। আইতাই বাৰীৰ ভিতৰলৈ গৈ সৰা তামোল বুটলিছিল, ফলমূল বুটলিছিল, দুই-এবিধ শাক-পাচলি ছিঙি আনি বোৱাৰীয়েকহঁতক দিছিলহি। ককাই গৰু গোহালিলৈ গৈ গোবৰ কেইচপৰা কোৰেৰে তুলি গছৰ গুৰিত দিছিল। কোনোবা এগৰাকীয়ে গোহালি ঘৰলৈ বাঢ়নীৰে সাৰি পৰিষ্কাৰ কৰি তুলিছিল, গাখীৰ খীৰাইছিল। দুগৰাকী মানে পাকঘৰত সোমাই চাহ-জলপান যতনাইছিল। আইতাই গা ধুই তুলসী গুৰিত সেৱা জনাইছিল। বাটেদি গৈ থকা ইজনে সিজনে ককা-আইতাক চিঞৰি চিঞৰি মাত এষাৰ লগাই গৈছিল।


ভাবিলেই ভাল লগা চকুৰ পতাত লুকাই থকা দৃশ্যসমূহ আমাৰ তাহানিৰ দিনৰ একোখন ঘৰৰ একোটা যৌথ পৰিয়ালৰ, লগতে একোখন গাঁৱত তাহানিৰ কথাৰে মন আমাৰ ভৰপূৰ কৰি তোলে।

তাহানিৰ দিনবোৰ বৰ শান্তিৰ দিন আছিল। দেশৰ পৰিস্থিতিও আছিল শান্তিৰ। ইংৰাজৰ দৰে পৰাক্ৰমী জাতি এটাক দেশৰ পৰা খেদি পঠাই দেশ স্বাধীন হ'ল। আমি স্বাধীনতা লাভ কৰিলো, স্বাধীনতাৰ প্ৰথম পতাকাখন মূৰৰ ওপৰত উঠিল। সেই তৃপ্তিৰ সোৱাদ আজিও মই অনভৱ কৰো।

তাহানিৰ কথাবোৰৰ মাজলৈ যিমানেই সোমাই যোৱা যায়, সিমানেই তৃপ্তিত মূৰ দোঁ খাই যায়। তাহানি আমাৰ মানুহ চাম বৰ সহজ-সৰল আছিল। আত্মীয়তাৰে সকলোকে আঁকোৱালি লৈছিল। গুৰুজনাক সকলোৱে সন্মান কৰিছিল। ঘৰবোৰত হাই-কাজিয়া নাছিল। ওচৰ চুবুৰীয়াক সকলোৱে আপোন ভাবেৰে লৈছিল। শিক্ষাগুৰুৰ প্ৰতি সকলোৰে মান-সন্মান যথেষ্ট আছিল। চোৰ-ডকাইত ইমানকৈ নাছিল। ঘটনা-দুৰ্ঘটনাও ইমানকৈ হোৱা নাছিল। গাঁৱৰ ল'ৰা চামে পঢ়া-শুনা নকৰিছিল সঁচা, কিন্তু কাম-বন যি পাইছিল তাকে কৰিছিল। সেই সময়ছোৱাত খেতিৰ পথাৰখন সকলোৰে বুকুৰ আপোন আছিল। গাভৰুহঁতৰ বোৱাত ৰাপ আছিল। ঘৰে ঘৰে

দুখৰ দিনতে সকলো সমভাগী হৈছিল, কোনোবা এঘৰত কাৰোবাৰ বেমাৰ-আজাৰ হ'লে সহায়ৰ হাত আগবঢ়াইছিল। তাহানিৰ গাঁৱৰ মানুহ চামৰ মাজত বৰ একতা আছিল। একেখন গাঁৱতে অঙহী-বঙহী মানুহৰে ভৰি আছিল। গতিকে আত্মীয়তাৰ চোকটো বেছি আছিল। আজি সেই আত্মীয়তাৰ চোকটো কমি যোৱা যেন লাগে। সকলো ব্যস্ত।

আজি-কালি যৌথ পৰিয়ালো নাই। বৃদ্ধ আই-পিতাইৰো ঘৰ নোহোৱা হ'ল। খেতিপথাৰ, গোহালি, গোবৰ, ভঁৰাল, ঢেঁকী আদি নেদেখা আজিৰ সন্তানক ছবি দেখুৱাই চিনাব, বুজাব লগা হ'ল।



## এলি আহমেদ

যুগৰ পৰিৱৰ্তনে আমাক এফালে যিমান শিক্ষা-দীক্ষাৰ বাট দেখুৱায়, আনফালে তাহানিৰ দিনৰ বহু কথাৰ ওপৰত বন গজাইছে। এচাম এচামকৈ কেইচাম মান মানুহ নোহোৱা হৈ যোৱাৰ পাছত তাহানিৰ কথাবোৰো সাধুকথা হৈ পৰিব। যৌথ পৰিয়াল নোহোৱা হৈছেই। ককা, আইতাক বৃদ্ধ গৃহত ৰখা হৈছেই। দেৱতাৰ সন্মুখত মাটিৰ চাকিৰ সলনি বিজুলী চাকি জ্বলা হ'ল। ঘৰৰ চোতালত তুলসী পুলি নোহোৱা হ'ল। তাঁতশালৰ নাচনীয়ে ব'হাগৰ বিহুৰ বাবেহে নচা হ'ল। বোৱা কাপোৰ পিন্ধা মানুহৰ অভাৱ হ'ল। ভোগালী বিহুত জলপান দোকানে-পোহাৰে কিনিবলৈ পোৱা হ'লো। বিহুৰ গামোচা বাহিৰৰ পৰা অনা হ'ল। পথাৰত ট্ৰেক্টৰ নামিল। গাঁৱৰ পদূলিত শুই থকা বাটে-পথে ঘূৰি ফুৰা কুকুৰকেইটাও নোহোৱা হ'ল। গাইৰ গাখীৰ পেকেটত পোৱা হ'লো। সেন্দূৰ নেদেখা হ'লো। টিপ ফোটে কপাল শুৱনি কৰা হ'ল। মেখেলা-চাদৰবোৰ জাপে জাপে বাকচত সোমাল। 'পঁইতা ভাত' দোকানত কিনি খাবলৈ হ'লো। বিৰিয়ানিৰ ৰং হালধীয়া হ'ল। চলাই দিলে চলি যোৱা ব্যৱসায়েৰে ব্যৱসায়ীয়ে ব্যৱসায় চলাই গ'ল। কুকুৰা শব্দটো কাৰো মুখত নুফুটাই হ'ল। মুৰ্গী সকলোৰে মুখে মুখে। কেঁচুৱাটো 'বাট্‌ছা' হৈয়েই ৰ'ল। বাইয়ে নমস্কাৰক হেঁচা মাৰি ধৰিলে। আন্টিয়ে মাকৰ বাহিৰে সকলোকে এক কৰি পেলালে। আংকুলে দেউতাৰ বাহিৰে সকলোকে আদৰিলে।

সেইবাবেই তাহানিৰ কথাৰে আজিৰ মনক বুজনি দিয়াত বাহিৰে উপায় নাই। আমাৰ জ্যেষ্ঠসকলৰ আজি মাত হেৰাল, কণ্ঠৰুদ্ধ হৈ পৰিছে। দেখিও নেদেখা হৈ শুনিও নুশুনা হৈ মনৰ মাজতে কথা পাগুলি থকাৰ বাহিৰে উপায় নাই যদিও তাহানিক লৈ আমাৰ গৌৰৱ আছে। সেইবাবে তাহানিৰ কথাই আমাক আনন্দ দিয়ে।

*ফোন ঃ ৯৪৩৫১০৪৮৮৪*

# সৰ্বস্তৰত চান্দাৰ ধান্দা বন্ধ হওক

### তথাকথিত জাতীয় সংগঠনবোৰে পৰৰ পিঠাৰে বিহু পতাৰ প্ৰৱণতা ত্যাগ কৰি সদস্যসকলক স্বাৱলম্বী হোৱাৰ পাঠ দিয়ক, তেতিয়াহে এখন সুস্থ সমাজ গঢ় লৈ উঠিব



## অৱলোকন
## হিতেশ ডেকা

**বিগত** তিনিটা দশক অসমত গা কৰি উঠা চান্দাৰ ধান্দাই বহুক্ষেত্ৰত বিস্তৃত ক্ষতি কৰা বুলি ক'লেও বেছি কোৱা নহয়। আমাৰ সমাজ জীৱনত চান্দাৰ এক গুৰুত্বপূৰ্ণ ভূমিকা আছে। সেই কথা অস্বীকাৰ কৰাৰ উপায় নাই। সমাজ এখন একত্ৰিত কৰি ৰখাত চান্দাৰ ভূমিকা নিঃসন্দেহে গুৰুত্বপূৰ্ণ। বিশেষতঃ গ্ৰামাঞ্চলত অনুষ্ঠিত হোৱা বিভিন্ন ধৰ্মীয় বা সামাজিক উৎসৱবোৰত চান্দাই এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আছে। সৰ্বসাধাৰণজনে দিব পৰা এটা বৰঙণি নিৰ্ধাৰণ কৰি সেই উৎসৱত সদৌটিকে সাঙুৰি লোৱাই এই প্ৰক্ৰিয়াৰ মূল উদ্দেশ্য। তেনে চান্দা সংস্কৃতিয়ে সমাজখনৰ বাবে ইতিবাচক বাৰ্তা কঢ়িয়াই লৈ আহিছে। আৰু তেনেধৰণৰ চান্দাক সংস্কৃতি বুলিলেও হয়তো ভুল কোৱা নহ'ব। অসম বিজেপিয়েও দলৰ বাবে ১০০ কোটি সংগ্ৰহৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। এই চান্দা গ্ৰহণ কৰা হ'ব মাত্ৰ দলৰ কাৰ্যকৰ্তাৰ পৰাহে। তেনে এক প্ৰৱণতা যদি সঁচাকৈ দলবোৰৰ মাজত আহে সেয়া নিশ্চিতভাৱে ধন্যবাদৰ যোগ্য। কিন্তু আজি যি উদ্দেশ্যত আমাৰ এই আলোচনাত চান্দা প্ৰসংগ আহিছে সেয়া নিশ্চয় এক সমস্যা হিচাপে দেখা দিয়া হেতুকেহে।

এসময়ত উগ্ৰপন্থী সংগঠনৰ চান্দাৰ দাবীৰ বাবেই অসমত উদ্যোগ, ব্যৱসায় আদি বহিঃৰাজ্যৰ ব্যৱসায়ীয়ে কৰিব নোখোজাৰ অভিযোগ যিদৰে অনা হৈছিল ঠিক তেনেদৰে চান্দাৰ বাবেই বহুতো ক্ষুদ্ৰ উদ্যোগ বন্ধ হৈ যোৱা, বহুতো ব্যৱসায়ীয়ে অসমৰ পৰা তেওঁলোকৰ ব্যৱসায় অন্য ৰাজ্যলৈ লৈ যোৱাৰ অভিযোগো উঠিছিল। পূৰ্বৰ বহুতো চৰকাৰে এই অভিযোগ আনিয়ে ক'ব বিচাৰিছিল যে এনেবোৰ ধমকিৰে দিয়া চান্দাৰ ধান্দাৰ বাবে অসম বহু পিছুৱাই গ'ল। এইক্ষেত্ৰত অকল উগ্ৰপন্থী সংগঠনবোৰকে দোষাৰোপ কৰিব পাৰিনে মাত্ৰ?

অসম আন্দোলনৰ পাছৰে পৰা অসমত সদৌ অসম ছাত্ৰ সন্থাৰ সমান্তৰালকৈ নিতৌ ন ন সংগঠনৰ জন্ম পাবলৈ ধৰিলে। নিজকে গণতান্ত্ৰিক সংগঠন বুলি ক'লেও এই সংগঠনবোৰৰ অনেকে কিন্তু চান্দাৰ ক্ষেত্ৰত অগণতান্ত্ৰিক পদ্ধতি ল'বলৈও কুণ্ঠাবোধ নকৰিলে। একো একোটা কাৰ্যসূচী ৰূপায়ণৰ নামত তেওঁলোকে কিছু বিষয়া-কৰ্মচাৰী, ব্যৱসায়ীক এনেদৰে ব্যতিব্যস্ত কৰিব ধৰিলে যে গোটেই পৰিৱেশটোৱেই এসময়ত দূষিত হৈ পৰিল। ঠায়ে ঠায়ে ইয়াকে লৈ বাক্-বিতণ্ডা, মাৰ-পিটৰ দৰে ঘটনাও সংঘটিত হ'ল। অনুষ্ঠান এটি ৰূপায়িত কৰাৰ বাবে চান্দা, এই ধাৰণাৰ বিপৰীতে ধান্দাৰ বাবেহে চান্দা হোৱাৰ পৰিপ্ৰেক্ষিতত বিষয়টো বিতৰ্কত সোমাই পৰে। চান্দাজীৱী সংগঠন বুলি কাৰোবাক হয়তো ঠাট্টা-বিদ্ৰূপ কৰাৰ সুবিধা পাইছে কোনোৱে। চান্দাই সমাজখনত এক বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে বাবে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই ইয়াকে লৈ সতৰ্কবাণী দিছে। চান্দা বন্ধ কৰাৰ বাবে আহ্বান জনোৱাই নহয় চান্দা লাগিলে তেওঁ মুখ্যমন্ত্ৰী সাহায্য পুঁজিৰ পৰাই দিব বুলিও জনাই দিছে; কিন্তু সৰ্বস্তৰৰ এই চান্দা দুষ্কৃতি বন্ধ হ'বনে? হোৱা সম্ভৱনে?

কিছুদিন আগতে ছ'চিয়েল মিডিয়াত বিশেষকৈ কিছুসংখ্যক প'ৰ্টেলত এটা ফোন ৰেকৰ্ডিঙক লৈ হৈ-চৈৰ সৃষ্টি হৈছিল। সদৌ অসম ছাত্ৰ সন্থাৰ দুজন নেতাৰ কথোপথনৰ এক ৰেকৰ্ডিং। য'ত সোৱণশিৰিৰ বৃহৎ নদীবান্ধ নিৰ্মাণকাৰী সংস্থা এন এইচ পি চিৰ পৰা বৃহৎ পৰিমাণৰ ধন লোৱা বুলি অভিযোগ কৰা হৈছিল সদ্য জন্মপ্ৰাপ্ত অসম জাতীয় পৰিষদৰ সভাপতি লুৰিণজ্যোতি গগৈৰ বিৰুদ্ধে। অসম জাতীয় পৰিষদৰ সভাপতিৰ দায়িত্ব লোৱাৰ প্ৰায় আগলৈকে লুৰিণজ্যোতি গগৈয়ে সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰি আছিল। ইয়াৰ মধ্যস্থতাকাৰী হিচাপে আছিল আছুৰ কোনো নেতা। সেয়া যিয়েই নহওক, এটা ৰাজনৈতিক দলৰ বাবে চান্দা অপৰিহাৰ্য যদিও বিষয়টোৱে চৰ্চা বা প্ৰতিক্ৰিয়া সৃষ্টি কৰিছে এইবাবে যে যি নদীবান্ধৰ বিৰুদ্ধে আন্দোলন অব্যাহত ৰাখিছে আছুকে ধৰি বিভিন্ন দল- সংগঠনে, সেই সংগঠনটোৰ পৰাই চান্দা লোৱাটোক লৈয়ে হয়তো এই বিতৰ্ক। অৱশ্যে অসম জাতীয় পৰিষদৰ সভাপতি গগৈয়ে ইয়াক অস্বীকাৰ কৰিছে আৰু প্ৰমাণ দিব পাৰিলে ৰাজহুৱা জীৱন ত্যাগ কৰ্ৰি বুলি সংবাদ মেলত সৰৱ হৈছে। এই কথাও ঠিক যে এইক্ষেত্ৰত এনএইচপিচিয়ে কোনো প্ৰতিক্ৰিয়া প্ৰকাশ কৰা নাই। এই ধৰণৰ চান্দাত কোনো প্ৰমাণ কোনেও নাৰাখে বুলিও ক'ব পাৰি— দিওতা নতুবা লওতাই।

সচেতন পাঠকৰ চাগে মনত আছে ২০১০ ৰ খুব সম্ভৱ নৱেম্বৰৰ কোনোবা দিনত গুৱাহাটীৰ মাজমজিয়াৰ বিশাল মেগামাৰ্ট একাংশ ছাত্ৰ সংগঠনৰ কৰ্মীয়ে লণ্ড-ভণ্ড কৰাৰ কথা। সেই কাণ্ড সংঘটিত হৈছিল আছুৰ উপদেষ্টা সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যৰ ফোন টেপিঙক কেন্দ্ৰ কৰি। ২০১০ত উপদেষ্টা ভট্টাচাৰ্যৰ আছু নেতৃত্ব লোৱাৰ প্ৰায় একুৰি এবছৰ অতিক্ৰম কৰিছিল। অৱশ্যে ২০১০ লৈকেই নহয় সম্প্ৰতিও তেওঁ আছুৰ উপদেষ্টা পদত নিয়োজিত হৈ আছে। মানে তিনিটা দশকৰো অধিক কাল আগতেই তেওঁ সদৌ অসম ছাত্ৰ সন্থাৰ নেতৃত্ব লৈছিল। আছু মানেই যেন সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য। ছাত্ৰ সন্থাৰ পিতামহ তেওঁ। তেওঁৰ সমুখত ছাত্ৰ সন্থাৰ বিষয়-ববীয়া যেন নিষ্প্ৰভ। ছাত্ৰ সন্থাৰ বৰ্তমানৰ সভাপতি-সম্পাদক কোন একাষাৰে ক'ব নোৱাৰা অনেকে, ক'ব আছু মানে সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যক জানো।

তেনে এজন অভিজ্ঞ ছাত্ৰনেতাৰ কথাই সংঘটিত হোৱা বিশাল কাণ্ডই সৰ্বস্তৰৰ লোকক লজ্জিত কৰাই নহয়, এটা অশুভ পৰম্পৰাৰ ইংগিত বহন কৰিছে।

বিশাল মেগামাৰ্ট আৰু সমুজ্জ্বল ভট্টাচাৰ্যৰ ফোন ৰেকৰ্ডিং ফাদিল কৰিছিল এটা সংগঠনে। যিমান দূৰ জানো সেই সংগঠনটোৰ নামকৰণ কৰা হৈছিল 'গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ ছাত্ৰ সন্থাৰ প্ৰাক্তন সম্পাদকসকলৰ ফৰাম'। তেওঁলোকে সংবাদ মেল



পাতি দেখুৱালে যে ডঃ সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই বিশাল মেগামাৰ্টৰ পৰা বিচাৰিছিল ৫০ হেজাৰ টকা। বিশালে হেনো বছৰত আছুক দিব লাগে তিনি লাখ টকা। সেই সময়ত মূল কথাতো এৰি থৈ মাথো সংবাদ মাধ্যমেও এই কথাতহে গুৰুত্ব দিলে যে সংগঠনটো ভুৱা। সংগঠনটো ভুৱা হওক নহওক, তেওঁলোকে উত্থাপন কৰা অভিযোগ কিন্তু সত্য। সেয়া স্বয়ং আছু উপদেষ্টাজনে স্বীকাৰ কৰিলে। উপদেষ্টা ভট্টাচাৰ্যই সংবাদ মাধ্যমত চান্দা বিচৰাটো স্বীকাৰ কৰিও কৈছিল— 'অসমৰ বায়ু-পানী-বতাহ খাই ব্যৱসায় কৰি লাভৱান হোৱা ব্যৱসায়ীয়ে আছুক চান্দা দিবই লাগিব। তেনেক্ষেত্ৰত বিশাল মেগামাৰ্টও দায়বদ্ধ।' নিজে কিছু আক্ৰমণৰ পৰা হাত সৰাৰ বাবেই হওক বা সঁচা অৰ্থতেই হওক তেওঁ এই কথাও কৈছে যে অকল আছুকে নহয়, আনবোৰ জাতীয়তাবাদী সংগঠনকো দিব লাগিব চান্দা। ভট্টাচাৰ্যৰ বক্তব্যতে ওলাই পৰিছে যে বিশালে বছৰি চুক্তি অনুসৰি তিনি লাখকৈ টকা দিব লাগে। মানে মাহে ২৫ হেজাৰকৈ টকা। তেনে বৃহৎ, মজলীয়া বা ক্ষুদ্ৰ ব্যসায়িক প্ৰতিষ্ঠান কিমান আছে, দুৰ্নীতিগ্ৰস্ত বিষয়া-কৰ্মচাৰী কিমান আছে ভাবি চাব সচেতন সমাজে। বিশালে সেই তাহানিতে যদি মাহে ২৫ হেজাৰ টকা দিব লাগে আছুক, তেন্তে বাকীবোৰ সংগঠনক? বিশালৰ দৰে বা তেনে ধৰণৰ ব্যৱসায়ীক প্ৰতিষ্ঠানবোৰে, ফাঁচি বজাৰৰ নিত্য ব্যৱহাৰ্য সামগ্ৰীৰ ব্যৱসায়িসকলে কিমান দিব লাগে? কোন ব্যৱসায়ীৰ পৰা কিমান ধন আহে বছৰত সেই হিচাপ আছু নেতৃত্বই বা তেনে সংগঠনসমূহে কোনো কালে ৰাজহুৱা কৰা নাই। ছাগলীয়া গেটৰ পৰা গুৱাহাটী পাওতে ব্যৱসায়ীৰ সামগ্ৰীৰ দাম বৃদ্ধি পায় পুলিচ বা অন্যান্য বিভাগৰ অবৈধ ধন আদায়ৰ ফলত। তেন্তে তাত আৰু এটা বিভাগ সোমাই আছে নেকি? তেনে প্ৰশ্ন স্বাভাৱিকতে ৰাইজৰ মাজত সোমাবই। সেই ভাৱনা আঁতৰোৱাৰ দায়িত্বও কিন্তু ছাত্ৰ সন্থাৰ নেতৃত্বই ল'ব লাগিব। তেতিয়াহে সঁচা অৰ্থত এক জাতীয় সংগঠন বুলি গৌৰৱ কৰিব পাৰিব আৰু তেওঁলোকক লৈয়ো অসমৰ জনতাই গৌৰৱ কৰিব। আছুৰ বহু সদস্যই সম্প্ৰতি কৃষিকৰ্মৰে নিজকে স্বাৱলম্বী কৰাৰ চেষ্টাত নিমজ্জিত হোৱাৰ দুই- এক খবৰ প্ৰকাশ পাইছে। যিটো অতি সুখকৰ।

এই ধৰণৰ চান্দাবোৰ এতিয়াও সোমাই আছে নেকি? এতিয়াও ব্যৱসায়ীবোৰে দি আছে নেকি তথাকথিত জীয়তাবাদী সংগঠনবোৰক নিৰ্দিষ্ট পৰিমাণৰ চান্দা? সেই চান্দাবোৰ ব্যৱসায়ীৰ পৰা দিয়া হৈছে নে আমাৰ সৰ্বসাধাৰণৰ তিল তিলকৈ উপাৰ্জন কৰা ধন ব্যৱসায়ীৰ মাধ্যমেৰে লৈ যোৱা হৈছে সেয়াও বিচাৰ্য বিষয়। সেয়া যে অকল অৰাজনৈতিক সংগঠনৰ বাবেই হৈছে তেনে নহয়, ক্ষমতাত অধিষ্ঠিত ৰাজনৈতিক দল সমূহেও বৃহৎ বৃহৎ ব্যৱসায়িক গোষ্ঠীৰ পৰা নিৰ্বাচনৰ খৰছৰ নামত, ৰাজহুৱা সভা-সমিতি অনুষ্ঠিত কৰাৰ নামত চান্দা সংগ্ৰহ কৰি আছে জোৰ জুলুমকৈ হ'লেও। সেই সমূহ বন্ধ হ'ব কিদৰে? বিষয়ববীয়া বা সদস্যৰ চান্দাৰে দল এটা পৰিচালনা হ'লে এক আদৰ্শ হ'লহেঁতেন, কিন্তু সেই দৃষ্টান্ত আমাৰ ৰাজনৈতিক দলবোৰে দেখুৱাব পাৰিবনে? তেনে দৃষ্টান্ত দেখুৱাব পাৰিলে হয়তো ক্ষমতাত অহাৰ পাছত সেইসকল ব্যৱসায়ীৰ প্ৰতি দায়বদ্ধ হ'ব নালাগিলহেঁতেন আৰু জনসাধাৰণেও ইয়াৰ সুফল লাভ কৰিলেহেঁতেন।

অলপতে ছ'চিয়েল মিডিয়াত দেখা পাইছো যে চান্দা সংগ্ৰহৰ অভিযোগত কেইজনমান যুৱকক গ্ৰেপ্তাৰ কৰা হৈছে। কিছুদিন আগতে দেখিলো এজন তজবজীয়া যুৱকৰ ফটোৰ লগতে এখন এটা সংগঠনৰ নাম উল্লেখিত ধন সংগ্ৰহ কৰা বহীৰ ৰিচিপ্ট। সংগঠনৰ নামত সংগ্ৰহ কৰা হৈছে ২০ টকা। তাৰ বাবে তেওঁক আটক কৰা হৈছে। তাৰমানে চান্দাৰ নামতো বৌ-বৰালি সাৰি যোৱাৰ বিপৰীতে ৰাস্তাই ঘাটে বা সাধাৰণভাৱে ১০-২০ টকা বিচৰা সকলহে লক্ষ্য হ'ব। ৰাস্তাই ঘাটে ১০-২০ টকাকৈ ভিক্ষা খুজি বিহু পতাতকৈ নপতাই ভাল বুলি খুব বেছিকৈ লাজ পোৱা অনেকক দেখুওৱা হৈছে। বৃহৎ বিহুৰ আয়োজন বুলি ঘোচখোৰ লোকৰ পৰা, ব্যৱসায়ীৰ পৰা ডকা-হকা দি হেজাৰ হেজাৰ টকাৰ চান্দা লোৱা সকলে সঁচা অৰ্থত বিহু সংস্কৃতি ৰক্ষাৰ্থে সেইবোৰ কৰি আছেনে? চান্দাকে এই এটা চামে বছৰৰ এক উৎকৃষ্ট আয় বুলি ধৰি লোৱা বুলিও অনেকে অভিযোগ কৰে। সেইসকলৰ বিৰুদ্ধে কি ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব? আমাৰ বহু সংগঠনে বিভিন্ন ক্ষেত্ৰত উজ্বলি উঠা ব্যক্তিত্বক বঁটা বাহনেৰে সন্মানিত কৰাও দেখা গৈছে। তথাকথিত জাতীয় সংগঠনবোৰে পৰৰ পিঠাৰে বিহু পতাৰ প্ৰৱণতা ত্যাগ কৰি সদস্যসকলক স্বাৱলম্বী হোৱাৰ পাঠ দিয়ক, তেতিয়াহে সঁচা অৰ্থত এখন সুস্থ সমাজ গঢ় লৈ উঠিব। সেই দায়িত্ব অকল চৰকাৰে নহয়, স্বেচ্ছাসেৱী সংগঠনবোৰৰো আছে। পুনৰ বাৰ কওঁ ধান্দাৰ বাবে চান্দা বন্ধ হওক, হোৱাটো উচিত।

*ফোন ঃ ৬০০২০৯৭৭৬৩*

জাতীয় অভিধান-জাতীয় ইতিহাসৰ যৌথমঞ্চ

# 'জলপদুমৰ পানচৈ'ৰ পাতত উচ্ছেদ-বিৰোধী কৃষক বিদ্ৰোহৰ আখৰা!

## উপন্যাসৰ পৰা ইতিহাসলৈ বেছি নহয় দূৰত্ব

## আদিবাসী-অসমীয়া-নেপালী-জনজাতি কৃষকৰ কুৰুৱা আৰাও কুৰুৱাবাহীত

## দ° দেৱব্ৰত শৰ্মা

**আমি** এই শিতানত উপন্যাস বা সৃষ্টিশীল সাহিত্যৰ আলোচনা কৰিম বুলি ভবা নাছিলোঁ। কিন্তু ইতিহাস যেনেকৈ সততে সৃষ্টিশীল সাহিত্যৰ সমল হৈ পৰে, সৃষ্টিশীল সাহিত্যও তেনেকৈ ইতিহাসৰ আওঁতালৈ আহি পৰিব পাৰে। দুয়োটাৰে মাজত কোনো অলংঘনীয় লক্ষ্মণৰেখা নাই!

আমি হাতত তুলি লৈছোঁ যশস্বী লেখক দিলীপ ফুকনৰ **'জলপদুমৰ পানচৈ'**। উপন্যাসখনৰ বিষয়ে দ° হীৰেন গোহাঁয়ে এনেকৈ লিখিছে ঃ

"...উপন্যাসখন দুঃসহ নিষ্পেষণ আৰু অন্যায়ৰ বিৰুদ্ধে কৃষক সংগ্ৰামৰ এক মৰ্মস্পৰ্শী ৰূপায়ণ আৰু অসমীয়া উপন্যাস সাহিত্যলৈ এক স্মৰণীয় অৱদান।...কেৱল কঠোৰ জীৱন সংগ্ৰামৰ বিশ্বস্ত ৰূপেই নহয়, জনগণৰ মাজত জীৱন্ত আৰু ব্যঞ্জনাময় হৈ বিৰাজ কৰা জনশ্ৰুতি, লোককথা আৰু লোককৃষ্টিৰ আন্তঃদৃষ্টিসম্পন্ন অৱলোকনে কৃষিজীৱী জনগণৰ দৈহিক আৰু আত্মিক পৰিচয় অসাধাৰণ গাঢ়তাৰে ফুটাই তুলিছে লেখকে।... চৰিত্ৰবোৰৰ ব্যক্তিগত বৈচিত্ৰ্যৰ উপৰি অত্যন্ত সহজ-সাৱলীল ভাৱে দাঙি ধৰিছে জনগণৰ স্বাভাৱিক জনগোষ্ঠীগত বিভিন্নতা আৰু সংগ্ৰামী ঐক্য। ...অসমৰ বিপ্লৱী সাহিত্যৰ ধাৰাত ই এক আপোচহীন, সাৰ্থক সংযোজন।..."

গোলাঘাট জিলাৰ বোকাখাত কুৰুৱাবাহী এলেকাৰ কৃষকৰ জীৱন আৰু এহাতে সত্ৰীয়া ব্ৰাহ্মণ্যবাদ আৰু আনহাতে ৰাষ্ট্ৰৰ উচ্ছেদ-নিপীড়ণৰ বিৰুদ্ধে তেওঁলোকৰ সংগ্ৰাম; সেই সংগ্ৰামত আদিবাসী-অসমীয়া-গোৰ্খা নেপালী-জনজাতি কৃষকৰ যোগদান, এইবিলাকেই উপন্যাসখনৰ উপজীব্য। তাকেই যেনিবা পৈণত শৈলীৰে, মহাজীৱনৰ ৰজনজননিৰে!

মিচিং যুৱতী য়াকা মিৰেমক মান সেনাই অপহৰণ কৰাৰ দৰেই (সেই বিষয়ে আমি আগতে এই শিতানতে লিখিছোঁ) ঐতিহাসিক প্ৰসংগ এটা ইয়াত পাওঁ ঃ

"...হেৰি নহয় অ' সোণমইনা- তহঁতৰ মোমায়েৰৰ বংশৰো কোনোবা এজনী জীয়ৰী ছোৱালীক মান সেনাপতি এটাই গৰুমৰা চাপৰিৰ পৰা ধৰি নিছিল নহয়। আই ঔ কমনো কান্দিছিলনে চাগে' তাই হিয়ালি-জিয়ালিকৈ। বোলে-
কৈত' কোন আছা মোক ৰইখা কৰা আহি
দুষ্ট দৈত্যই ধৰি নিলে উদ্যানতে পাই...
নাই কোনো নগ'ল তাইক উদ্ধাৰ কৰিবলৈ। একেবাৰে শুকুলা ঘোঁৰাত তুলি মানদেশ পোৱালেগৈ। যাওঁতে বাটত তাইৰ বুকুত শোকটোৱে খুন্দা মাৰি ধৰিছিল, বুকু ধান বনাদি বানিছিল। যিমানে মানদেশৰ ফালে আগুৱাই গৈ আছে সিমানে নৈৰ চেঙেলীয়া সোঁতে গৰাত খুন্দা মৰাৰ দৰে তাইৰ বুকুত শোকে খুন্দা মাৰে। চকুৰ পানী আঁচলেৰে মচি মাজে মাজে তাই দূৰ-দূৰণিলৈ চাই পঠিয়ায়। মাজে মাজে বুকু খামি ডাঠ কৰি সাৰি অহাৰ বুধি পাঙে। এনেকৈয়ে এদিন যেতিয়া তাই মানদেশ সোমালগৈ লাহে লাহে সেই ঠাইৰ পথাৰ সমাৰ ঘৰ-দুৱাৰ দেখি মনটো যেনিবা অকমান কুমলিল। একেই খেতিপথাৰ, মাজে মাজে চাংঘৰ, গছ-গছনি, চৰাই-চিৰিকতি সকলোবোৰ আমাৰ নিচিনাই লাগিল। তাতে মানেও হুটা মাত এৰি চেনেহৰ মাতেৰে তাইৰ মন ভুলাবলৈ লাগিল। জীয়ৰী ছোৱালী মন কুমলিল। তাতে তায়ো ভাবিবলৈ ধৰিলে বোলে এটাই আনিলেই যেতিয়া ঘূৰি যামনো ক'লৈ? সহি-সামৰি এইখন দেশতে ঘৰ পতাই ভাল। তাৰ পাছত মানহঁত নিজ দেশলৈ উভতি যোৱাৰ ভালেদিন পাছত তাইৰ ভায়েক নে ককায়েক এহালে ছোৱালীজনী বিচাৰি মানদেশ সোমালগৈ। সেইখন দেশ পায়েই বাটতে যেনিবা কোনোবা এজনী তিৰোতা মানুহ লগ পাই সুধিলে বোলে-
কেনে ধৰা বেশ
এইখন আইদেউ কাৰ নো দেশ?
তিৰোতাজনীয়েও সিহঁতহাল নতুন মানুহ বুলি জানিব পাৰি উত্তৰ দিলে, বোলে-
আহিছা নদীৰ কূলেԲএইখন
বোপাইদেউ মানদেশ বোলে।
পদ্য আৰু গদ্যক একাকাৰ কৰা এটা অধ্যায় আৰম্ভ হৈছে এনেকৈ ঃ
"...আজি কি বাৰ?Բ ৰুৰুৱাই জ্বলিছে
আকাশ Բৰুৰুৱাই জ্বলিছে পলাশ Բৰঙা ফুলৰ
ৰূপাগ্নিৰ বন্দনাত ব্যস্ত সকলো বিহংগԲ শিমলু,
মদাৰԲ আজি কি উছৱৰ দিন?Բপলাশৰ
পিয়লাত বেলিয়ে বাকি দিছে ৰ'দালি আপংԲ
আজি যে সকলো মাতাল।..."

ৰঘু শবৰ নামৰ ৰহস্যময় কিন্তু প্ৰৱল চৰিত্ৰ এটা এনেকৈ ওলাই আহিছে আগলৈ ঃ

"...ঘৰবোৰৰ বেৰ খাগৰিৰ, বেৰবোৰ বগা পলসুৱা মাটিৰে লেপা। চালবোৰ কহুৱা বনেৰে চোওৱা। ঘৰবোৰত খিৰিকি নাই, দুৱাৰ এখনেই। বেৰবোৰত জ্যামিতিক নক্সাৰে আঁকা কিবা জন্তু আৰু ফুলৰ ছবি। এনেকুৱা প্ৰথমটো ঘৰ পাওঁতেই ঘৰটোৰ ভিতৰৰ পৰা ভাহি অহা এটা গানৰ সুৰ তাৰ কাণত পৰিল। কঁপি কঁপি ভাহি অহা এই গান নিশ্চয় কোনোবা বৃদ্ধ পুৰুষৰ কণ্ঠৰ পৰা নিগৰা। সুৰত সুৰ মিলাইছে নিচেই সৰু এটি শিশুৱে। চিনি পালে সি সেই বৃদ্ধৰ কণ্ঠস্বৰ। বৃদ্ধই সম্ভৱ নাতিয়েকক শিকাইছে তেওঁৰ প্ৰিয়তম সেই গীত ঃ
নানা মৰলেক নদীৰ মাঝেԲ নানী মৰলেক
ঘাটেԲ বাপকে দিল পুলিশ থানায়Բ ভাগায়
যাবাৰ দযে...।
এই লোকগাথাত লুকাই আছে পূৰ্বপুৰুষৰ জীৱন পৰিক্ৰমাৰ স্মৃতিছাঁয়া। দৰিদ্ৰ জীৱনৰ স্মৃতিপুৰাণ এনেকৈয়ে হয়তো পঠিত হৈ আহিছে এক পুৰুষৰ পৰা অন্য এক পুৰুষলৈ। এই স্মৃতিধাৰা বোৱাই নিয়া হৈছে জন্মৰ পৰা জন্মান্তৰলৈ, একেই চাল একেই মান, একেই লয়েৰে। সি চিনি পালে এই ৰাগ, এই কণ্ঠস্বৰ। এই কণ্ঠস্বৰ বৃদ্ধ ৰঘু শবৰৰ। ৰঘু শবৰ। এসময়ত এখনৰ পাছত এখন গাঁৱত জনাজাত হৈ পৰা ৰঘু চোৰ। কৰম পূজাৰ ৰঘু গাইন। সুললিত কণ্ঠৰ কল কল নিজৰা বোৱাই সকলোৰে শ্ৰদ্ধাভাজন হোৱা ৰঘু গাইন। ফাকুৱা উৎসৱত দুহাতে দুডাল সৰু সৰু লাঠি লৈ যেতিয়া বৃত্তাকাৰে ঘূৰি ঘূৰি মাদলৰ ছেৱে ছেৱে গাঁৱৰ ডেকা-বুঢ়াই টং টং শব্দ কৰি পিজৰিয়া মাননদৰ', ঝখি বা তিন লাঠিয়া নৃত্য কৰে তেতিয়া শবৰ গাইনৰ গম্ভীৰ স্বৰত গোৱা গানৰ মূৰ্চ্ছনাত সকলো উল্লাসিত হৈ পৰে। প্ৰাণ ঢালি গোৱা ৰঘু গাইন তেতিয়া ৰঘু শবৰ হৈ নাথাকে, হৈ পৰে দেৱতা। ৰঘু গাইন, ৰঘু শবৰৰ আন এক পৰিচয় হ'ল ৰঘু চোৰ। এই ৰঘু চোৰেই এটাৰ পাছত এটাকৈ কেইবাটাও চোৰ নিজ হাতে গঢ় দি নিজৰ সংগী কৰি লৈছিল।..."

আদিবাসীসকলৰ চাদ্ৰি, গোৰ্খাসকলৰ নেপালী ভাষাৰো সফল প্ৰয়োগ কৰিছে লেখকে ঃ

"...সুশীলাহঁতৰ ঘৰৰ বাৰান্দাত হাৰিকেন লেম্প এটা জ্বলাই থোৱা আছে। তাইক আগতে সি লগ পোৱা নাই। সম্ভৱতঃ তাই সৰু হৈ থাকোঁতেই সি গাঁও এৰিছিল। মাকক চিনি পায়।
-হামিহৰু আয় পুগিঅ' ঔ ভাউজু।
অকচুৰে সিহঁত আহি পোৱাৰ সংবাদ প্ৰেৰণ কৰিলে গৃহস্থক। লগে লগে ঘৰৰ ভিতৰৰ পৰা কেইজনমান মতা মানুহ আৰু কেইজনীমান ছোৱালী ওলাই আহিল। যেন এজন অতি সম্ভ্ৰান্ত মানুহকহে আদৰিবলৈ সকলো ৰৈ আছিল।
-নমস্তে কাকা, মই সুশীলা, সুশীলা চুৰ্বা।
ছোৱালীজনীয়ে হাত যোৰ কৰি সোণমইনাক সম্ভাষণ জনালে। মাক ওলাই আহি তাৰ ওচৰত ৰৈ ক'লে- 'এ সোণমইনা হৈন' তিমি? থুলই ভই চঁকিয়, থুল মান্‌সে'- কথা শেষ কৰাৰ আগতেই প্ৰায় সকলোৱে তাক হেঁচা মাৰিয়েই ধৰিলে। শংকৰ ঘাটোৱাৰ, পুৰণ ঘাটোৱাৰ, কেশৰ চাচা, বীৰে, লক্ষ্য দলে, কাউৰা কামান আৰু কেইটামান ডেকা ল'ৰাক সি চিনি পালে।..."

এনেতে আদিবাসীৰ অপমানৰ বিৰুদ্ধে মাতিছে মিচিং ডেকাই ঃ

"... লক্ষ্য দলেই হুলস্থুল লগাই দিলে।
-নাই, নাই ঝুমুৰ-তুমুৰ নচলিব। কিহৰ ঝুমুৰ? কুলী বঙালীৰ গান নচলিব দাদা কৈ দিলো। কাবান এটা লগাই দে। ঐনিতম গা, আমি আছোঁ।
-ঐ কুলী বুলি নক'বি, কুলী বঙালী বুলি নক'বি কৈ দিছোঁ। আমি কি বঙালী নেকি? ঐ পুৰণ, ঐ কেশৰ- কলেজীয়া ল'ৰাকেইটাই আমাৰ জাতিৰ নাম কি বুলি কৈছিলে?
-ৰহ, ৰহ, ইহা...। ধেৎ চালা বঙালীৰ মাথা মনতেই নপৰে। ৰহ, হেৰি, ইহা কি আছিল- আদিম মানুহ নেকি এনেকুৱাই...।
লক্ষ্য দলেই সোঁৱৰাই দিলে- 'হেৰি নেকি, প্ৰাক্তন চাহ বনুৱা'।
-নহয় ৰহ, ভাল নাম, ধেৎ চালা মনতেই নপৰে।
-কি?
-জানো কি?
-নাজান যদি আগৰটোকে থক।
ঐ মিৰি, মনে মনে থাক, মনত পেলাবলৈ' দে।
-ঐ আমাক মিৰি বুলি নক'বি। উই আৰ মিছিং।
নিজৰ কথাত নিজেই ৰস পাই লক্ষ্য দলেই হাঁহিবলৈ ধৰিলে। সি আকৌ স্বগতোক্তি কৰিলে- উই আৰ মিছিং, উই আৰ মিছিং, আমি সকলো হেৰাই গৈছোঁ।
লেম্পটোত বটলৰ পৰা তেল অকণমান ঢালি সুশীলাই কাৰো ফালে নোচোৱাকৈয়ে কৈ গ'ল-
-তোমালোকে কি জাত-পাত লৈ কাজিয়া কৰি আছা? সেই ল'ৰাকেইটাই শংকৰ দাইহঁতক আহি কৈ গ'ল 'আদিবাসী' বুলি পৰিচয় দিবলৈ, কথা সিমানেই।..."

সত্ৰাধিকাৰক তীব্ৰ ব্যংগ কৰি ইনজিন মিচিঙে কৈছে ঃ

"... গোসাঁই প্ৰভু, আপোনাৰ পেটত ভোক। ভোকত থকা মানুহক খোৱাৰ কথা ক'লেই পেটৰ মঃৰামত জ্বলি থকা জুইকুৰা বেছিকৈ জ্বলে। কালি মোৰ ঘৈণী দুজনী এইফালে আহি গম পাই গ'ল তোৰ খাবলৈ নাই। ইস কি দিন আছিল তোৰ মাজ দলপাৰ ডাঙৰ চিতল মাছজনী কান্ধৰ কাণমাৰিত উঠি ফিছা কঁপাই তোৰ ঘৰ সোমাইছিলহি, বোলে গোসাঁইক সেৱা কৰি যাওঁ। চ-গুৰি চাপৰিৰ দৈ গাখীৰৰ কলহ দুটাক ক'লৈ যোৱা বুলি সুধিলে মুখবন্ধা কলপাতৰ তলৰ পৰা দৈ দুজনীয়ে টপৰাই মাত দিছিল বোলে- মাধ গোসাঁইৰ মুখত চুমা খাই আহোঁগৈ। পুৰা-গধূলি তোৰ ঘৰৰ ধূপ-ধুনাৰ গোন্ধ পালেই মোৰ বমি হ'ব খুজিছিল, মনে মনে জেপত সুমুৱাই অনা শুকান মাছটো ভাঙি নাকত লগাইহে তৎ পাইছিলো। এতিয়া আই গোসাঁনীয়েও বোলে খাব নোৱৰা বেমাৰত পৰিল। মোৰ ম'হৰ খুঁটিটো বানপানী অহাৰ আগেয়ে নি মালাচী পাহাৰত ৰাখিছোঁগৈ। পৰহিলে' ম'হৰ গাখীৰ লৈ আহিম। আইক খুৱাবি। চাবি গোসাঁনী ফিটিং হৈ যাব। চৎকৰে চাঙৰ পৰা উঠিয়েই ইনজিনক বিচাৰিব। এতিয়া আন, ডাঙৰ পাচি এটা আন। আধা বস্তা চাউল আনিছোঁ।...
... গোসাঁই ঐ, চাউলত গোবৰ পানী অকণমান চতিয়াই ল'বি। চুৰা লগা চাউল।..."

সেয়া দহহেজাৰ বিঘা নিষ্পিখেৰাজ মাটিৰ অধিকাৰ, সত্ৰাধিকাৰৰ পৰিণতি! কৃষক আন্দোলনৰ নেতা বগাই বিদ্ৰোহী পুলিচৰ গুলিত চহিদ হ'ল। তাৰ পাচত কি হ'ল চাওক ঃ

"...নিমিষতে ৰঙা-ৰাঙলী হৈ পৰিল বিলৰ পানী। অস্ত্ৰধাৰী পুলিচে পানীলৈও গুলী মাৰিছে। এক হুলস্থুলীয়া পৰিৱেশ। উপায়ন্তৰ সকলো যেন দুৰ্ভেদ্য বেহুৰ ভিতৰত সোমায় পৰা অসহায় হৰিণ। ঠিকাদাৰহঁতক আৰু উৎফুল্লিত দেখা গ'ল যেতিয়া গাঁৱৰ মানুহবোৰে প্ৰতিবাদতকৈ প্ৰতিৰক্ষা প্ৰধান কৰ্তব্য বুলি বিলৰ পানীলৈ নামি যোৱা দেখিলে। গুলীবিদ্ধ সকলৰ আৰ্তস্বৰ আৰু পানীত পৰি ককবকাই থকা দৃশ্যই সকলোকে প্ৰাণৰ মমতা পাহৰাই পেলালে। গাঁৱৰ চৌদিশৰ পৰা সকলো ওলাই আহি সতীৰ্থ সকলক উদ্ধাৰৰ বাবে বিলৰ পানীলৈ নামি গ'ল। দূৰৰ পৰা তেওঁলোকক এখন দীঘল নাৱৰ দৰে দেখা গৈছিল। ধৰাধৰিকৈ সকলোৱে আহত সকলক তুলি অনাত ব্যস্ত হৈ পৰিল। এনে অন্যায়, অত্যাচাৰৰ প্ৰতি ঘৃণাত সকলোৰে মন ভৰি পৰিল।

প্ৰতিশোধ আৰু প্ৰতিবাদৰ ভাৱনাত তেওঁলোকৰ হাতবোৰ মুষ্টিবদ্ধ হ'ল। বিলৰ তেজলগা পানীত ৰাঙলী হোৱা হাতবোৰ, সমবেত জনতাৰ হাতবোৰ পুৱাৰ ৰ'দ পৰি এপাহ এপাহকৈ পদুমৰ দৰে লাহে লাহে ফুলি উঠিল। পাৰলৈ বগাই উঠি অহা সমবেত মানুহৰ ভয়ংকৰ ৰূপ দেখি ঠিকাদাৰহঁতে পলাই পত্ৰং দিলে। অৰ্দ্ধ সামৰিক বাহিনীৰ জোৱানহঁত পুনৰ পজিশ্যন লৈ ৰৈ গ'ল। নিৰ্ভীক, নিৰস্ত্ৰ মানুহবোৰৰ সমদল যিমানে আগুৱাই গ'ল পুলিচ বাহিনী সিমানে পিছুৱাই যাবলৈ ধৰিলে। সমদলটো এখন দীঘল পানচৈৰ দৰে বামেৰে উজাবলৈ ধৰিলে। এই পানচৈ জলপদুমৰ পানচৈ।"

জলপদুমৰ পানচৈখন বামেৰে উজাই আহি আছে। ৰাইজৰ নাও বামেৰেও উজায়! তাতে ৰঙাপদুমৰ পানচৈ।

*লেখক অসমীয়া জাতীয় অভিধান তথা জাতীয় ইতিহাসৰ মুখ্য সম্পাদক;*
*ফোন ঃ ৯৪৩৫৩৫১২৫৫*



# ২০২২ত অ'মিক্ৰনে আনিব নেকি মহামাৰীৰ তৃতীয় ঢৌ?

## ব্যয়বহুল ক'ভিড চিকিৎসাৰ বাবে নগদ আহিব ক'ৰ পৰা?

**ক'ৰনাৰ** নতুন ভেৰিয়েন্ট অ'মিক্ৰনৰ প্ৰভাৱত ক্ৰমাৎ বিশ্বব্যাপী অধিক ভয়াৱহ হ'বলৈ ধৰিছে ক'ভিড পৰিস্থিতি। অ'মিক্ৰনৰ দ্ৰুত সংক্ৰমণ নিয়ন্ত্ৰণত ব্যৰ্থ হৈছে বহুকেইখন ধনী ৰাষ্ট্ৰ। ভাৰততো বিভিন্ন ৰাজ্যলৈ শিপাইছে এই নতুন ভেৰিয়েন্টৰ ভয় আৰু সংক্ৰমণে। পূৰ্বৰ দুটা ঢৌৰ পৰা লাভ কৰা অভিজ্ঞতাৰে পৰিস্থিতি অধিক বেয়ালৈ যোৱাৰ আগতেই ক'ভিডৰ বিৰুদ্ধে যুঁজ আৰম্ভ কৰিছে দেশৰ বহুকেইখন ৰাজ্যৰ চৰকাৰ-প্ৰশাসনে।

ইতিমধ্যে পূৰ্বানুমান কৰা হৈছে, নতুন বছৰৰ আৰম্ভণিতে কৰ'নাৰ তৃতীয় ঢৌৱে খুন্দা মাৰিব ভাৰতত। মহামাৰীৰ লগত জীৱন মৰণৰ যুঁজ দি থকা জনসাধাৰণৰ মাজত সম্প্ৰতি পুনৰ আসন্ন তলাবন্ধৰ ফলত আৰ্থিক অৱস্থা শোচনীয় হ'ব বুলি শংকাই বাহ লৈছে। পূৰ্বৰ দুবাৰত দেখা গৈছে, কৰ'নাই ইয়াৰ দ্বাৰা আক্ৰান্তৰ অৱস্থা যিদৰে শোচনীয় কৰিছে, ভাইৰাছটোৰ দ্বাৰা সংক্ৰমিত নোহোৱা সকলৰো বিলৈ বিপত্তি কম কৰা নাই। এফালে যদি সংক্ৰমণৰ ভয়ত ঘৰত সোমাই থকাৰ মন, আনফালে জীৱিকাৰ তাড়নাত ওলাই যাবলৈ বাধ্য। মূল্যবৃদ্ধিৰো কোব পৰিছে তাৰ মাজতে। অ'মিক্ৰনৰ দ্ৰুত সংক্ৰমণৰ ফলত যদি আত্মীয় বা আপোনজনৰ কৰ'না চিকিৎসাৰ অংশ হিচাপে ভেন্টিলেটৰৰ প্ৰয়োজন হয় তেন্তে চিকিৎসালয়ৰ মোটা অংকৰ বিলখন পৰিশোধ কেনেকৈ কৰিব সেয়া সম্প্ৰতি প্ৰধান দুশ্চিন্তাৰ কাৰণ হৈ পৰিছে কোনোমতে অতিমাৰীৰ দুটাকৈ ঢৌ পাৰ কৰি অহা বহু মধ্যবিত্তৰ বাবে। যাৰ বীমা কৰোৱা আছে তেওঁলোকে এইক্ষেত্ৰত অলপ সকাহ পাব পাৰে যদিও এই মুহূৰ্তত যাৰ হাতত নগদ ধন নাই অথবা বীমাৰ কোনো সুবিধা নাই তেওঁলোক গম্ভীৰ সমস্যাৰ সন্মুখীন হোৱাৰ আশংকা আছে। আনহাতে, যদি কোনো স্বাস্থ্য বীমা কৰা থাকেও তাৰ পাছতো ক'ভিড চিকিৎসাৰ বাবে নগদ টকা হাতত ৰখা প্ৰত্যেকৰে বাবে জৰুৰী। কিয়নো বেছিভাগ সময়তে দেখা যায় যে বীমাৰ ধন অনুমোদনত কিছু সময় লাগে। এই সময়ত চিকিৎসালয়ৰ তৰফৰ পৰা চিকিৎসা আৰম্ভ কৰাৰ পূৰ্বেই নিজৰ ফালৰ পৰা কিছু পৰিমাণৰ নগদ ধন বিচাৰিলে তাৎক্ষণিকভাৱে দিব পৰাকৈ সাজু হৈ থকা উচিত প্ৰত্যেকে। যদি জৰুৰীকালীনভাৱে আপোনাকো নগদ ধনৰ প্ৰয়োজন হয় তেন্তে কম সময়ৰ ভিতৰতে ধনৰ যোগাৰ কৰাৰ কেইটামান উপায় তলত দিয়া হ'ল—

১। **ক্ৰেডিট কাৰ্ড ঋণ ঃ** আপোনাৰ যদি ক্ৰেডিট কাৰ্ড আছে তেন্তে আপুনি ইয়াৰ বাবদ প্ৰয়োজনবশতঃ ঋণ ল'ব পাৰে। সাধাৰণতে ক্ৰেডিট কাৰ্ড কোম্পানীসমূহে উপভোক্তাৰ পূৰ্বৰ টকা পৰিশোধৰ ইতিহাস বিচাৰ কৰিহে ঋণ আগবঢ়ায় আৰু ঋণৰ অংক নিৰ্ধাৰণ কৰে। যোগ্য বিবেচিত হ'লে কোনো ধৰণৰ অতিৰিক্ত তথ্যপাতি জমা নিদিয়াকৈ মাত্ৰ কেইটামান ঘণ্টাৰ ভিতৰতে এনে ঋণ লাভ কৰিব পাৰি। সেয়েহে কঠিন পৰিস্থিতিৰ স'তে মোকাবিলা কৰাত আৰ্থিকভাৱে সহায় কৰা অন্যতম উপায় হিচাপে জনপ্ৰিয় হৈ উঠিছে আজিকালি এই ক্ৰেডিট কাৰ্ড ঋণ। অৱশ্যে এই ধৰণৰ ঋণত সুতৰ হাৰ বহুত বেছি হয়। এই হাৰ ৩৪-৪২ শতাংশ পৰ্যন্ত হ'ব পাৰে।

২। **ব্যক্তিগত ঋণ ঃ** প্ৰাক অনুমোদিত সীমাৰ ভিতৰত কোনো বেংকৰ বিদ্যমান গ্ৰাহকে তাৎক্ষণিকভাৱে এই ধৰণৰ ব্যক্তিগত ঋণ ল'ব পাৰে। আনহাতে, নতুন গ্ৰাহকসকলৰ ক্ষেত্ৰত যিসকলৰ কেৱাইচি ডিজিটেলযোগে সম্পন্ন হৈছে তেওঁলোকে একেদিনাই ঋণৰ অনুমোদন পাব পাৰে বেংকৰ পৰা। অৱশ্যে, যদি বেংকলৈ গৈ স্বাক্ষৰ দিয়াৰ প্ৰয়োজন হয় তেন্তে ঋণ পাবলৈ অলপ সময়ৰ প্ৰয়োজন হয়। সচৰাচৰ ন ৰ পৰা ২৬ শতাংশ হাৰৰ সুতৰ বিনিময়ত গ্ৰাহকক এই ধৰণৰ ব্যক্তিগত ঋণ প্ৰদান কৰে বেংকসমূহে।

৩। **স্বৰ্ণ ঋণ ঃ** খুব কম সময়ৰ ভিতৰতে নগদ ধনৰ যোগাৰ কৰিবলৈ হ'লে সবাতোকৈ সহজ আৰু কাৰ্যকৰী উপায়টো হ'ল স্বৰ্ণ ঋণ বা গ'ল্ড লোন। সাধাৰণতে দুবছৰৰ বাবে এই ঋণ দিয়াৰ ব্যৱস্থা আছে দেশৰ বিভিন্ন চৰকাৰী তথা বেচৰকাৰী বেংকসমূহত। অৱশ্যে, প্ৰয়োজন অনুপাতে এই সময়সীমা বৃদ্ধি কৰিব পাৰে আপুনি। এই ধৰণৰ ঋণ পাবলৈ হ'লে আপুনি আপোনাৰ সাঁচতীয়া সোণৰ গহনা কেইপদ বেংকৰ হাতত জমা দিব লাগিব আৰু বেংকে তাৰ বিনিময়ত গহনাৰ মূল্যৰ ৯০ শতাংশ ঋণ হিচাপে আপোনাৰ হাতত তুলি দিব। মন কৰিবলগীয়া যে স্বৰ্ণ ঋণৰ সুতৰ হাৰ ব্যক্তিগত ঋণৰ তুলনাত বহুখিনি কম। মাত্ৰ সাতৰ পৰা ১২ শতাংশ সুতৰ হাৰতে এই ঋণ পাব আপুনি।



১। **পি এফ ঋণ ঃ** বেতনভোগী কৰ্মচাৰীসকলে কৰ'না চিকিৎসাৰ খৰচৰ বাবে নিজৰ পিএফ একাউন্টত জমা থকা সমস্ত ধনৰাশি আগতীয়াকৈ উলিয়াব বা তাৰ পৰা প্ৰয়োজন অনুপাতে ঋণ ল'ব পাৰে। ইপিএফঅ'ৰ দ্বাৰা নিৰ্ধাৰিত নিয়ম অনুযায়ী, কৰ'না চিকিৎসাৰ বাবে যিয়ে এনেদৰে ধন উলিয়াব বিচাৰে তেওঁলোকে ইয়াৰ বাবে মেডিকেল ইমাৰ্জেন্সিৰ কাৰণ দৰ্শাই আবেদন জনাব লাগিব। উপভোক্তাৰ লগতে স্ত্ৰী-স্বামী, পিতৃ-মাতৃ অথবা সন্তানৰ কোনো যদি ক'ভিডত অসুস্থ হৈ পৰে তেনে পৰিস্থিতিতো এই সুবিধা পাব পাৰে। কৰ'না চিকিৎসাৰ বাবে কোনো এজন কৰ্মচাৰীয়ে নিজৰ মাহিলি বেতনৰ সৰ্বাধিক ছয় গুণ পৰ্যন্ত টকা উলিয়াব পাৰে। নতুবা পিএফ একাউন্টটোত থকা কৰ্মচাৰীজনৰ নিজা শ্বেয়াৰ আৰু তাৰ লগতে ন্যূনতম পৰিমাণৰ সুতৰ অংশটো আগতীয়াকৈ উলিয়াব পাৰে। আটাইতকৈ ডাঙৰ সুবিধাটো হ'ল, এই ধৰণে ইপিএফ একাউন্টৰ পৰা অগ্ৰিম টকা উলিওৱাৰ ক্ষেত্ৰত কোনো লক-ইন পিৰিয়ড বা ন্যূনতম ছাৰ্ভিচ পিৰিয়ডৰ যোগ্যতা থকাৰো প্ৰয়োজন নাই।

উল্লেখ্য যে এইবোৰৰ বাদেও বীমা পলিচী, মিউচুৱেল ফাণ্ড, ডিমেট শ্বেয়াৰ, ফিক্সড্ ডিপ'জিট আদি দেখুৱায়ো আজিকালি ঋণ ল'ব পৰাৰ ব্যৱস্থা আছে। অনলাইনযোগে মিউচুৱেল ফাণ্ডত বিনিয়োগৰ প্ৰতিশ্ৰুতি দি একাউন্টত এক নিৰ্দিষ্ট অভাৰড্ৰাফ্টৰ সীমা নিৰ্ধাৰণ কৰিও তাৎক্ষণিক ঋণ লাভৰ সুবিধা পাব পৰা যায়। বৰ্তমান বিভিন্ন সংস্থাত চলি থকা নিয়ম অনুসৰি জৰুৰীকালীনভাৱে বীমা পলিচীৰ মূল্যৰ ৬০ ৰ পৰা ৯০ শতাংশ, ফিক্সড্ ডিপ'জিটৰ মূল্যৰ ৮০ ৰ পৰা ৯৫ শতাংশ আৰু মিউচুৱেল ফাণ্ডৰ মূল্যৰ ৫০ ৰ পৰা ৭০ শতাংশ পৰ্যন্ত ঋণ হিচাপে ল'ব পাৰে গ্ৰাহকে।



## উপভোক্তা ইলেক্ট্ৰনিক্স, গাড়ী-ইস্পাতৰ মূল্যবৃদ্ধি হ'ব, এফএমচিজি আৰু লজিষ্টিকো হ'ব ব্যয়বহুল

# মুদ্ৰাস্ফীতিৰ পৰা পৰিত্ৰাণ নাই ২০২২তো



**এইবাৰৰ** নতুন বছৰৰ আৰম্ভণিটো মুদ্ৰাস্ফীতিয়ে এক অন্য ধৰণে চিহ্নিত কৰিবলৈ সাজু হৈছে। বজাৰৰ পূৰ্বানুমান মতে, বছৰৰ প্ৰথমাৰ্ধতে মূল্যবৃদ্ধিয়ে চৰম ৰূপ ল'ব। উপভোক্তা ইলেক্ট্ৰনিকছৰ পৰা গাড়ীলৈকে সকলো ধৰণৰ সামগ্ৰীৰ মূল্যবৃদ্ধি পাব। বাঢ়িব ইস্পাতৰ মূল্যও। একে সময়তে, সাধাৰণ উপভোক্তাই সামগ্ৰী (এফএমচিজি) আৰু লজিষ্টিকৰ বাবেও অধিক পৰিশোধ কৰিবলৈ সাজু হ'ব লাগিব।

### উপভোক্তা খণ্ডত মূল্যবৃদ্ধিৰ ৰামটাঙোন পৰিব

উপভোক্তা ইলেক্ট্ৰনিকছ খণ্ডত এইবেলি প্ৰচুৰ মূল্যবৃদ্ধিৰ আশংকা কৰিছে বজাৰ বিশ্লেষকসকলে। এই খণ্ডটোৰ কোম্পানীবোৰে ২০২১ত বিভিন্ন সামগ্ৰীৰ মূল্য ৩ ৰ পৰা ৫ শতাংশ বৃদ্ধি কৰিছিল। কিন্তু, নতুন বছৰৰ আৰম্ভণিৰে পৰা এই মূল্য ৬-১০ শতাংশ পৰ্যন্ত বৃদ্ধি হ'ব। একেদৰে এফএমচিজি সামগ্ৰীৰো দাম বাঢ়িব পৰৱৰ্তী তিনি মাহত। জানুৱাৰী-মাৰ্চত এই খণ্ডৰ কোম্পানীবোৰে সামগ্ৰীৰ মূল্য ৪ৰ পৰা ১০ শতাংশলৈ বৃদ্ধি কৰাৰ পৰিকল্পনা কৰিছে। যোৱা ছমাহত হিন্দুস্তান ইউনিলিভাৰ (এইছইউএল), ডাবৰ, ব্ৰিটেনিয়া আৰু মাৰিকোৰ লগতে অন্যান্য কোম্পানীবোৰে বিভিন্ন উপভোক্তা পণ্যৰ মূল্য পাঁচৰ পৰা ১২ শতাংশ পৰ্যন্ত বৃদ্ধি কৰিছে। জানুৱাৰীৰ পৰা উক্ত কোম্পানীসমূহৰ পণ্যৰ দাম আৰু বেছি হোৱাৰ সম্ভাৱনা আছে। ইফালে, জানুৱাৰীৰ পৰা মাৰ্চৰ ভিতৰত বিস্কুট, ৰেফাৰ আদিৰ দাম বঢ়োৱাৰ সংকেত দিছে পাৰ্লে কোম্পানীয়েও। কোম্পানীটোৱে পৰৱৰ্তী তিনিমাহত সামগ্ৰীৰ মূল্য চাৰিৰ পৰা পাঁচ শতাংশলৈ বৃদ্ধি কৰিব বুলি ইতিমধ্যে ঘোষণা কৰি থৈছে।

### ক্ৰমাগত মূল্যবৃদ্ধি গাড়ীৰ বজাৰতো

দেশৰ গাড়ী নিৰ্মাণ খণ্ডটোৱে পহিলা জানুৱাৰীৰে পৰা বেছিভাগ সামগ্ৰীৰ মূল্যবৃদ্ধি কৰিছে। মাৰুতি, হুণ্ডাই, টাটা মটৰ্ছ, মহিন্দ্ৰা এণ্ড মহিন্দ্ৰা, স্কোডা, টয়োটা, হিৰ' মোটো আদি কোম্পানীৰ বিভিন্ন মডেলৰ বাহন ইতিমধ্যে পূৰ্বতকৈ ব্যয়বহুল হৈছে। জানুৱাৰীৰ পৰা গাড়ীৰ মূল্যবৃদ্ধি কৰিব বুলি ইতিমধ্যেই ঘোষণা কৰিছে মাৰুতি, টাটা মটৰ্ছ, হিৰ' দৰে কোম্পানীবোৰেও। হিৰ' মোটো কৰ্পে ঘোষণা কৰা মতে, অহা চাৰি জানুৱাৰীৰ পৰা গাড়ীৰ মূল্য ২,০০০ টকাকৈ বৃদ্ধি পাব। ইফালে মাৰুতি ছুজুকীয়ে ২০২১ত তিনিবাৰকৈ মূল্যবৃদ্ধি কৰাৰ পাছত এতিয়া পুনৰ চতুৰ্থবাৰৰ বাবে সাজু হৈছে। কোম্পানীটোৱে বিগত ১৮ মাহত মুঠ ছয়বাৰ গাড়ীৰ দাম চাৰি-৯ শতাংশ হাৰত বৃদ্ধি কৰিছে। একেদৰে, লজিষ্টিক কোম্পানীবোৰেও ভাড়া বৃদ্ধি কৰাৰ প্ৰস্তুতি চলাইছে। এই কোম্পানীবোৰে এই বছৰ মুখ্যতঃ কে'বাবাৰো কন্টেইনাৰৰ মূল্যবৃদ্ধি কৰিছে। ইয়াৰ কাৰণ হৈছে ডিজেলৰ মূল্যৰ ক্ৰমাগত বৃদ্ধি। অৱশ্যে, যোৱা দুটা মাহত ডিজেলৰ মূল্য প্ৰায় স্থিৰ হৈ আছে।

### ইস্পাতৰ বৰ্ধিত মূল্য

ইস্পাত কোম্পানীবোৰেও মূল্যবৃদ্ধিৰ ঘোষণা কৰিছে। যদিও বিগত কেইটামান মাহত ইস্পাতৰ দাম স্থিৰ হৈ আছে, অনাগত দিনত পুনৰ বৃদ্ধি হোৱাৰ পূৰ্ণ সম্ভাৱনা আছে। চলিত বিত্তীয় বৰ্ষৰ তৃতীয় ত্ৰিমাসিকত ইস্পাতৰ মূল্য প্ৰতি কিলোগ্ৰামত ৭৭ টকালৈ বৃদ্ধি পাইছিল। চতুৰ্থ ত্ৰিমাসিকত যদি এই মূল্য আৰু ঊৰ্ধ্বগামী হয় তেন্তে বাচন-বৰ্তনৰ পৰা আৰম্ভ কৰি উদ্যোগ খণ্ডত ব্যৱহাৰ হোৱা বিভিন্ন যন্ত্ৰ-পাতিৰ দামত ইয়াৰ পোনপটীয়া প্ৰভাৱ পৰিব।

### ব্যয়বহুল কেঁচামাল

সকলো ক্ষেত্ৰতে মূল্যবৃদ্ধিৰ মুখ্য কাৰণ হৈছে ইনপুটৰ ব্যয়, ভাড়াৰ ব্যয় আৰু আন বহুতো ব্যয়ৰ সম্প্ৰসাৰণ। ইয়াৰ লগতে খাদ্য তেলৰ মূল্য, পাম তেল আৰু পেকেজিঙৰ ব্যয়ো একেৰাহে বাঢ়ি গৈ আছে। যোৱা এবছৰত এই দাম প্ৰায় দুগুণ বৃদ্ধি হৈছে। উভতি চালে দেখা যায়, ২০২১ ৰ আৰম্ভণিৰে পৰা শেষ পৰ্যন্ত শিল্পখণ্ডৰ বিভিন্ন কেঁচামালৰ মূল্য একেৰাহে বৃদ্ধি পাইছিল। যাৰ ফলত কোম্পানীবোৰৰ লাভৰ ওপৰত মূল্যবৃদ্ধিৰ পোনপটীয়া প্ৰভাৱ পৰিছিল। অতিৰিক্ত খৰচৰ বোজাৰ বাবেই কোম্পানীবোৰেও পণ্যৰ মূল্যবৃদ্ধি কৰি গ্ৰাহকসকলৰ মূৰত মূল্যবৃদ্ধিৰ ৰামটাঙোন শোধাইছিল। এই একেই ঘটনাৰ পুনৰাবৃত্তি ২০২২তো ঘটিব বুলি পূৰ্বানুমান কৰিছে বিশেষজ্ঞমহলে।

## ২০২২ ঃ খবৰ ইতিবাচক আৰম্ভণিৰ

### এই বছৰেই শুভাৰম্ভ হ'ব ৫জি ইণ্টাৰনেট সেৱাৰ

**দেশৰ** দূৰসংযোগ বিভাগে এই বছৰেই ৫জি ইণ্টাৰনেট সেৱা আৰম্ভ কৰাৰ প্ৰস্তুতি চলাইছে। এক চৰকাৰী প্ৰেছ বিবৃতি অনুসৰি, প্ৰথমাৱস্থাত সমগ্ৰ দেশৰ ১৩ খন চহৰে এই ৫জি সেৱা লাভ কৰিব। এই ১৩খন চহৰ হৈছে ক্ৰমে আহমেদাবাদ, বাংগালুৰু, চণ্ডিগড়, চেন্নাই, দিল্লী, গান্ধীনগৰ, গুৰুগ্ৰাম, হায়দৰাবাদ, জামনগৰ, কলকাতা, লক্ষ্ণৌ, মুম্বাই আৰু পুনে। ইতিমধ্যে ৰিলায়েন্স জিঅ', এয়াৰটেল আৰু ভোডাফোন আইডিয়া নামৰ আগশাৰীৰ টেলিকম সংস্থা তিনিটাই এই চহৰসমূহত পৰীক্ষণ ছাইটো স্থাপন কৰিছে। স্মৰ্তব্য, ২০১৮ ৰে পৰা ভাৰতত ৫জি সেৱাৰ পৰীক্ষা আৰম্ভ হৈছিল আৰু এই পৰীক্ষাৰ সময়সীমা যোৱা ৩১ ডিচেম্বৰত শেষ হৈছে।



### বেতন বৃদ্ধি পাব কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰীৰ

নতুন বছৰটোৱে কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰীসকলৰ বাবে এক আশাৰ বতৰা কঢ়িয়াই আনিছে। চৰকাৰী সূত্ৰত প্ৰকাশিত তথ্য অনুসৰি, অহা মাৰ্চৰ পূৰ্বেই কেন্দ্ৰীয় কৰ্মচাৰীসকলৰ বেতন বৃদ্ধি হ'ব পাৰে। কেন্দ্ৰীয় কৰ্মচাৰীৰ ন্যূনতম মৌলিক বেতন বৰ্তমানৰ ১৮,০০০ টকাৰ পৰিৱৰ্তে ২৬,০০০ টকা হোৱাৰ সম্ভাৱনা আছে। তথ্য অনুসৰি, কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ কৰ্মচাৰীসকলৰ 'ফিটমেন্ট ফেক্টৰ' বৃদ্ধি কৰাৰ প্ৰস্তুতি আৰম্ভ হৈছে। যদি বাজেটৰ পূৰ্বেই এই প্ৰস্তাৱে কেবিনেটৰ অনুমোদন লাভ কৰে, তেন্তে ইয়াক বাজেটৰ আগতো কাৰ্যকৰী কৰা হ'ব পাৰে।

### বিশ্ব অৰ্থনীতিৰ মূল্য হ'ব ১০০ ট্ৰিলিয়ন ডলাৰ

### ফ্ৰান্সক অতিক্ৰম কৰি পুনৰ ষষ্ঠ স্থান প্ৰাপ্ত কৰিব ভাৰতে

বিশ্ব অৰ্থনীতিৰ মূল্যই চলিত বছৰত ১০০ ট্ৰিলিয়ন ডলাৰকো অতিক্ৰম কৰিব আৰু বিভিন্ন আৰ্থ সামাজিক প্ৰতিবন্ধকতাকো নেওচি এই বছৰেই ভাৰতে ফ্ৰান্সক পৰাস্ত কৰি বিশ্বৰ সৰ্বশ্ৰেষ্ঠ অৰ্থব্যৱস্থাৰ তালিকাত পুনৰ ষষ্ঠ স্থান প্ৰাপ্ত কৰিব বুলি দাবী কৰিছে অৰ্থনীতি আৰু ব্যৱসায় গৱেষণা কেন্দ্ৰ চিইবিআৰ-এ। আনহাতে, ভাৰতে আগন্তুক ২০২৩ত ব্ৰিটেইনকো অতিক্ৰম কৰিব আৰু ২০৩১ ৰ ভিতৰত বিশ্বৰ তৃতীয় বৃহত্তম অৰ্থনীতিৰূপে পৰিগণিত হ'ব বুলিও ভৱিষ্যদ্বাণী কৰিছে সংস্থাটোৱে। চিইবিআৰৰ প্ৰতিবেদনত লগতে কোৱা হৈছে যে আমেৰিকা যুক্তৰাষ্ট্ৰক অতিক্ৰম কৰিবলৈ পূৰ্বৰ আকলনতকৈ চীনক দুবছৰ বেছি সময় লাগিব। যদিহে ক্ৰমবৰ্ধিত মুদ্ৰাস্ফীতিৰ সংকটক নিয়ন্ত্ৰণত ৰাখিব পৰা নাযায়, বিশ্বই এই বছৰৰ শেহভাগৰ পৰা ২০২৩-২০২৪ পৰ্যন্ত মন্দাৱস্থাৰ সন্মুখীন হোৱাৰ বাবে সাজু থাকিব লাগিব বুলি পূৰ্বানুমান কৰা হৈছে চিইবিআৰৰ এই প্ৰতিবেদনত।

## ক্ৰিপ্টোকাৰেন্সী হ'ব পাৰে নতুন বছৰৰ শ্ৰেষ্ঠ উপহাৰ



**ক্ৰিপ্টোকাৰেন্সী** এতিয়া সমগ্ৰ বিশ্বতে জনপ্ৰিয় হৈ পৰিছে। গতিকে ক্ৰিপ্টোকাৰেন্সীক উপহাৰ হিচাপে দিয়াটোও এতিয়া একপ্ৰকাৰৰ ট্ৰেণ্ড হৈ পৰিছে। এইবাৰ নতুন বছৰৰ উপহাৰ হিচাপে আপুনিও নিজৰ আপোনজনক বা আত্মীয়ক ক্ৰিপ্টোৰ উপহাৰ দিব পাৰে। পিছে এইবিধ ডিজিটেল মুদ্ৰাক উপহাৰ হিচাপে দিবলৈ হ'লে আপুনি আগতীয়াকৈ নিজেও কিছু কথা জনাটো দৰকাৰ। কিমান পৰিমাণৰ বা মূল্যৰ ক্ৰিপ্টোকাৰেন্সী কৰৰ আওতাত নপৰাকৈ উপহাৰ হিচাপে দিব পাৰি বা কোনখন প্লেটফৰ্মৰ দ্বাৰা বিনিময় কৰিলে মাচুল কম হ'ব ইত্যাদি বিষয়বোৰ আগতীয়াকৈ জনাটো জৰুৰী।

### বজাৰৰ অস্থিৰতা

ক্ৰিপ্টোকাৰেন্সী হৈছে একপ্ৰকাৰৰ 'হাই ৰিস্ক, হাই ৰিৱাৰ্ড' অৰ্থাৎ উচ্চ বিপদাশংকা আৰু উচ্চ পুৰস্কাৰযুক্ত বিনিয়োগ। কিন্তু বিশেষজ্ঞসকলৰ অনুমান মতে, ২০২২ত 'বিগ ভেল্যু গ্ৰোথ' বা বৃহৎ লাভৰ সম্ভাৱনা থকা বিনিয়োগ হ'ব পাৰে এই ক্ৰিপ্টোকাৰেন্সী। ২০২১ৰ আৰম্ভণিতে বিটকইনৰ মূল্য আছিল ৩০,০০০মাৰ্কিন ডলাৰ। বিপৰীতে যোৱা নৱেম্বৰত এই মূল্য আহি ৬৮,০০০ ত উপনীত হৈছিল। সেয়েহে নতুন বছৰৰ উপহাৰ হিচাপে ক্ৰিপ্টোকাৰেন্সী যথেষ্ট লাভজনক হ'ব পাৰে।

### কৰৰ প্ৰভাৱ

উপহাৰ হিচাপে ১৫,০০০ মাৰ্কিন ডলাৰ বা তাতকৈ কম ক্ৰিপ্টোকাৰেন্সী প্ৰদান কৰিলে কোনো কৰ ভৰিব নালাগে। কিন্তু উপহাৰৰ মূল্য ১৫,০০০ মাৰ্কিন ডলাৰৰ পৰা ৩০,০০০ মাৰ্কিন ডলাৰৰ ভিতৰত হ'লে ই কৰৰ অধীনলৈ আহিব। এই ক্ষেত্ৰত, ক্ৰিপ্টোকাৰেন্সী উপহাৰ দিয়া ব্যক্তিজনে কৰ পৰিশোধ কৰিব লাগিব। গতিকে ১৫,০০০ মাৰ্কিন ডলাৰতকৈ কম মূল্যৰ ক্ৰিপ্টোকাৰেন্সী উপহাৰ দিয়াটোৱেই শ্ৰেয়।

### ক্ৰয় প্ৰক্ৰিয়া

যদি কোনোবাই ভাবে যে তেওঁ উপহাৰ হিচাপে ক্ৰিপ্টোকাৰেন্সী দিব, তেন্তে প্ৰথমেই সিদ্ধান্ত ল'ব লাগিব যে তেওঁ উপহাৰ হিচাপে কেনে ধৰণৰ ক্ৰিপ্টোকাৰেন্সী দিব বিচাৰে। কাৰণ বজাৰত বিভিন্ন প্ৰকাৰৰ ক্ৰিপ্টোকাৰেন্সী উপলব্ধ। উপহাৰ কাৰ্ডৰ জৰিয়তেও ক্ৰিপ্টোকাৰেন্সী উপহাৰ হিচাপে দিব পাৰি। লগতে ক্ৰিপ্টোকাৰেন্সী ক্ৰিপ্টো ৱালেটৰ দ্বাৰা এক্সচেঞ্জৰ জৰিয়তেও আগবঢ়াব পাৰি। কেৱল ইয়াৰ বাবে উপহাৰ দিব খোজা ব্যক্তিজনৰ ক্ৰিপ্টো ৱালেট বা এক্সচেঞ্জ একাউণ্ট থকাটো বাঞ্ছনীয়।

### লেনদেনৰ ব্যয়

ক্ৰিপ্টোকাৰেন্সী লেনদেনৰ ক্ষেত্ৰত বিভিন্ন প্ৰকাৰৰ মাচুল ভৰিব লাগে। মাচুলৰ পৰিমাণ নিৰ্ভৰ কৰে কোনবিধ ক্ৰিপ্টো মুদ্ৰাৰ ব্যৱসায় কৰা হৈছে তাৰ ওপৰত। বৰ্তমানে জনপ্ৰিয়তাৰ শীৰ্ষত থকা 'কইনবেচ' নামৰ ক্ৰিপ্টো বিনিময় মঞ্চই সাধাৰণতে এটা ৱালেটৰ পৰা আন এটা ৱালেটলৈ ক্ৰিপ্টোকাৰেন্সী স্থানান্তৰ কৰাৰ বাবে কোনো মাচুল নলয়। কিন্তু যদি ক্ৰিপ্টোকাৰেন্সী উপহাৰ দিয়া ব্যক্তিজনে উপহাৰটো 'কইনবেচ' প্লেটফৰ্মৰ জৰিয়তে বিক্ৰী কৰে আৰু ইয়াক আন ঠাইলৈ স্থানান্তৰ কৰে, তেন্তে তেওঁ এক নিৰ্দিষ্ট পৰিমাণৰ মাচুল পৰিশোধ কৰিব লাগে। এনে ক্ৰিপ্টোকাৰেন্সী লেনদেনৰ ব্যয় বহুত বেছি।

### ক্ৰিপ্টোকাৰেন্সী সম্পৰ্কে ধাৰণা

যদিও ক্ৰিপ্টোকাৰেন্সী বৰ্তমানে বহুলভাৱে জনপ্ৰিয়, আনক দিয়াৰ আগতে, আপুনি জানিব লাগিব যে তেওঁ ক্ৰিপ্টোকাৰেন্সীৰ বিষয়ে কিমান জানে। যদি উপহাৰ হিচাপে ক্ৰিপ্টোকাৰেন্সী গ্ৰহণ কৰা ব্যক্তিজনে ইয়াক আগতে কেতিয়াও ব্যৱহাৰ কৰা নাই আৰু ক্ৰিপ্টোকাৰেন্সীৰ বিষয়ে কোনো ধাৰণা নাই, এনে উপহাৰে সমস্যাৰহে উদ্ভৱ কৰিব পাৰে।

## বজাৰ কঁপাবলৈ আহি আছে ই-বাইক গোৰ অত্যাধুনিক ই-স্কুটাৰ

### এবাৰ চাৰ্জ দিলেই চলিব ১০০ কিলোমিটাৰ



**জনপ্ৰিয়** স্পেনিছ কোম্পানী ই-বাইক গোয়ে ভাৰতীয় বজাৰত অচিৰেই মুকলি কৰাৰ পৰিকল্পনা কৰিছে এখন অত্যাধুনিক ই-স্কুটাৰ। মুভি ই-স্কুটাৰ নামৰ এই নতুন বাহনখনক বিশেষভাৱে ভাৰতীয় বজাৰৰ বাবে প্ৰস্তুত কৰা হৈছে। এই বাহনখন ভাৰতত বিক্ৰী কৰাৰ লগতে বিদেশী বজাৰলৈও ৰপ্তানিৰ লক্ষ্য কোম্পানীটোৰ। মুভি ই-স্কুটাৰৰ জৰিয়তে ভাৰতীয় বজাৰত খোপনি পুতিবলৈ চেষ্টা চলোৱা কোম্পানীটোৱে দাবী কৰিছে যে, পৰিৱেশ বান্ধৱ হোৱাৰ লগতে এই নতুন দুচকীয়া বাহনখন শক্তি ৰাহিকাৰী বুলিও প্ৰমাণিত হ'ব অদূৰ ভৱিষ্যতে। এই স্কুটাৰখন বেটাৰী চালিত আৰু ইয়াৰ ওজন প্ৰায় ৮৩ কিলোগ্ৰাম। লগতে ই তিনি কিলোৱাট বিদ্যুৎ উৎপাদন কৰিবলৈ সক্ষম। আনহাতে, বাহনখনৰ সৰ্বাধিক গতি ৬০ কিলোমিটাৰ পৰ্যন্ত। কোম্পানীটোৱে দাবী কৰা মতে, এই বাইকখন এবাৰ মাত্ৰ ফুল চাৰ্জ দিলে একেৰাহে ই ১০০ কিলোমিটাৰ পৰ্যন্ত চলিব পাৰে। ফলস্বৰূপে, বৃহৎ হাৰত শক্তিৰ সঞ্চয় কৰিব পাৰি। তদুপৰি বাইকখনত আছে এটা অতিৰিক্ত বেটাৰীও, যাতে চাৰ্জ শেষ হ'লে বেটাৰীটো এক নিৰ্দিষ্ট স্থানলৈ লৈ গৈ সলনি কৰিব পাৰি। ভাৰতৰ স্কুটাৰ বজাৰৰ পাঁচ শতাংশ দখল কৰাৰ লক্ষ্যৰে নিৰ্মাণ কৰা এই বাহনখনৰ মূল্য সম্পৰ্কে অৱশ্যে অদ্যাপি একো ঘোষণা কৰা নাই কোম্পানীটোৱে।

# নৱবৰ্ষত গৃহিণীসকলেও আৰম্ভ কৰক বিত্তীয় পৰিকল্পনা

**চৰকাৰী** বা বেচৰকাৰী যি চাকৰিয়েই নকৰক কিয়, এগৰাকী চাকৰিয়াল মহিলাই তেওঁ কৰ্মৰত হৈ থকা প্ৰতিষ্ঠানটোৰ পৰা সাধাৰণতে বিভিন্ন লাভালাভ আহৰণ কৰে। কিন্তু এগৰাকী গৃহিণীৰ ক্ষেত্ৰত তেনে লাভালাভৰ পৰিমাণ শূন্য। ঘৰে বাহিৰে সকলোতে নিজৰ দক্ষ পৰিচালনাৰে সকলো ধৰণৰ কাম-কাজ নিয়াৰিকৈ চলাই নিয়া বহু গৃহিণীয়ে নিজৰ বাবে বিত্তীয় পৰিকল্পনা নকৰে বা কৰাৰ সুযোগ নাপায়। মূলতঃ নিজৰ বাবে খৰচ কৰিব পৰাকৈ হাতত ধন আৰু সময়ৰ নাটনি হোৱাৰ অজুহাত দেখুৱায়ে গৃহিণীসকলে বিত্তীয় পৰিকল্পনাৰ দিশে আগনাবাঢ়ে। বিত্তীয় পৰামৰ্শদাতাসকলৰ মতে, গৃহিণীসকলেই যিহেতু ঘৰ এখনৰ বা পৰিয়াল এটাৰ মেৰুদণ্ড স্বৰূপ, তেওঁলোকে নিজৰ প্ৰয়োজনত কামত আহিব পৰাকৈ জৰুৰী ফাণ্ড, বীমা আৰু বৃদ্ধাৱস্থাৰ বাবে পুঁজি জমা কৰা ইত্যাদি গুৰুত্বপূৰ্ণ কামৰ প্ৰতি নজৰ দিয়াটো অত্যন্ত দৰকাৰী। ইয়াৰ বাবে ঘৰুৱা বাজেটৰ পৰা অলপ ৰাহি কৰি নাইবা হিচাপবিহীন খৰচ নিয়ন্ত্ৰণলৈ আনি সঞ্চয়ৰ পথত প্ৰথম খোজটো পেলাব পাৰে গৃহিণীসকলে। নতুন বছৰৰ আৰম্ভণিতে, সকলো মহিলাই নিজৰ বাবে বিভিন্ন ধৰণৰ বিত্তীয় পৰিকল্পনা আৰম্ভ কৰাৰ সংকল্প ল'ব লাগে আৰু পৰিয়ালৰ আন আন সদস্যয়ো এই ক্ষেত্ৰত সহায় সহযোগিতা আগবঢ়োৱা উচিত।

### জৰুৰীকালীন পুঁজি

বিত্তীয় পৰামৰ্শদাতাসকলৰ মতে, চাকৰিয়াল বা গৃহিণী বুলি কথা নাই, প্ৰতিগৰাকী সচেতন মহিলাই নতুন বছৰত জৰুৰীকালীন পুঁজিৰ সৃষ্টি কৰিব লাগে। এই জৰুৰীকালীন পুঁজি হ'ব লাগে অতি কমেও পৰিয়ালটোৰ এবছৰত হোৱা ঘৰুৱা খৰচৰ সমান। ঘৰুৱা বাজেট পৰিকল্পনাৰ কামটো সাধাৰণতে গৃহিণী এগৰাকীৰ বাবে খুবেই উজু। ঘৰ চলোৱাৰ বাবে খৰচ কিমান হ'ব, শিশুৰ শিক্ষাৰ ব্যয়ৰ নামত কিমান টকা যাব আৰু পৰিয়াল এটা চলোৱাৰ বাকী খৰচসমূহৰ সকলোবোৰ হিচাপ খুব সুচাৰুৰূপে ৰাখিব পাৰে গৃহিণীগৰাকীয়ে। লগতে, যেতিয়া ধনৰ প্ৰয়োজন হয়, এগৰাকী গৃহিণীয়ে অলপ অলপকৈ ৰাহি কৰি থোৱা জমা ধনখিনি উলিয়াই দিবলৈ অকণো কুণ্ঠাবোধ নকৰে। তেওঁ সেই টকাখিনি বিভিন্ন ধৰণে জমা কৰে। কেতিয়াবা যদি নিজৰ প্ৰয়োজনীয় বস্তুপদ ক্ৰয় নকৰি টকা ৰাহি কৰে আন কেতিয়াবা আকৌ সকলো ঘৰুৱা জঞ্জাল সামৰিও বোৱা-কটা, চিলাই বা অন্য কোনো হাতৰ কাম কৰি পোৱা দুপইচাকো সাঁচে। এয়া কেৱল এগৰাকী মহিলাৰ দ্বাৰাহে সম্ভৱ। সেয়েহে প্ৰতি বছৰৰ আৰম্ভণিৰে পৰা গৃহিণীসকলৰ বাবে জৰুৰীকালীন পুঁজি সৃষ্টি কৰাৰ কামত পৰিয়ালৰ আন সদস্যসকলে নিজকো নিয়োজিত কৰিব লাগে।

### হিচাপবিহীন ব্যয় নিয়ন্ত্ৰণ

এটা পৰিয়ালৰ ঘৰুৱা বাজেটৰ মুঠ ব্যয়ৰ প্ৰায় ৯০ শতাংশ গৃহিণীগৰাকীৰ জৰিয়তেই হয় বুলি ক'লেও ভুল নহ'ব। পুৱা ঘৰৰ দুৱাৰমুখতে পাচলি, মাছ আদি কিনা, ঘৰৰ সকলো কামে কামে ওলাই যোৱাৰ পাছত ডেলিভাৰী দিবলৈ অহা গেছৰ চিলিণ্ডাৰটো ৰাখি তাৰ বিল পৰিশোধ কৰা, সহায়কাৰীক মাহিলি দৰমহা দিয়া আদি সকলোবোৰ খৰচৰ হিচাপ গৃহিণী এগৰাকীৰ নখদৰ্পণত থাকে। ফলস্বৰূপে, এগৰাকী গৃহিণীয়ে ভালদৰে বুজে যে কোনটো খৰচ অধিক গুৰুত্বপূৰ্ণ আৰু কোনটো নহয়। গতিকে সকলো মহিলাই নতুন বছৰত হিচাপবিহীন ব্যয় নকৰি অদৰকাৰী খৰচ অলপ হ'লেও নিয়ন্ত্ৰণৰ চেষ্টা চলাব পাৰে। নতুন বছৰৰ আৰম্ভণিৰে পৰা যদি এনেদৰে ঘৰুৱা বাজেট তৈয়াৰ কৰি কম প্ৰয়োজনীয় ব্যয় সংকোচন কৰা হয় তেন্তে তাৰ পৰা অধিক ধন ৰাহি কৰিব পাৰি। তদুপৰি ৰাহি কৰা ধন বিনিয়োগ কৰিলে ভৱিষ্যতে ভাল লাভ আহৰণো কৰিব পাৰি। গতিকে নতুন বছৰত সকলো মহিলাই হিচাপবিহীন ব্যয় হ্ৰাস কৰাৰ ওপৰত গুৰুত্ব দিব লাগিব।

### বীমা আঁচনি

চাকৰিয়াল মহিলাসকলক বাদ দি আন বেছিভাগ গৃহিণীয়ে বীমাকৰণৰ প্ৰতি গুৰুত্ব দিয়া দেখা নাযায়। সচৰাচৰ তেওঁলোক বীমাৰ নামত বিনিয়োগ কৰিবলৈ অনিচ্ছুক হয়; কিন্তু এয়া একেবাৰেই শুদ্ধ নহয়। কিয়নো এনে মহিলাসকলৰ বাবে বজাৰত বিভিন্ন প্ৰকাৰৰ বীমা আঁচনি আছে। যেনে— জীৱন বীমা, চিকিৎসা বীমা আদি। এই বীমাবোৰে বিভিন্ন ধৰণৰ লাভালাভ প্ৰদান কৰে। গতিকে সকলো মহিলাই এনে বীমাত বিনিয়োগ কৰা উচিত। এনে ধৰণৰ বিনিয়োগ নতুন বছৰৰ আৰম্ভণিতে আৰম্ভ কৰিব লাগে।

### অৱসৰৰ পৰিকল্পনা

গৃহিণীসকল হৈছে পৰিয়াল একোটাৰ মূল চালিকা শক্তি। ঘৰ আৰু পৰিয়ালৰ প্ৰত্যেকটো কাম নিখুঁতভাৱে সম্পন্ন কৰাৰ বাবে নিজৰ সমস্ত জীৱন উছৰ্গা কৰা গৃহিণীসকলৰো যে অৱসৰ জীৱন উদ্‌যাপনৰ প্ৰয়োজন বা হাবিয়াস থাকিব পাৰে সেয়া সততে পাহৰি থকা হয়, কিন্তু এয়া একেবাৰেই অনুচিত। গৃহিণীসকলৰ বাবে অৱসৰৰ পৰিকল্পনা কৰাটো আটাইতকৈ গুৰুত্বপূৰ্ণ বিষয়। চাকৰি কৰা মহিলাসকলৰ বাবে এই পৰিকল্পনা চৰকাৰ বা নিযুক্তিদাতা প্ৰতিষ্ঠানৰ দ্বাৰা কৰা হয়। কিন্তু এগৰাকী গৃহিণীৰ বাবে এই সুবিধা নাই। সেয়ে নিজৰ প্ৰচেষ্টাতে অৱসৰৰ পৰিকল্পনা কৰি সঞ্চয় কৰা প্ৰয়োজন প্ৰতিগৰাকী গৃহিণীয়ে।

**নৱবৰ্ষই প্ৰতিজনৰ জীৱনলৈ কঢ়িয়াই আনে ন ন প্ৰত্যাশা। ক'ভিড পৰিস্থিতিৰ স'তে বিগত দুটা বছৰ যুঁজ দিয়াৰ পাছত এতিয়া সকলোৱে বিচাৰে এক সুচল পৰিস্থিতি, য'ত জীৱন পুনৰ নিৰ্মাণ হ'ব। নতুন বছৰত ন ন প্ৰত্যাশাৰ বতৰা কঢ়িয়াই আজিৰ এই প্ৰতিবেদন।**

# নৱবৰ্ষৰ প্ৰত্যাশা

## অপশক্তি নাশ হওক

■ **পিংকু মৰাণ,** যুৱ-পৰিচালক



প্ৰতিটো পুৱা এখন যুদ্ধৰে আৰম্ভ কৰো। নিশাবোৰত সৰিবলৈ দিওঁ ভুল-শুদ্ধৰ তুলাচনীত কেৱল ভুলবোৰক। দেখুৱাই বা কিজানি জয়ৰ মূখ। আনৰ দৰে সফলতা আৰু বিফলতা বুলি জীৱন পথৰ পাক্ লগা দুটি শব্দৰ পাছত ধৰি আগবাঢ়িবলৈ বিচাৰো। মহামাৰী বছৰ দুটাই বহু কথাই শিকাই গ'ল। আমি ভবাৰ দৰে সকলো সময়তে সকলো নহ'বও পাৰে। আগবাঢ়িবলৈ নতুন নতুন পৰিকল্পনা, প্ৰস্তুতি চলাব লাগে। সকলোলৈ প্ৰথমে মই শুভকামনা জনালো, আহিবলগীয়া বছৰটো সুন্দৰ আৰু সুখেৰে পৰিপূৰ্ণ হওক সকলোৰে। যোৱা বছৰৰ সময়খিনি আছিল মানৱ জাতিৰ বাবে প্ৰত্যাহ্বানৰ সময়। গতিকে তেনে সময় পুনৰাবৃত্তি কাহানিও কামনা নকৰো। অসুস্থ পৃথিৱীক সুস্থ কৰি নতুন বৰ্ষই আনক মানৱ জাতিলৈ নৱ-সৃষ্টিৰ সুস্থ ধৰিত্ৰী।

আচলতে আমাৰ আশাৰ লক্ষ্যবোৰ পৰিস্থিতিৰ বাবে সময়ে সময়ে বাৰে বাৰে সলনি হয়। কাৰণ আমিবোৰ অভাৱ শব্দটোৰ লগত ডাঙৰ হোৱা ল'ৰা। সেয়া ঘৰুৱা, সামাজিক পৰিৱেশ, অৰ্থনৈতিক দুৰ্বলতা নতুবা দেশৰ শাসন ব্যৱস্থাৰ বিভিন্ন দিশৰ প্ৰক্ৰিয়া। গতিকে সময়ে যি দিশে নিয়ে সেইফালেই গতি কৰে জীৱনে। যাৰ বাবে বাৰে বাৰে নিজৰ লক্ষ্যক পথভ্ৰষ্ট কৰি সময় পৰিস্থিতিত এৰি দিব লগা হয়। প্ৰতিটো উজুটিত লগা আঘাতবোৰত কিমান কষ্ট পাইছো কেৱল নিজে অনুভৱ কৰিছো। কেতিয়াবা আঘাতৰ ঘাঁহবোৰক খজুৱটি বুলি আঁচুৰি দি শান্তিৰ মূখা পিন্ধিছো, কেতিয়াবা নিজক নিজেই বাধ্য কৰি শুকাবলৈ বাট এৰি দিওঁ।

এটা খেৰৰ জুপুৰিৰ পৰাই বহু সপোন দেখিবলৈ ল'লো। য'ত নিজৰ ভাল লগাবোৰক সাজি উলিয়াবলৈ ধৰিলো। মহামাৰীৰ সময়খিনিয়ে ভাৱ-চিন্তা সকলোবোৰ পৰিৱৰ্তন কৰি দিছিল যদিও ভাল খবৰো পালো। মোৰ দ্বাৰা পৰিচালিত প্ৰাচুৰ্য প্ৰডাক্‌ছনৰ 'দ্য ড'ড' নামৰ ছুটি ছবিখনে বহুকেইটা আন্তঃৰাষ্ট্ৰীয় মহোৎসৱলৈ মনোনীত হোৱাৰ লগতে বঁটা ল'বলৈও সক্ষম হলো।

নতুন বৰ্ষত সকলো সমস্যাক প্ৰত্যাহ্বান জনাই নিজৰ কামবোৰ সম্পূৰ্ণ কৰাৰ প্ৰতিশ্ৰুতিৱদ্ধ হৈছো। যোৱা বৰ্ষটোত আৰম্ভ কৰা বহুকেইটা প্ৰজেক্ট সম্পূৰ্ণ কৰিব নোৱাৰিলো। গতিকে নতুন বৰ্ষটোত কামখিনি সম্পূৰ্ণ কৰি ৰাইজলৈ এৰি দিম। তাৰ ভিতৰত 'অঘৰী বতাহৰ সপোন' অসমীয়া বোলছবিখনৰ কিছু এডিটিং, মিউজিক কৰাৰ পাছতেই অসমৰ ছবিগৃহলৈ মুক্তি, 'ৰাগী' অসমীয়া ছুটিছবিৰ মুক্তি জানুৱাৰীত, বিহু আৰু আধুনিক গানৰ ভিডিঅ', তিনি জানুৱাৰীৰ পৰা 'ডুমডুমাৰ ইতিহাস আৰু বৰ্তমান'ক লৈ এখন তথ্য ছবিৰ চিত্ৰগ্ৰহণ লগতে 'বীৰ ৰাঘৱ'ৰ অসমীয়া বোলছবিৰ পাণ্ডুলিপি প্ৰস্তুত, নাট কৰ্মশালাৰ লগতে বহুকেইটা সৰু-বৰ প্ৰাচুৰ্য প্ৰডাকছনৰ ভিডিঅ' কাম।

ক্ষিপ্ৰ গতিত পৰিৱৰ্তিত এই সমাজক এক যোগাত্মক আৰু সুস্থিৰ অৱস্থালৈ আনিবলৈ হ'লে সুস্থ-বিৱৰ্তনকামী ন-চিন্তাৰ প্ৰয়োজন আছে আৰু সেই চিন্তা পৰিকল্পনাক বাস্তৱায়িত কৰাৰ নিমিত্তে যুৱ-সমাজৰ কাৰ্যকৰী ভূমিকা তথা সক্ৰিয় অংশগ্ৰহণ নিতান্তই প্ৰয়োজনীয়। বৰ্তমানৰ সমাজত এচাম যুৱক আছে, যিসকলে প্ৰকৃত শান্তিৰ সন্ধানত নামি পৰিছে; কিন্তু উপযুক্ত পৰিৱেশ, দিক-দৰ্শক তথা উৎসাহদাতাৰ অভাৱত তেওঁলোকৰ এই সন্ধানৰ গতি স্থবিৰ হৈ পৰিছে অথবা স্থবিৰ হ'বলৈ বাধ্য হৈছে। গতিকে এই ক্ষেত্ৰত ৰাজ্য বা দেশৰ সকলো পক্ষই দৃষ্টিগোচৰ কৰি সততাৰে দেশক আগবঢ়াই নিব লাগিব। প্ৰকৃততে অসমৰ বহু দিশত অস্থিৰ পৰিৱৰ্তন হৈছে। ই এক ভয়াৱহ বিপদৰ সংকেতহে বহন কৰিছে। এই উচ্ছৃংখল সমাজৰ প্ৰত্যেক স্তৰতে দেখা যায় ব্যাপক অনিয়ম, হিংসা, বিদ্বেষ, অৰ্থলাভৰ দুৰ্নিবাৰ হেঁপাহ। ক'বলৈ গ'লে প্ৰত্যেক মানুহেই দুৰ্বলক দমন-শোষণ কৰি আগুৱাই যাব বিচাৰিছে আৰু তাতেই যেন তেওঁলোকে বিচাৰি পাইছে এক মাতাল তৃপ্তি। গতিকে এনেকুৱা সময়খিনিত কি আশা কৰিম কল্পনাৰ অগোচৰ যদিও অসমৰ প্ৰত্যকটো ঘৰ-পৰিয়াল, ভিন্ন শ্ৰেণীৰ লোক, ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক সকলোবোৰ উন্নতিৰ স্বাভাৱিক ৰূপৰ এক সুস্থ ধাৰাবাহিকতা গঢ়ি উঠক। কৰ্মজীৱীৰে অসম হওক সকলোৰে আদৰ্শ ৰাজ্য গঢ়ি উঠক ঐক্যতাৰ বান্ধোন, য'ত আশা কৰিম সমাজলৈ সুস্থিৰতা আহিব। 'সততা', 'নিষ্ঠা', 'সহানুভূতি', 'দয়া', 'মমতা' আদি শব্দবোৰৰ সুষম বাস্তৱিক প্ৰয়োগে যুৱ-সমাজৰ মানসিকতালৈ এক ধনাত্মক চিন্তাধল আনিব।

দেশক আদৰ্শ হিচাপে গঢ়ি তুলিবলৈ স্বাধীন মনৰ গৰাকী হ'ব লাগিব। নৱ চিন্তাৰ উন্মেষ ঘটাব লাগিব। গতিকে দেশক উন্নতিৰ আশা কৰিলে যুৱ-শক্তিৰে এক সুস্থিৰতাৰ নৱ জাগৰণ আনিব লাগিব। সম্পদ, উৎপাদন, আন্তঃৰাষ্ট্ৰীয় সু-সম্পৰ্কৰ লগতে অৰ্থনৈতিক বজাৰখনত কিছু নতুন চিন্তাৰ প্ৰয়োজন। আশা কৰিম নতুন দিনে আনি দিয়ক সকলোৰে আশা-সপোনৰ বাস্তৱায়িতা। নতুনৰ পথাৰত নৱ কঠীয়াৰ সৃষ্টি হওক নৱ-সোণগুটিৰ। পৃথিৱীৰ অপশক্তিক মোহাৰি নতুন দিনে লৈ আহক প্ৰেমৰ সেউজীয়াক।

## ইতিহাস হ'ল গ্ৰীটিংছ কাৰ্ড

■ **অঞ্জনজ্যোতি শৰ্মা**



ছ'চিয়েল মিডিয়া, ইণ্টাৰনেটৰ আগ্ৰাসনত ইতিহাস হ'ল গ্ৰীটিংছ কাৰ্ড। নতুনবৰ্ষ ওচৰ চাপি অহা তথা পুৰণি বৰ্ষটিয়ে বিদায়ী মেলাৰ প্ৰাক্কক্ষণত আপোনজনক শুভেচ্ছা প্ৰদানৰ এক মাধ্যম আছিল গ্ৰীটিংছ কাৰ্ড। নিজৰ মনৰ ভাৱ প্ৰকাশ কৰি নিজ হাতেৰে বন্ধুবৰ্গ তথা প্ৰেমিক-প্ৰেমিকাক নৱবৰ্ষৰ শুভেচ্ছা জ্ঞাপনৰ উদ্দেশ্যে কে'বাদিনো পূৰ্বৰে পৰা প্ৰিয়জনৰ বাবে কেইশাৰীমান প্ৰিয় বাক্য আৰু অনাগত বৰ্ষটি কুশল কামনাৰে গ্ৰীটিংছ কাৰ্ডৰ পৃষ্ঠাত শুভেচ্ছাবাণী লিখিছিল। দূৰত থকা আপোনজনৰ বাবে ডাকঘৰ অথবা অন্য মাধ্যমেৰে আগতিয়াকৈ প্ৰদান কৰিছিল এই শুভেচ্ছা বাৰ্তা লিখিত পত্ৰসমূহ। নিজৰ আপোনজনৰ মিঠা ভাষাৰে পঠোৱা শুভেচ্ছাবাণীৰে ভৰা। গ্ৰীটিংছ কাৰ্ডখনৰ আশাত ৰৈ আছিল প্ৰিয়জন। বিপণীত দুটকাৰ পৰা উচ্চ দাম পৰ্যন্ত উপলব্ধ আছিল এই গ্ৰীটিংছ কাৰ্ডসমূহ। ডিচেম্বৰৰ আৰম্ভণিৰে পৰা এটকা-দুটকাকৈ সাচিছিলো ধন। কিয়নো ডিচেম্বৰৰ শেষত কিনিব লাগিব আপোনজনলৈ দুখনকৈ গ্ৰীটিংছ কাৰ্ড। বিশেষকৈ যুৱ প্ৰজন্মৰ মাজত মাজত জনপ্ৰিয় আছিল এই গ্ৰীটিংছ কাৰ্ডসমূহ। একবিংশ শতিকাৰ প্ৰথম দশকলৈ গ্ৰীটিংছ কাৰ্ডৰ জনপ্ৰিয়তা আৰু চাহিদা আছিল অকল্পনীয়। কিন্তু সময়ৰ লগে লগে যেন সকলো সলনি হ'ল। সময়ৰ সোঁতত গ্ৰীটিংছ কাৰ্ডবোৰো এতিয়া যেন লুপ্ত হৈ ৰ'ল ইতিহাসৰ পৃষ্ঠাত। শুভেচ্ছাবাণী প্ৰদানৰ বাবে ব্যৱহৃত নোহোৱা হ'ল গ্ৰীটিংছ কাৰ্ডসমূহ। ইয়াৰ সলনি ফেচবুক, হোৱাটচএপ, ইনষ্টাগ্ৰাম, মেইল ইত্যাদি ছ'চিয়েল মিডিয়াই গ্ৰীটিংছ কাৰ্ডৰ স্থান দখল কৰিলে। পূৰ্বতে গ্ৰাহকে বিচাৰি ভিৰ কৰা সেই গ্ৰীটিংছ কাৰ্ডৰ বিপণীসমূহত এতিয়া উদং পৰিৱেশ। কাৰ্ডসমূহ বিচাৰি যেন এতিয়া নহা হ'ল গ্ৰাহকো। বিৰক্ত মনেৰে বিপণীসমূহৰ বিক্ৰেতাসকলেও গ্ৰীটিংছ কাৰ্ড বিক্ৰীৰ সেই জীপাল অভিজ্ঞতাবোৰ এতিয়াও সোঁৱৰাই আছে। চাহিদা বন্ধৰ লগে লগে আমদানিও বন্ধ কৰিলে এই কাৰ্ডবোৰৰ। কিয়নো ছ'চিয়েল মিডিয়াৰ যোগেদি মূহুৰ্তৰ ভিতৰতে দেশ-বিদেশৰ বন্ধু তথা আপোনজনক ফটোসম্বলিত শুভেচ্ছা প্ৰদান কৰিব পৰা হ'ল। একেসময়তে কে'বাজনো লোকক মূহুৰ্ততে পঠিয়াব পৰা হ'ল শুভেচ্ছাবাণীসমূহ। ফলত হেৰাই থাকিল গ্ৰীটিংছ কাৰ্ডৰ জনপ্ৰিয়তা। যাৰবাবে এতিয়া ছ'চিয়েল মিডিয়া, ইণ্টাৰনেটৰ আগ্ৰাসনত ইতিহাসৰ পাতত সজীৱ হৈ ৰ'ল গ্ৰীটিংছ কাৰ্ডসমূহ।

## পুনৰ যাতে নাহে ভাইৰাছ

■ **সমৰ বৰুৱা, ৰোহিত আৰ কে শৰ্মা,** ইউটিউবাৰ



সমূহ অসমবাসীক আমাৰ ইউটিউব চেনেল 'Enai olop G3' ৰ পৰা নৱবৰ্ষৰ হিয়াভৰা শুভেচ্ছা জ্ঞাপন কৰিলো। নৱবৰ্ষ বুলি আমি বহুত পৰিকল্পনা হাতত লৈছো। ডাঙৰ ডাঙৰ ইউটিউব চেনেলবোৰৰ সহযোগত আমাৰ নতুন প্ৰকল্পৰ কাম চলি আছে। অসমবাসীক নতুন কিবা দিয়াৰ উদ্দেশ্যে আমি ইউটিউবৰ বাবে নতুন ৱেব ছিৰিজৰো পৰিকল্পনা কৰি আছো। নতুন নতুন প্ৰজেক্ট কিছুমান হাতত লৈছো যিসমূহ অসমত দেখিবলৈ পোৱা হোৱা নাই। এনে কিছুমান নতুনত্ব অনাৰ চেষ্টা চলাই আছো। ক'ভিডৰ পাছত এতিয়া পুনৰ আহিছে অ'মিক্ৰন। এই ক্ষেত্ৰত যিসকলে ব্যৱসায় কৰে বা আমাৰ দৰে কনটেণ্ট ক্ৰিয়েটৰসকলৰ কথায়ে কওঁ ক'ভিড আহিলে আমাৰ কাৰণে অলপ সমস্যাৰ সৃষ্টি হয়। কিয়নো আমি ঘৰৰ পৰা ওলাব নোৱাৰো। আমাৰ কামবোৰ হৈছে বেলেগ বেলেগ ঠাইত গৈ শ্বুটিং কৰা। ক'ভিড পৰিস্থিতিত এইসমূহ বন্ধ হৈ পৰে আৰু আমাৰ ফালৰ পৰা ইউটিউবটো বন্ধ হৈ পৰে সেয়ে বিচাৰো যে দেশখন ৰোগ মুক্ত হওক। ক'ভিডৰ সেই ভয়াৱহতা পৰিস্থিতি যাতে পুনৰ নাহে, তাৰ বাবে জনসাধাৰণে ক'ভিড প্ৰট'কলসমূহ মানি চলক, মাস্ক ব্যৱহাৰ কৰক, ছেনিটাইজাৰ ব্যৱহাৰ কৰক তেতিয়া ক'ভিড বিয়পিবলৈ সুবিধা নাপায় আৰু পূৰ্বৰ অৱস্থালৈ আমি ঘূৰি যাব পাৰিম। নৱবৰ্ষটোৰ পৰা মই বিচাৰো যে এই ভাইৰাছটো পুনৰ যাতে নাহে। সকলোৱে যাতে নিজৰ নিজৰ কৰ্মসমূহ ভালদৰে কৰিব পাৰে। নৱবৰ্ষত সকলো পৰিয়ালৰ ভাল হওক, দেহমন সুস্থ থাকক। সকলোৱে যি সপোন, পৰিকল্পনা কৰিছে সেইসমূহ যাতে সফল হয় কঠোৰ শ্ৰম কৰি সেয়াই বিচাৰো।

## ২০২২ত আটাইৰে ভাল হওক, ৮৪ বছৰ বয়সত এই কামনা

■ **লাৱণ্য হাজৰিকা,** জ্যেষ্ঠ নাগৰিক



চকুৰেই দেখিলো। নিজেই গম পালো এতিয়া। মোৰ ঘৰতো ক'ভিড হৈ গ'ল। বুজন বয়সৰ পৰাই স্বাস্থ্যৰ প্ৰতি অধিক সচেতন হৈ আছো বাবেই আজিও নিজেই বজাৰ কৰি খাই আছো। ক'ভিডে মানুহক জুৰুলা কৰি গৈছে। মূল্যবৃদ্ধি হৈছে। আজি ৮৪ বছৰ বয়সতো সকলো কাম নিজেই কৰো। আগতে এক কেজি কিনা বস্তুবোৰ আজিকালি এপোৱা কিনো। কাৰণ বস্তুৰ জুই চাই দাম। সকলো বোৰ দেখি-শুনি বুজি দেখিলো যে আমাৰ গাঁৱলীয়া বনৌষধি জাতীয় খাদ্য খালে শৰীৰটো তনকীয়াল হৈ থাকে। গাড়ী মটৰতকৈ খোজ কাঢ়ি লাগে। নতুন বছৰটো আটইৰে ভাল হওক। সকলো ভালে থাকক। অতিমাৰী মহামাৰীবোৰ নাহক। দেশৰ অপায় অমঙলবোৰো নাহক। সমাজৰ আচলতে প্ৰতিজন নাগৰিকেই প্ৰতিজনৰ প্ৰতি দায়বদ্ধ হ'ব লাগে। আমি প্ৰত্যেকেই প্ৰত্যেকৰ প্ৰতি দায়বদ্ধ হ'লে বহু সমস্যাই সমাধান হৈ যায়। ২০২২ত আমি সকলোৱে যাতে শান্তিৰে পাৰ কৰিব পাৰো তাৰ বাবেই ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা।

## অসমীয়া খাদ্যই জনপ্ৰিয় হওক

■ **ভূবন চন্দ্ৰ কলিতা,** ব্যৱসায়ী



এইখন দোকান মোৰ ২০বছৰ হ'ল। নাৰিকল লাৰু তিলৰ লাডু সান্দহ পিঠা পনা আদিয়েই থাকে। এইখনেই মোৰ জীৱন। পৰিয়াল পোহপাল এইখনেৰেই দিছো। আজি ২০টা বছৰ হ'ল। বিহু বিয়া আদিৰ সময়ত মোৰ দোকানৰ বস্তুৰেই নিয়ে। আজিকালি মানুহে আমাৰ নিজা পিঠা পনাবোৰেই জোৰোনলৈও নিয়ে। নতুন বছৰত আসমীয়া সংস্কৃতিৰ হেৰাই যাবলৈ ধৰা খাদ্য সামগ্ৰী যোগান ধৰিবলৈ চেষ্টা কৰিম

## ন উদ্যমেৰে ন পৰিকল্পনা লৈ আৰম্ভ কৰিছো নৱবৰ্ষ

■ **দীপিকা কছাৰী,** অভিনেত্ৰী



২০২০-২১ত ক'ভিডে বিভিন্ন ধৰণে জুৰুলা কৰিলে। ব্যৱসায়-বাণিজ্যৰ পৰা শাৰীৰিক-মানসিকভাৱেও। তথাপি মনবোৰ ডাঠ কৰি ২০২১ বৰ্ষটোক বিদায় জনালো। ২০২২ বৰ্ষই যেন এখন মহামাৰীমুক্ত শান্তিৰ পৃথিৱী দিয়ে তাকেই আশা কৰি ন উদ্যমেৰে কিছু ন ন পৰিকল্পনা হাতত লৈ আগবাঢ়িবলৈ মন মেলিছো। শৰীৰৰ যতন ভালদৰে ল'ম যাতে কোনো মহামাৰীৰ আতিশয্যই পুনৰ জুৰুলা কৰিব নোৱাৰে তাৰ লগতে যোৱাবাৰ ক'ভিডৰ বাবে আধৰুৱা হৈ থকা কিছুমান কাম এই বছৰ সম্পূৰ্ন কৰিম বুলি মন বান্ধিছো। নতুন চিনেমা হাতত ল'ম। লগতে জন্তু প্ৰেমী হিচাপে এটা এনজিঅ' খুলিছিলো মই সেইটোৰ কামবোৰ অধিক উন্নত ৰূপত কৰিম। ইয়াৰ উপৰি সামাজিকভাৱে যিহেতু কিছু ক্ষেত্ৰত জড়িত গতিকে কিছুমান পৰিকল্পনা আছে সমাজৰ উন্নতিৰ হকে কিছুমান কাম কৰিবলৈ সেইবোৰ বাস্তৱায়িত কৰাৰ চেষ্টা কৰিম। যোৱা দুটা বছৰত বহুতো লোক ক'ভিডৰ বাবে বিভিন্ন ধৰণে জীয়াতু ভুগিছে, অৰ্থনৈতিকভাৱে কোঙা হৈ পৰিছে কিছুমান পৰিয়াল। গতিকে আমাৰ দৰে যুৱপ্ৰজন্মৰ প্ৰতি আহ্বান যে সময়ৰ উচিত ব্যৱহাৰ কৰা উচিত। ঘৰত এনেই বহি থকাতকৈ উপাৰ্জনমুখী হোৱাটো উচিত বুলি ভাবো। কামৰ কোনো সৰু-বৰ নাই গতিকে সন্মান আৰু সততা ৰাখি যিকোনো কামৰ দ্বাৰা নিজৰ উপাৰ্জন নিজেই কৰি উলিয়াব পাৰিলে অভিভাৱকসকলেও সকাহ পায়। গতিকে যুৱপ্ৰজন্মলৈ আহ্বান কৰ্মমুখী আৰু উপাৰ্জনমুখী হওক সকলো। প্ৰতিজন নাগৰিক কৰ্মমুখী হ'লে দেশ বা ৰাজ্যৰ পৰা অৰ্থনৈতিক সমস্যা আৰু নিবনুৱা সমস্যাৰ পৰা নিশ্চয় পৰিত্ৰাণ পাবলৈ সক্ষম হ'ব। কোনো জাতি ভেদৰ প্ৰভেদ নথকা এখন শান্তি আৰু সমৃদ্ধিশালী অসমৰ সপোন দেখো সদায়।

## দুৰ্নীতিমুক্ত অসম নিৰ্মাণৰ সপোন বাস্তৱ হ'ব বুলি আশা কৰিছো

■ **নীলিন্দু হাজৰিকা,** মেকআপ আৰ্টিষ্ট


দৈনিক অগ্ৰদূত বাতৰি কাকতৰ জৰিয়তে সমূহ অসমবাসীৰ লগতে অগ্ৰদূতৰ কৰ্ম-কৰ্তাসকলৰ লগতে পাঠক পাঠিকা সকলোলৈ মই নৱবৰ্ষৰ আন্তৰিক শুভকামনা জনালো। নৱবৰ্ষ ২০২২-এ সকলোৰে মংগল কৰক, সকলোৰে জীৱনলৈ সুখ শান্তি কঢ়িয়াই আনক, এই কামনা কৰিছো। ২০২২ত মই কিছু সাল-সলনিৰ মাজেৰে নিজৰ কামবোৰ আগুৱাই নিয়াৰ বাবে নিজকে প্ৰস্তুত কৰিছো। মই পেছাত এগৰাকী মেকআপ আৰ্টিষ্ট। যোৱা দুটা বছৰে মানুহৰ জীৱনলৈ ভয়াৱহ প্ৰত্যাহ্বান আনিছিল। যাৰ ফলস্বৰূপে মানুহ কৰ্মবিমূখ হ'বলৈ বাধ্য হৈছে। চৰকাৰী কৰ্মচাৰীখিনিৰ বাহিৰে ব্যৱসায় প্ৰতিষ্ঠান, শিল্পীকে ধৰি সকলোৰে কৰ্মত বিৰূপে প্ৰভাৱ পৰিছে। এগৰাকীৰ মেকআপ আৰ্টিষ্ট হিচাপে ক'ভিডৰ এই ভয়াৱহতাৰ পৰিস্থিতিত আৰ্থিক অৱস্থাৰ যি দুৰ্যোগ সেয়া মোৰ জীৱনত অভিজ্ঞতা হৈ ৰ'ব। সেই বাবে আগন্তুক ২০২২ত ক'ভিড পৰিস্থিতিক প্ৰত্যাহ্বান জনাই ঘৰতে সৰুকৈ নিজৰ কৰ্ম আৰম্ভ কৰাৰ প্ৰয়াস কৰিছো। নতুন বছৰ বুলিলেই মানুহে বহুত পৰিকল্পনা কৰে। কিন্তু যোৱা দুটা বৰ্ষত ক'ভিড সন্ত্ৰাসে সেই পৰিকল্পনা বিফল কৰিছে। মই নিজকে লৈ বহুত সপোন দেখিছো, সেই সপোনবোৰক এই নৱবৰ্ষত বাস্তৱ কৰিবলৈ যথেষ্ট প্ৰয়াস কৰিম। ক'ভিডে আমাৰ ব্যক্তিগত জীৱনতে নহয় সমাজৰ ভয়ংকৰ ক্ষতি কৰিছে। দেশৰ অৰ্থনীতি যিদৰে দুৰ্বল হৈছে সেয়া সাধাৰণ শ্ৰেণীয়ে ভুগিবলগীয়া হৈছে। এই ক্ষেত্ৰত আমাৰ শাসক-নেতাসকলে ৰাজনীতিত খেল-খেলাতকৈ সাধাৰণ নিবনুৱা শ্ৰেণীৰ সহায় কৰাটো মোৰ বোধেৰে বেছি প্ৰয়োজন। কিয়নো দেশত প্ৰজা থাকিলেহে ৰজা থাকিব। আমি নিজৰ অধিকাৰখিনি সাব্যস্ত কৰিবলৈ মাত মাতিব নোৱাৰোনে? একতাই পৰম বল। গতিকে আমি আমাৰ সমাজ, ৰাজ্য, দেশক দুৰ্নীতিমুক্ত কৰাৰ দায়বদ্ধতা লোৱা উচিত। মই যুৱ প্ৰজন্মৰ এগৰাকী প্ৰতিনিধি হিচাপে মই আমাৰ সমাজৰ প্ৰতিনিধি সকলক অনুৰোধ কৰিছো যে আমাক দুৰ্নীতিমুক্ত অসম লাগে।



**২০২২ত মই কিছু সাল-সলনিৰ মাজেৰে নিজৰ কামবোৰ আগুৱাই নিয়াৰ বাবে নিজকে প্ৰস্তুত কৰিছো। মই পেছাত এগৰাকী মেকআপ আৰ্টিষ্ট। যোৱা দুটা বছৰে মানুহৰ জীৱনলৈ ভয়াৱহ প্ৰত্যাহ্বান আনিছিল। যাৰ ফলস্বৰূপে মানুহ কৰ্মবিমূখ হ'বলৈ বাধ্য হৈছে।**

## পূৰ্বৰ পৰিস্থিতি নিবিচাৰো

■ **সম্ৰাট ডি'অন,** অভিনেতা



প্ৰথমে 'দৈনিক অগ্ৰদূত' আৰু সমূহ দেশবাসীলৈ মই আগন্তুক নৱবৰ্ষৰ হিয়াভৰা শুভকামনা যাচিলো। আশা কৰো আগন্তুক বৰ্ষটো সকলোৱে ভালে-কুশলে যাওক। বিগত দুবছৰ কৰ'না কালতেই পাৰ হ'ল । এতিয়া পুনৰ ক'ভিডৰ নতুন প্ৰজাতি অ'মিক্ৰনৰ প্ৰকোপ পৰিছে। সেয়ে সকলোৱে সতৰ্ক থাকক আৰু চৰকাৰে দিয়া ক'ভিড প্ৰ'ট'কল মানি চলক। কাৰণ আমি অহা বছৰটো পূৰ্বৰ দৰে পৰিস্থিতিৰ সৃষ্টি হোৱাটো নিবিচাৰো । সম্প্ৰতি ভাৰতৰ বহু ৰাজ্যত অ'মিক্ৰনৰ সংক্ৰমণ হৈছে। সেয়ে ভ্ৰমণ কৰিলে সম্পূৰ্ণ সতৰ্কতা অৱলম্বন কৰিব ।

## মাদক দ্ৰব্যৰ বিৰুদ্ধে যুঁজ দিবলৈ সংকল্প গ্ৰহণ কৰা উচিত

■ **ডাঃ মানবেন্দ্ৰ নায়ক,** জ্যেষ্ঠ মেডিচিন বিশেষজ্ঞ



**অতি** সম্প্ৰতি মানৱ জাতিৰ সন্মুখত প্ৰত্যাহ্বানৰূপে থিয় দিয়া ক'ভিড-১৯ক লৈ সকলোৱে শংকিত হৈ আছে। বিশেষকৈ ক'ভিডৰ নতুন প্ৰজাতিক লৈ বিশ্বৰ আন প্ৰান্তৰ লগতে অসমতো ৰাইজ শংকিত হৈছে। পিছে আমি সদায় শংকিত হৈ থাকিলে নহ'ব। এনে প্ৰত্যাহ্বানৰ মাজতে সকলোৱে নিজ নিজ কৰ্মক্ষেত্ৰত আগুৱাই যাব লাগিব। চিকিৎসক হিচাপে আগন্তুক বৰ্ষত যাতে সকলোকে উন্নত চিকিৎসা আগবঢ়াব পাৰো তাৰ বাবে যৎপৰোনাস্তি চেষ্টা চলাম। বিশেষকৈ জীৱন শৈলীজনিত ৰোগ, মেদবহুলতা আৰু মানসিক ৰোগত আক্ৰান্ত ৰোগীসকলক অধিক সতৰ্ক কৰিবলৈ সজাগতামূলক কাৰ্যসূচী হাতত ল'ম বুলি ভাবিছো। কাৰণ আজি সকলোৱে ক'ভিডৰ বাবে শংকিত হৈ থকাত বিভিন্ন সমস্যাৰ সন্মুখীন হ'বলগীয়া হৈছে। স্বাস্থ্যখণ্ডত যাতে অ'মিক্ৰনৰ প্ৰভাৱে বেছি ক্ষতিসাধন কৰিব নোৱাৰে তাৰ বাবে আমি সকলোৱে পদক্ষেপ গ্ৰহণ কৰিব লাগিব। চৰকাৰে বান্ধি দিয়া নীতি-নিয়ম আদি আখৰে আখৰে পালন নকৰিলে নতুন বছৰত ইয়াতকৈও ভয়াৱহ প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব লাগিব। ৰোগৰ চিকিৎসাতকৈ ইয়াক প্ৰতিৰোধৰ বাবেহে সকলোৱে যৎপৰোনাস্তি চেষ্টা চলাব লাগিব। পিতৃ-মাতৃয়ে সন্তানক নিচাজাতীয় দ্ৰব্যৰ পৰা কেনেদৰে আঁতৰাই ৰাখিব পাৰে তাৰ বাবে শিক্ষা দিয়াৰ প্ৰয়োজন আহি পৰিছে। এনে দ্ৰব্যৰ পৰা শৰীৰৰ কেনে অপকাৰ হ'ব পাৰে তাৰ বাবে সতৰ্ক হ'ব লাগিব। নৱবৰ্ষৰ পহিলা দিনটোতে আমি সকলোৱে এনে মাদক দ্ৰব্য আদিৰ বিৰুদ্ধে যুঁজ দিবলৈ সংকল্প গ্ৰহণ কৰা উচিত।

## বিশ্বমানৰ চিকিৎসা সেৱা আগবঢ়াবলৈ পদক্ষেপ গ্ৰহণ কৰিছো

■ **মনোজ কুমাৰ ডেকা,** মুখ্য কাৰ্যবাহী বিষয়া, আয়ুৰচূন্দ্ৰা হাস্পতাল



**নতুন** বছৰৰ পুৱাই সকলোলৈকে কঢ়িয়াই আনক ন ন আশা। সুখ-শান্তিৰে থাকিব পৰাকৈ এটা সুস্থ পৰিৱেশৰ সৃষ্টি হওক। সমগ্ৰ বিশ্বই আজি কৰ'নাৰ বাবে প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলগীয়া হৈছে। ইয়াৰ প্ৰভাৱ স্বাস্থ্যখণ্ডতো বাৰুকৈয়ে পৰিছে। চৰকাৰী-বেচৰকাৰী স্বাস্থ্যখণ্ডত পৰা এনে প্ৰভাৱৰ বাবে আজি ভৱিষ্যতক লৈ সকলোৱে সন্দিহান হৈছে। পিছে আমি হাত সাবটি বহি থাকিলে নহ'ব। এটা ঠিক যে ভাৰতৰ আন ৰাজ্যৰ তুলনাত অসমত ক'ভিডত মৃত্যু হোৱা লোকৰ সংখ্যা তুলনামূলকভাৱে কম। কিছু পৰিমাণে ক'ভিড-১৯ৰ প্ৰভাৱ হ্ৰাস পাবলৈ ধৰাৰ সময়তে কৰ'নাৰ নতুন প্ৰজাতিয়ে সমগ্ৰ বিশ্বতে ত্ৰাসৰ সৃষ্টি কৰিছে। অৱশ্যে আমি এনে পৰিস্থিতিৰ স'তে সহাৱস্থান কৰি আগবাঢ়ি যাবই লাগিব। পুনৰ সাৱধান নহ'লে ভাৰতৰ দৰে জনসংখ্যাৰ অধিক ঘনত্ব থকা দেশ এখনত এনেধৰণৰ ৰোগে ভয়াৱহ ৰূপ ধাৰণ কৰিব পাৰে। বিগত সময়ছোৱাত যিসকল লোকে কৰ'নাৰ চিকিৎসাৰ বাবে বাহিৰলৈ গৈছে তেনে ৰোগীৰ মানসিকতা সলনি কৰি অসমত চিকিৎসা গ্ৰহণ কৰিব পৰা পৰিৱেশ এটি সকলোৱে সৃষ্টি কৰিব লাগিব। সকলোৱে ৰাজ্যৰ বাহিৰলৈ গৈ চিকিৎসা কৰাৰ পৰিৱৰ্তে অসমত যাতে উন্নত ধৰণৰ চিকিৎসা সেৱা লাভ কৰিব পাৰে তাৰ বাবে অসমৰ স্বাস্থ্যখণ্ডত জড়িত সকলো লোকে পদক্ষেপ গ্ৰহণ কৰিব লাগিব। এই খণ্ডত জড়িত অগ্ৰজ-অনুজসকলে কেনেদৰে উপযুক্ত পৰিৱেশ গঢ়ি তুলিব পাৰে তাৰ বাবে সকলোকে পদক্ষেপ গ্ৰহণ কৰিবলৈ আহ্বান জনাইছো। আয়ুৰচূন্দ্ৰা হাস্পতালেও এই ক্ষেত্ৰত যাতে উন্নতমানৰ চিকিৎসা ৰোগীয়ে লাভ কৰিব পাৰে তাৰ বাবে পৰিকল্পনা গ্ৰহণ কৰিছো।

## পাৰিলে নতুন ফুল আনিম

■ **ৰাজীৱ শইকীয়া,** ব্যৱসায়ী



নতুন বছৰ বুলি আমাৰ কিনো আছে। পেটে ভাটে খোৱা জীৱন। ক'ভিডৰ সময়ত মানুহে ঘৰত আগতকৈ বেছিকৈ ফুল গছ ৰুৱলৈ লৈছিল। পিছে সাৰ আদিত দাম দিব নোখোজে। গাড়ী লৈ অহা মানুহে দাম একেবাৰেই নিদিয়ে। পদপথেৰে যোৱা মানুহে বেছিকৈ কিনে। কিন্তু ফুলৰ ব্যৱসায় কৰি জীৱন চলাবলৈ অসুবিধাও হৈছে। আমি সৰু মানুহ। আমাৰ বাবে নতুন পুৰণি বছৰ কেৱল তাৰিখ একোটাহে। আমি ডাঙৰ সপোন দেখিব নোৱাৰো । আমাৰ যে জোলোঙাটো সৰু। সদায় পুৱা হেপাঁহেৰে আহি ৰদ বৰষুণ কাটি কৰি বহি থাকো। বিয়া আদি উৎসৱৰ সময়ত ফুলৰ বিক্ৰী ভাল। তাতো গ্ৰাহকে পাঁচ-১০ টকাতে দৰদাম কৰি থাকে। পাবলগীয়া পইচাখিনি বেছি ভাগ মাৰেই যায়। বেপাৰ কৰি ভাগৰ লগা হৈছে আৰু। নতুন বছৰত নতুন কিছু ফুল আনিম বুলি ভাৱিছো। এই ঠাইতে বছৰ জুৰি আছো। ঠাই সলাবলৈ মন নাই। চাওঁচোন এনেকৈয়ে কি কৰিব পাৰো।

## সুস্থ-নিকা আৰু দুৰ্নীতিমুক্ত অসম তথা দেশ বিচাৰো

■ **হিনা খাটুন,** চিনেমা ব্যৱসায়



**নতুন** বছৰে কঢ়িয়াই আনক সুখ, শান্তি আৰু সমৃদ্ধিৰ বতৰা। তাৰেই কমনাৰে অসমবাসী লগতে 'দৈনিক অগ্ৰদূত'ৰ সকলো কৰ্ম কৰ্তালৈ ইংৰাজী নৱবৰ্ষৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলো নতুনবৰ্ষটো আৰম্ভ কৰিম এক নতুন আশাৰে এক নতুন উদীপনাৰে । কেৱল নৱবৰ্ষতো ভাল হওক বুলি আশা নকৰো, নিজে ভাল হোৱাৰ চেষ্টা কৰি এটা জীৱনৰ অন্যতম বৰ্ষ হিচাপে গঢ়ি তুলিবলৈ চেষ্টা কৰি। বিগত দুটা বৰ্ষত ক'ভিড পৰিস্থিতিয়ে বহুতো কথা শিকাই গ'ল। বহুতো প্ৰত্যাহ্বান আহিল। বহু ক্ষেত্ৰত বহুখিনি পিছপৰি গ'ল। তাৰ মাজতো পুনৰ পৰিস্থিতি নিয়ন্ত্ৰণলৈ আহিছিলহে মাত্ৰ এতিয়া আকৌ বিপদ বিয়পাইছে অ'মিক্ৰনে। এইসকলোৰৰ বাবে আমি অতি সাৱধান হোৱা উচিত। সকলোৱে পৰিষ্কাৰ পৰিচন্নতা বজাই ৰাখি মাস্ক পৰিধান কৰি সকলোবোৰ নিয়ম মানি চলিব লাগে। যাতে পুনৰ এই অ'মিক্ৰনে সন্ত্ৰাসৰ সৃষ্টি নকৰে আৰু আমাৰ সকলোৰে সপোনবোৰ বাস্তৱ হ'বলৈ বাধা নজন্মে। নৱ প্ৰজন্মৰ এগৰাকী যুৱতী হিচাপে মই এখন সুস্থ-নিকা আৰু দুৰ্নীতিমুক্ত অসম তথা দেশ বিচাৰো। নাৰী জাতিটোৰ লগত যি জঘন্য ঘটনা হৈ আহিছে সেয়া যাতে নোহোৱা হৈ এখন সুন্দৰ দেশ গঠি উঠে তাক লৈ আশাবাদী। নৱবৰ্ষত মই যুৱ প্ৰজন্মসকলক এইটো কওঁ যে আজি কালি বহুতে পঢ়ি-শুনি ঘৰতে বহি হতাশাগ্ৰস্তত ভুগিছে। সকলোৱে চৰকাৰী চাকৰিৰ পিছত দৌৰিছে। এই ক্ষেত্ৰত মই ক'ব বিচাৰো যে আজি কালি উপাৰ্জন কৰিবলৈ স্বনিৰ্ভৰশীল হ'বলৈ বহুতো পথ আছে। সেইসমূহ ব্যৱহাৰ কৰি আমি সকলোৱে নিজৰ ভৰিত থিয় হ'ব পাৰো।

## নৱপ্ৰজন্ম বিভিন্ন কঠিন চিন্তাৰ পৰা মুক্ত হওক

■ **অলিস্মিতা শইকীয়া,** গহনা শিল্পী



প্ৰথমে 'দৈনিক অগ্ৰদূত'ৰ জৰিয়তে মই সমূহ ৰাজ্যবাসীলৈ নৱবৰ্ষৰ শুকামনা যাচিলো। আগন্তুক বৰ্ষতো সকলোৰে হাঁহিৰে উপচি পৰক । মহামাৰীৰ নাশ হওক আৰু সকলো মানুহ কৰ্মমুখী হওক নতুন বছৰত মোৰ বহু পৰিকল্পনা আছে যিহেতু দুবছৰ ধৰি মই এই কামবোৰ কৰি আহিছো । ৰাইজৰ সঁহাৰিৰ বাবে ইমানখিনি কৰিবলৈ সাহসো পাইছো। নতুন নতুন থলুৱা সামগ্ৰীবোৰ যাতে ৰাইজৰ মাজত আৰু দিব পাৰো তাৰে কামনা কৰো। বৰ্তমান বিভিন্ন চিন্তাই নৱপ্ৰজন্মসকলক জুৰুলা কৰি পেলাই চাকৰিয়ে হওক বা সামাজিক মাধ্যমতে হওক এইবোৰতে অধিক সময় অতিবাহিত কৰি কাম কৰিবলৈ হেলা কৰে। আমি সদায় এটা কামতে লক্ষ্য স্থিৰ কৰিব লাগে। চাকৰিৰ কাৰণে ৰৈ নাথাকে নিজে যিটো কাম কৰি ভাল পায় তাৰেই ব্যৱসায়ে হওক বা অন্য কোনো ধাউতিৰে কৰি যাব লাগে। মই নিজৰ লগতে আন তিনিগৰাকীকো সংস্থাপন দিবলৈ সক্ষম হৈছো। নিজৰ কামৰ জৰিয়তে আমাৰ থলুৱা সম্পদসমূহকো প্ৰচাৰ কৰিব লাগে।

## আমাৰ কি নতুন বা পুৰণা

■ **হীৰেন বৰ্মন,** ব্যৱসায়ী



নতুন বছৰ বুলি আৰু কি নতুন আমাৰ। ২০ বছৰে এইখিনিতে দোকান শীতত উলৰ কাপোৰ। চুৰেটৰ টুপী স্কাৰ্ফ আদি। আন সময়ত মেখেলা চাদৰ আদি। ক'ভিডত বেপাৰ বেয়া। বজাৰত মানুহেই নাই। এনেকৈয়ে আৰু জীৱন গৈ আছে। মোৰ দোকান ধনী লোকৰ বাবে নহয় তেওঁসকলে পদপথত কাপোৰ নিকিনে। বজাৰত মূল্যবৃদ্ধি। মানুহে আৰু ক'ত নতুন কাপোৰ কিনিব। আছো আৰু। চাওঁচোন নতুন বছৰটোত আৰু অলপ সামগ্ৰী ভৰাম বুলি ভাৱিছো।

## আশা কৰো বজাৰ ভাল হওক

■ **গৌতম কলিতা,** ক্ষুদ্ৰ ব্যৱসায়ী



ক'ভিডকালীন সময়ত ককালত ৰাম টাঙোন পৰিছে। মানুহে পূজা পাতলো বাদ দিছে। অ'মিক্ৰন আহিছে। চৰকাৰে নতুন নিয়ম উলিয়ালে শেষ আমাৰ। মানুহে কেৱল খোৱা বোৱা আৰু ঔষধত টকা খৰচ কৰা হৈছে। পূজা পাতলৰ সামগ্ৰীসমূহ বিক্ৰি নহয়েই। ব্যৱহায় একদম বেয়া চলিছে। নৱেম্বত পিকনিক থাকে। বজাৰত মানুহ নায়েই। এনেয়ো বজাৰ ডাউনেই। ভবা নাই ২০২২টো ভালদৰে যাব। তথাপিও আশা কৰো ২০২২ত দুটা বছৰৰ দৰে নাযাওক। আমি সাধাৰণ মানুহখিনিয়ে সুকলমে শান্তিৰে জীয়াই থকাটোৱে লাগে। চৰকাৰেটো সাহায্য মধ্যবিত্ত শ্ৰেণীক নিদিয়ে সেয়ে ভগৱানৰ ওচৰতে প্ৰাৰ্থনা কৰো যাতে কৰুণা অ'মিক্ৰন আদি মহামাৰী নাহক আৰু পৃথিবলৈ। এনে মহামাৰীত মুৰত ৰামটঙোন পৰে সদায় সাধাৰণ জনতাৰ ওপৰত। আশা কৰো আহিব লগা বছৰটো আটইৰে সুকলমে যাওক

দেওবৰীয়া দৈনিক
অগ্ৰদূত
গুৱাহাটী, ২ জানুৱাৰী, দেওবাৰ, ২০২২ পৃষ্ঠা ১১

# সুস্বাস্থ্যৰ বাবে সংকল্প লওক



## উচ্চ ৰক্তচাপ প্ৰতিৰোধৰ বাবে নিজেই পদক্ষেপ লওক

উচ্চ ৰক্তচাপত আক্ৰান্ত লোকৰ সংখ্যা এতিয়া অস্বাভাৱিকভাৱে বৃদ্ধি পাবলৈ ধৰিছে। এয়া কেৱল কোনো এটা অঞ্চলৰ সমস্যা হৈ থকা নাই। সমগ্ৰ বিশ্বতে উচ্চ ৰক্তচাপত আক্ৰান্তৰ সংখ্যা বৃদ্ধি পোৱাৰ ফলত বহুতো লোকে অকালতে ডায়েবেটিছ, হৃদৰোগ, ষ্ট্ৰোকত আক্ৰান্ত হৈ মৃত্যুমুখত পৰিবলগীয়া হৈছে। ৰক্তচাপ সকলোৰে থাকে। কাৰণ ৰক্তচাপ অবিহনে কোনোৱে জীয়াই থাকিব নোৱাৰে। এই ৰক্তচাপ বৃদ্ধি পালেহে বিপদ। কিয়নো আধুনিক জীৱন যাপনত প্ৰায়ভাগ লোকেই বিভিন্ন কাৰণত উচ্চ ৰক্তচাপত আক্ৰান্ত হোৱাৰ ভয়াবহ ছবি এখন স্পষ্টভাৱে ফুটি উঠিছে। আগতে বয়স্ক লোকৰ এনে হোৱা দেখা গৈছিল। বিশেষকৈ ৪০ বছৰৰ পাছতহে এনে সমস্যাই গা কৰি উঠিছিল। পিছে এতিয়া অতি কম বয়সতেই এনেধৰণৰ জটিল পৰিস্থিতিয়ে গা কৰি উঠা সমস্যাই জটিল ৰূপ লৈছে। কম বয়সতে এনে সমস্যাৰ সৃষ্টি হোৱাৰ ক্ষেত্ৰত কিন্তু পিতৃ-মাতৃৰ লগতে অভিভাৱকসকলে সন্তানৰ ওপৰত এনে কিছু অস্বাস্থ্যকৰ প্ৰতিযোগিতাত সুমুৱাই দিয়ে যে ইয়াৰ পৰা লʼৰা-ছোৱালীয়ে উদ্ধাৰ পোৱাটো প্ৰায় অসম্ভৱ হৈ পৰে। এনে অঘোষিত প্ৰতিযোগিতাই কম বয়সতে উচ্চ ৰক্তচাপৰ সৃষ্টি কৰা বাবে যিবোৰ জটিল সমস্যাই গা-কৰি উঠিবলৈ ধৰিছে সেইবোৰে পৰোক্ষভাৱে কেৰিয়াৰ গঢ়াৰ ক্ষেত্ৰত প্ৰতিবন্ধকতাৰহে সৃষ্টি কৰিছে। সেইবাবে উচ্চ ৰক্তচাপৰ পৰা কেনেদৰে মুক্তি লাভ কৰিব পাৰি সেই বিষয়ে সকলোৱে কিছুমান বিষয়ত গুৰুত্ব প্ৰদান কৰিবই লাগিব। কিছু পৰিমাণে সতৰ্কতা অৱলম্বন কৰা মানেই উচ্চ ৰক্তচাপৰ পৰা হাতসৰাটো সম্ভৱ ।

### নিমখ কম পৰিমাণে খাওক

উচ্চ ৰক্তচাপ নিয়ন্ত্ৰণ কৰিবলৈ হʼলে কম পৰিমাণে নিমখ খাব লাগিব। কাৰণ নিমখত থকা ছʼডিয়াম আৰু পটাছিয়ামৰ ভিতৰত ছʼডিয়ামৰ পৰিমাণ শৰীৰত বেছি হʼলে ই ৰক্তচাপ বৃদ্ধি কৰে। আঞ্জাত নিমখ বেছি হʼলেও ক্ষতি নহয় বুলি ভাবে। দৰাচলতে নিমখ কেঁচাই খাওক অথবা আঞ্জাতেই বেছি পৰিমাণে খাওক, সেইলৈ কোনো কথা নাই। দুয়োটা ক্ষেত্ৰতেই ছʼডিয়ামৰ গুণাগুন একেই থাকিব। গতিকে ভ্ৰান্ত ধাৰণাৰ বশৱৰ্তী হৈ কেঁচা নিমখ নাখায় যদি আঞ্জাত বেছিকৈ খায় তেতিয়া হʼলেও ৰক্তচাপ বৃদ্ধি পাবই। সকলোৱে এনে ধাৰণাৰ পৰা মুক্ত হʼবই লাগিব।

### ধূমপান পৰিহাৰ কৰক

উচ্চ ৰক্তচাপৰ কাৰণৰ অন্যতম হিচাপে চিহ্নিত ধূমপানৰ অভ্যাস পৰিত্যাগ কৰিবই লাগিব। এইখিনিতে উল্লেখ কৰিব খুজিছো যে এটা চিগাৰেট সেৱনৰ সময়ত প্ৰায় সাতশবিধ পদাৰ্থৰ সৃষ্টি হয়। এইবোৰৰ কোনোটো নহয় কোনোটোৱে শৰীৰৰ ক্ষতিসাধন কৰে। তদুপৰি ৰক্তচাপ বৃদ্ধিৰ বাবেও এখন উপযুক্ত ক্ষেত্ৰ প্ৰস্তুত কৰে। সেইবাবে ধূমপায়ীসকলে এনে অভ্যাস ত্যাগ কৰিবই লাগে।

### মাদকদ্ৰব্য সেৱন নকৰিব

মাদক দ্ৰব্য সেৱনৰ পৰা আঁতৰি থকাটোৱে মংগলজনক। কাৰণ মাদক দ্ৰব্যৰ ফলত আন সমস্যাৰ লগতে ৰক্তচাপো বৃদ্ধি পায়। আজিকালি কম বয়সীয়াসকলৰ মাজতো এনে ধৰণৰ প্ৰৱণতাই গা কৰি উঠিছে। বহুতে মদ আৰু চিগাৰেট একেলগে সেৱন কৰে। দুয়োটাই সমানেই ক্ষতিকাৰক। গতিকে দুয়োবিধ একেলগে সেৱন কৰিলে শৰীৰৰ কিমান অপকাৰ হʼব পাৰে এবাৰ ভাবি চাওকচোন।

### নিয়মীয়াকৈ ব্যায়াম কৰক

যিহেতু আজিকালি প্ৰায়ভাগ লোকৰেই কায়িক শ্ৰমৰ অভ্যাস হ্ৰাস পাবলৈ ধৰিছে। এটা এলাহপূৰ্ণ জীৱনৰ ফলত প্ৰায়ভাগৰেই অতি কম বয়সতে জীৱনশৈলীজনিত ৰোগ তথা সমস্যাই গা কৰি উঠিছে। এইবোৰৰ পৰা পৰিত্ৰাণ পাবলৈ নিয়মীয়াকৈ ব্যায়াম কৰক। চহৰাঞ্চলত 'ফ্লেট সংস্কৃতিয়ে' গা কৰি উঠাত মুকলি ঠাই পাবলৈ নাই। আনকি খোজ কাঢ়িবলৈকে ঠাই নোহোৱা হৈছে। সেইবাবে নিয়মীয়াকৈ ব্যায়াম কৰাটো অতি প্ৰয়োজনীয় হৈ পৰিছে।

### খাদ্যাভ্যাস কেনে হোৱা উচিত

সুস্বাস্থ্য নিৰ্ভৰ কৰে খাদ্যাভ্যাসৰ ওপৰত। শৰীৰটোক শক্তিৰ বাবে খাদ্যৰ প্ৰয়োজন। এই খাদ্যই এজন লোকক সুস্থ কৰি ৰখাৰ লগাতে ৰোগ প্ৰতিৰোধৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰে। প্ৰতিটো অঞ্চলত খাদ্যাভ্যাস বেলেগ বেলেগ। নিৰ্দিষ্ট অঞ্চলটোৰ লোকসকলৰ বাবে সেই ঠাইত উৎপাদিত খাদ্য উপযোগী। ঘৰৰ-বাৰীত থকা শাক-পাচলি ফলমূলৰ পৰাই শৰীৰৰ বাবে প্ৰয়োজনীয় উপাদানসমূহ লাভ কৰিব পাৰি। সকলোৱে সুষম আহাৰ গ্ৰহণৰ ওপৰত গুৰুত্ব প্ৰদান কৰা উচিত। সুষম আহাৰে শৰীৰ সুস্থ কৰি ৰাখে।

### নিৰ্দিষ্ট দূৰত্ব নিয়মীয়াকৈ খোজ কাঢ়ক

আজিকালি প্ৰায়ভাগ লোকেই কʼৰবালৈ খোজকাঢ়ি গʼলে মৰ্যাদাহানি হয় বুলি ভাবে। আনকি ঘৰৰ ওচৰত থকা বজাৰলৈ গʼলেই বাহন ব্যৱহাৰ কৰে। এক-দুই কিলোমিটাৰ খোজ কঢ়াৰ কথা কল্পনাই কৰিব নোৱাৰে। কিন্তু যিসকলে কʼৰবালৈ খোজ কাঢ়ি যোৱাটো সন্মান বা মৰ্যাদা হানি কৰা বিষয় বুলি ভাবে তেওঁলোকে এটা কথা নাজানে যে খোজ নাকাঢ়িলে শৰীৰটোক বিভিন্ন ৰোগে



আক্ৰমণ কৰিবলৈ এখন উপযুক্ত ক্ষেত্ৰ লাভ কৰে। খোজ কাঢ়িলে ৰক্ত সঞ্চালন স্বাভাৱিক হয়। শৰীৰৰ বিভিন্ন অংগ-প্ৰত্যংগই কাৰ্য স্বাভাৱিকভাৱে সম্পাদন কৰিবলৈ হʼলে কোষসমূহলৈ অক্সিজেনযুক্ত তেজৰ প্ৰয়োজন। তদুপৰি যিসকল লোকে নিয়মীয়াকৈ নিৰ্দিষ্ট দূৰত্ব খোজ কাঢ়ে তেওঁলোকৰ ৰক্তচাপ বহুখিনি নিয়ন্ত্ৰণত থাকে। সকলোৱে এই অভ্যাস গঢ়ি তুলিব লাগে। আপুনি পুৱা নে গধূলি খোজ কাঢ়িছে সেইটো ডাঙৰ কথা নহয়, গুৰুত্বপূৰ্ণ বিষয়টো হʼল দিনটোৰ ভিতৰত নিৰ্দিষ্ট দূৰত্ব খোজ কাঢ়িছে নে নাই। খোজ কাঢ়িলে কেৱল ৰক্তচাপেই নিয়ন্ত্ৰণ নহয়, সমান্তৰালভাৱে শৰ্কৰা আদিও নিয়ন্ত্ৰণত থাকে। গতিকে সৰুৰে পৰাই নিয়মীয়াকৈ



খোজকঢ়াৰ অভ্যাস গঢ়ি তোলা উচিত। বেগাই খোজকাঢ়িলে সাধাৰণতে শৰীৰৰ পৰা ঘাম ওলায়। তদুপৰি কেলৰিও ব্যয় হয়। আৰামদায়ক পোছাক আৰু জোতা পৰিধান কৰি খোজকাঢ়িলে ডায়েবেটিছৰ আক্ৰান্তৰ ভৰিত আঘাত পোৱাৰ আশংকা নাথাকে।

### পৰিয়ালত উচ্চ ৰক্তচাপৰ ইতিহাস থাকিলে

পৰিয়ালত যদি কাৰোবাৰ উচ্চ ৰক্তচাপ অথবা ডায়েবেটিছ আছে তেতিয়াহʼলে আন সদস্যসকলেও সতৰ্কতা অৱলম্বন কৰা উচিত। কাৰণ পৰিয়ালৰ ইতিহাস থাকিলে যিকোনো সদস্যই নিজৰ অজ্ঞাতেই উচ্চ ৰক্তচাপত আক্ৰান্ত হʼব পাৰে। বিশেষকৈ পিতৃ-মাতৃ যদি এই ৰোগত আক্ৰান্ত তেন্তে সন্তানৰ হোৱাৰ পূৰামাত্ৰে আশংকা থাকে। কেতিয়াবা কিছুমান পৰিয়ালত এটা প্ৰজন্মৰ নাথাকিলেও যদিহে পূৰ্বতে কাৰোবাৰ আছিল তেন্তে ব্লক ব্যৱধানৰ মাজতো পৰৱৰ্তী প্ৰজন্মক আক্ৰমণ কৰিব পাৰে। পিতৃ-মাতৃৰ নাথাকিলেও যদিহে আজো ককাৰ থাকিলেও পাছৰ প্ৰজন্মৰ হোৱাৰ ইতিহাস আছে। এই ক্ষেত্ৰত সতৰ্কতাৰ প্ৰয়োজন। নিয়মীয়াকৈ যদি চিকিৎসকৰ পৰামৰ্শ গ্ৰহণ কৰে তেতিয়াহʼলে প্ৰতিৰোধ কৰাটো সম্ভৱ। আমাৰ সমাজত প্ৰায়ভাগ লোকেই বিষয়টোত গুৰুত্ব প্ৰদান নকৰি আওকণীয়া মনোভাৱৰহে গ্ৰহণ কৰে। ফলত সমস্যাটোৱে জটিল ৰূপ ধাৰণ কৰাৰ পাছতহে চিকিৎসকৰ ওচৰলৈ যোৱাৰ প্ৰৱণতা বৃদ্ধি পায়; কিন্তু ইয়াৰ পূৰ্বেই বহুতো ক্ষতিসাধন হয়।

## জীৱন শৈলীৰ পৰিৱৰ্তন কৰিবই লাগিব

অতি সম্প্ৰতি সমগ্ৰ বিশ্বতেই জীৱন শৈলীজনিত ৰোগে ভয়াবহ ৰূপ ধাৰণ কৰিব ধৰিছে। ইয়াৰ আঁৰত অৱশ্যে বিভিন্ন ধৰণৰ কাৰণ আছে। কৰ্ম জীৱনৰ ব্যস্ততাৰ বাবে বহুতে সঠিক সময়ত নাখায়। সময়মতে বিছনালৈ নাযায়। বেছি কাম কৰি অধিক উপাৰ্জনৰ বাবে দিনে-নিশাই কাম কৰে।

### ডায়েবেটিছত আক্ৰান্তৰ খাদ্য কেনে হোৱা উচিত

আজিকালি ডায়েবেটিছত আক্ৰান্ত লোকৰ সংখ্যা বৃদ্ধি পোৱাত ই উদ্বেগৰ কাৰণ হৈ পৰিছে। কাৰণ যি গতিত এই ৰোগত আক্ৰান্তৰ সংখ্যা বৃদ্ধি পাইছে সেই গতি যদি অব্যাহত থাকে তেতিয়াহʼলে ২০৩০ৰ ভিতৰত বিশ্বৰ প্ৰতিখন দেশতে ৰোগবিধে কোটি কোটি লোকৰ প্ৰাণ কাঢ়ি নিব। এই ৰোগৰ পৰা হাত সাৰিব পাৰিব যদিহে খাদ্য গ্ৰহণত সদায় সতৰ্ক হৈ থাকে। এইবিধ ৰোগৰ সʼতে খাদ্যত ওতঃপ্ৰোত সম্পৰ্ক আছে। কাৰণ কিছুমান খাদ্যত শৰ্কৰাৰ পৰিমাণ ইমানেই বেছি থাকে যে সেইবোৰ খালে ডায়েবেটিছ হোৱাৰ আশংকা বৃদ্ধি পায়। আমি যদিও নিতৌ খাদ্য গ্ৰহণ কৰো দৰাচলতে দিনটোৰ ভিতৰত সদায় কেনেধৰণৰ আহাৰ গ্ৰহণ কৰিব লাগে সেই বিষয়ে জ্ঞাত নহয়। প্ৰায়ভাগ লোকেই পুৱাই গুৰুপাকী আহাৰ গ্ৰহণৰ পৰিৱৰ্তে নিশাহে বেছিকৈ খায়। তদুপৰি কিছুমান লোকৰ প্ৰয়োজনতকৈ বেছি খাদ্য গ্ৰহণৰ প্ৰৱণতা থকা বাবেও এনে ৰোগে গা কৰি উঠে। সেইবাবে সকলোৱে খাদ্য সম্ভাৰ প্ৰস্তুত কৰোতে কিছুমান বিষয়ত গুৰুত্ব প্ৰদান কৰিব লাগে। সন্মুখত খাদ্য ৰাখিলেই খোৱাৰ অভ্যাস ত্যাগ কৰিব লাগিব। তদুপৰি এই ৰোগত আক্ৰান্ত হোৱাৰ পাছত যিবোৰ খাদ্য খাব নালাগে সেই বিষয়ে পুষ্টি বিশেষজ্ঞ আৰু চিকিৎসকৰ পৰা পৰামৰ্শ গ্ৰহণ কৰা উচিত। বহুতে ৰোগত আক্ৰান্ত হোৱাৰ পাছতো সতৰ্কতা অৱলম্বন নকৰাকৈয়ে খাদ্য গ্ৰহণ কৰে। সেই বাবে এনে ৰোগীয়ে যিবোৰ খাদ্য গ্ৰহণ কৰিব নালাগে সেইবোৰৰ বিষয়ে জানি থোৱা ভাল।

### ময়দা খোৱাৰ অভ্যাস আছে নেকি

বহুতে ময়দাৰে প্ৰস্তুত কৰা খাদ্য গ্ৰহণ কৰি ভাল পায়। আটাৰ পৰিৱৰ্তে ময়দা খোৱাৰ অভ্যাস থাকিলে সেয়া শীঘ্ৰে পৰিহাৰ কৰিব লাগিব। কাৰণ যিমানেই ৰিফাইন হয় সিমানেই এনে খাদ্য ডায়েবেটিছত আক্ৰান্তৰ বাবে বিপজ্জনক হয়। সেইবাবে ময়দা আদিৰ পৰা প্ৰস্তুত কৰা খাদ্য গ্ৰহণ নকৰাটোৱে মংগলজনক।

### ৰিফাইন তেল সম্পৰ্কে ধাৰণা

বহুতো লোকে বিশেষকৈ ডায়েবেটিছত আক্ৰান্তই ৰিফাইন তেল বেছিকৈ ব্যৱহাৰ কৰে। ভ্ৰান্ত ধাৰণাৰ বশৱৰ্তী হৈ খাদ্যসম্ভাৰ প্ৰস্তুত কৰোতে ৰিফাইন তেল ব্যৱহাৰৰ ফলত হিতে-বিপৰীত হোৱাৰ আশংকাহে থাকে।

### কাৰ্বোহাইড্ৰেটযুক্ত খাদ্য খাওক

ডায়েবেটিছত আক্ৰান্ত ৰোগীয়ে নিয়মীয়াকৈ নিৰ্দিষ্ট পৰিমাণে কাৰ্বোহাইড্ৰেটযুক্ত খাদ্য তালিকাভুক্ত কৰা উচিত। এনে ধৰণৰ খাদ্যই শৰীৰৰ বাবে প্ৰয়োজনীয় প্ৰায়ভাগ উপাদানেই যোগান ধৰিব পাৰে।

### নিশা কেতিয়া খাদ্য খাব

ডায়েবেটিছত আক্ৰান্তসকলে ভুলতেও নিশা পলমকৈ খাদ্য গ্ৰহণ নকৰিব। নিশা আঠ-ন বজাৰ ভিতৰত খাদ্য গ্ৰহণ কৰিব লাগে। কাৰণ যিমানেই .... শৰ্কৰা আদিৰ লগতে আন সমস্যাই গা কৰি উঠিব পাৰে।

### ডায়েবেটিছ ৰোগীৰ বাবে কৃত্ৰিম চেনি কিমান নিৰাপদ

আজিকালি ডায়েবেটিছ বুলি কোৱাৰ লগে লগেই বহুতে চেনি বা মিঠা বস্তু খাবলৈ বাদ দিয়ে। কাৰণ চেনি খোৱাৰ লগে লগে শৰ্কৰা বৃদ্ধি হোৱা। পিছে সকলোৱে চেনিৰ মোহ এৰিব পাৰে জানো? নিশ্চয় নোৱাৰে। তদুপৰি চেনি বিনে কিছুমান বস্তুৰ সোৱাদো নাপায়। সেইবাবে গৱেষকসকলে বিভিন্ন ধৰণৰ অধ্যয়নৰ পাছত প্ৰস্তুত কৰিছে কৃত্ৰিম চেনি। অতি সম্প্ৰতি টেবলেট অথবা কৃত্ৰিম ছুইনাৰ বজাৰত উপলব্ধ হৈছে। এনে ধৰণৰ কৃত্ৰিম প্ৰস্তুত কৰা সকলে দাবী কৰি কয় যে খাদ্যত কৃত্ৰিম চেনি মিহলালে খাওতেই মিঠা অনুভৱ কৰে যদিও শৰীৰত শৰ্কৰাৰ পৰিমাণ বৃদ্ধি নাপায়। অৰ্থাৎ ডায়েবেটিছত আক্ৰান্তসকলৰ শৰীৰত কেলৰি প্ৰৱেশ নকৰা বাবে শৰ্কৰাৰ পৰিমাণ নিয়ন্ত্ৰণত থাকিব। অৱশ্যে কৃত্ৰিম চেনি হʼল বুলিয়ে যে মোকৰা মোকৰে খাব তেনে নহয়। কিয়নো যদিও কৃত্ৰিম চেনিত কেলৰি কম থাকে বুলি কয় তথাপি বেছি খোৱাৰ লগে লগে শৰীৰে কেলৰিও বেছিকৈ লাভ কৰিব। এই খিনিতে উল্লেখ কৰিব লাগিব যে কৃত্ৰিম চেনি খোৱাৰ আগতে চিকিৎসকৰ পৰামৰ্শ গ্ৰহণ কৰিবই লাগে। কাৰণ এনে চেনি খোৱাটো কিছুমান বিষয়ৰ ওপৰত নিৰ্ভৰ কৰে।

### সুস্বাস্থ্যৰ বাবে লওক সংকল্প

নতুন বছৰত সকলোৱে কিবা নহয় কিবা সংকল্প গ্ৰহণ কৰে। পিছে সুস্বাস্থ্যৰ বাবে সতৰ্ক হʼবলৈ সংকল্প লোৱা লোকৰ সংখ্যা আঙুলিৰ মূৰত লেখিব পৰা বিধৰ। বেমাৰ হʼলে চিকিৎসকৰ ওচৰলৈ গৈ চিকিৎসা গ্ৰহণ কৰাটোৱে সুস্বাস্থ্যৰ অন্যতম উৎস বুলি ভাবে। ঔষধ খালেই বেমাৰ ভাল হয় বুলি ভবা লোকৰ সংখ্যা বেছি। পিছে শৃংখলিত জীৱন, উপযুক্ত পৰিমাণে সঠিক সময়ত আহাৰ গ্ৰহণ, ব্যায়াম, ধ্যান আদিৰ জৰিয়তে যে ৰোগ প্ৰতিৰোধ কৰিব পাৰি সেই বিষয়তহে অতি নগণ্য সংখ্যক লোকে গুৰুত্ব প্ৰদান কৰে। এই কথাটো সকলোৱে মনত ৰখা উচিত ৰোগৰ চিকিৎসাতকৈ ইয়াক প্ৰতিৰোধ কৰাটোহে অধিক গুৰুত্বপূৰ্ণ বিষয়। ৰোগ প্ৰতিৰোধৰ লগতে কেনেদৰে সুস্বাস্থ্যৰ অধিকাৰী হʼব পাৰি সেই বিষয়ে জানিবলৈ হʼলে কিছুমান বিষয়ত সকলোৱে গুৰুত্ব প্ৰদান কৰিবই লাগিব।

### শৃংখলিত জীৱনৰ বাবে সংকল্প লওক

স্বাস্থ্য ভালে ৰখাৰ ক্ষেত্ৰত শৃংখলিত জীৱনৰো যে অধিক গুৰুত্ব আছে সেই বিষয়ে বহুতেই জ্ঞাত নহয়। এগৰাকী ব্যক্তিয়ে শৃংখলিত জীৱন যাপন কৰা মানে তেওঁ খাদ্য গ্ৰহণৰ পৰা আৰম্ভ কৰি সময়ত শোৱা, নিয়মীয়াকৈ ব্যায়াম বা ধ্যান, যোগাসন কৰাৰ লগতে কাম কাজো সঠিক সময়ত সমাপন কৰে। পুৱাই উঠিয়েই প্ৰাতঃকৃত সম্পাদনৰ পাছত আহাৰ গ্ৰহণ কৰি নিজ নিজ কামৰ বাবে ওলালে চাপ হ্ৰাস পায়। তদুপৰি যেতিয়া ব্যক্তি এগৰাকীয়ে শৃংখলিত জীৱন যাপন কৰে তেতিয়া তেওঁৰ অংগ-প্ৰত্যংগসমূহেও সঠিকভাৱে কাৰ্য সম্পাদন কৰিবলৈ ধৰে।

### পুৱাই উঠাৰ অভ্যাস কৰক

পুৱাই উঠাৰ অভ্যাস কৰিব লাগিব। প্ৰায়ভাগ লোকে কৰ্মব্যস্ততা আৰু কৰ্মসূচীক দোহাই দি পুৱা পলমকৈ শোৱাপাটী ত্যাগ কৰে। পুৱাই উঠিলে শৰীৰটোৱে সতেজ অনুভৱ কৰে। কাৰণ পুৱা বায়ুমণ্ডল তুলনামূলকভাৱে কম পৰিমাণে প্ৰদূষিত হয়। গাড়ী-মটৰ, কল-কাৰখানাৰ পৰা ধোঁৱা আদি কমকৈ নিৰ্গত হয়। সেই বাবে প্ৰাতঃভ্ৰমণলৈ ওলালেও সুফল পোৱা যায়। প্ৰাতঃভ্ৰমণ কৰিলে মনটোৱে প্ৰশান্তি লাভ কৰে। তদুপৰি শৰীৰৰ অংগ-প্ৰত্যংগই স্বাভাৱিকভাৱে কাৰ্য সম্পাদন কৰিবলৈ সুযোগ পায়। আনহাতে, পুৱাই নিৰ্দিষ্ট দূৰত্ব খোজকঢ়া বাবে তেজ চলাচলৰ গতিও স্বাভাৱিক হয়। তেজ চলাচলৰ গতি স্বাভাৱিক হোৱা মানে গুৰুত্বপূৰ্ণ অংগসমূহে উপযুক্ত পৰিমাণে তেজ লাভ কৰাৰ ফলত শৰীৰটোৱে সতেজ অনুভৱ হয়।

### চাপযুক্ত হʼবলৈ চেষ্টা কৰিব লাগিব

আজিৰ পৃথিৱীত চাপমুক্ত লোক কমহে ওলাব। কম বেছি পৰিমাণে সকলোৱে চাপৰ মাজত থাকে। চাপৰ কাৰণ যিয়েই নহওক কিয় ইয়াৰ প্ৰভাৱ পিছে শৰীৰ-মনৰ ওপৰত পৰাটো নিশ্চিত। বিশেষকৈ দিনটো অধিক চাপৰ মাজেদি অতিবাহিত কৰা মানেই বিপদ। কিয়নো চাপ বৃদ্ধিৰ লগে লগে উচ্চ ৰক্তচাপ, হৃদৰোগ, ষ্ট্ৰোক আদি হোৱাৰ আশংকা থাকে। আধুনিক জীৱনশৈলীজনিত ৰোগবোৰৰ ভিতৰত এইবোৰ ৰোগৰ প্ৰকোপেই অধিক। অতি সম্প্ৰতি হৃদৰোগত আক্ৰান্ত লোকৰ সংখ্যা বৃদ্ধি পাইছে। আনহাতে, উচ্চ ৰক্তচাপত ভোগাৰ ফলত হৃদৰোগ আৰু ষ্ট্ৰোক হোৱাৰ পূৰামাত্ৰে আশংকা থাকে। তদুপৰি বেছি চাপৰ মাজত থাকিলে নিদ্ৰাহীনতাৰ সমস্যায়ো গা কৰি উঠে। আজিকালি কম বয়সীয়া সকলৰো ৰক্তচাপ বৃদ্ধি পাইছে। তদুপৰি চাপৰ বাবে আন সমস্যায়ো গা কৰি উঠে। সেইবাবে সকলোৱে চাপমুক্ত হৈ থকা উচিত।



### হাইড্ৰ'ক্ল'ৰিক এচিড বৃদ্ধিৰ কাৰণ

পাকস্থলীৰ মিউকাছ মেমব্ৰেনত অৱস্থিত পেৰাইটেল কোষে হাইড্ৰ'ক্ল'ৰিক এচিড নিঃসৰণ কৰে। এইবিধ এচিডে খাদ্যবস্তু হজম হোৱাত বিশেষ ভূমিকা গ্ৰহণ কৰা দেখা যায়। পাকস্থলীৰ আন কিছুমান কোষে গেছট্ৰিন নামৰ এবিধ হৰম'ন নিঃসৰণ কৰে, যিবিধে সচৰাচৰ হাইড্ৰ'ক্ল'ৰিক এচিডৰ ক্ষৰণ বৃদ্ধি কৰে। ইয়াৰ উপৰি ১০ নম্বৰ কাৰোনেটিক নাৰ্ভ বা ভেগাছে পাকস্থলীৰ পেৰাইটেল কোষসমূহক উদ্দীপিত কৰি বৃদ্ধি কৰে হাইড্ৰ'ক্ল'ৰিক এচিড। পাকস্থলীৰ মাষ্ট কোষৰ পৰা হিষ্টামিন নিঃসৃত হয়। এই হিষ্টামিনেও পাকস্থলীৰ পৰা হাইড্ৰ'ক্ল'ৰিক এচিডৰ ক্ষৰণ বৃদ্ধি কৰে। ইয়াৰ উপৰি যিবোৰ কাৰণৰ বাবে হাইড্ৰ'ক্ল'ৰিক এচিডৰ পৰিমাণ বৃদ্ধি পায় সেইবোৰৰ ভিতৰত অন্যতম হʼল চাহ, কফি, ধূমপান, মদ্যপান, কেলছিয়াম। আনহাতে, পাকস্থলীৰ পেৰাইটেল কোষৰ অনুপস্থিতি, খাদ্যত এচিডৰ পৰিমাণ কম থকা, তেজত চেনিৰ পৰিমাণ কম থকা, তেজত চেনিৰ পৰিমাণ হ্ৰাস পোৱা, অতিৰিক্ত পৰিমাণে চৰ্বি জাতীয় খাদ্য গ্ৰহণ কৰা, ছোমাটোটেটিন নামৰ হৰম'নবিধে গেছট্ৰিনৰ পৰিমাণ হ্ৰাস কৰে, গ্লুকাগন নামৰ হৰম'ন, পাকস্থলীৰ অস্ত্ৰোপচাৰ, পাকস্থলীৰ কেন্সাৰ ইত্যাদি।

### ভিটামিন বি-কমপ্লেক্স

এগৰাকী সুস্থ মানুহৰ বাবে দৈনিক ভিটামিন-বিৰ কিমান প্ৰয়োজন সেয়া নিৰ্ভৰ কৰে বয়স আৰু লিংগৰ ওপৰত। সাধাৰণতে একোগৰাকী প্ৰাপ্তবয়স্ক পুৰুষ-মহিলাৰ দৈনিক ক্ৰমে ১.২-২০ মিঃগ্ৰাম আৰু ১.০-১.৫ মিঃগ্ৰাম থায়ামিনৰ প্ৰয়োজন। গৰ্ভৱতী আৰু সন্তানক গাখীৰ খুৱাই থকা মহিলাক ক্ৰমে ০.২ মিঃগ্ৰাম আৰু ০.৪ মিঃগ্ৰামৰ প্ৰয়োজন হয়। আনহাতে, ৰিব'ফ্লেভিনৰ ক্ষেত্ৰত প্ৰাপ্তবয়স্ক পুৰুষ-মহিলাৰ দৈনিক ক্ৰমে ১.৩-২২ আৰু ১.০-১.৭ মিঃগ্ৰামৰ প্ৰয়োজন। গৰ্ভৱতী মহিলা আৰু দুগ্ধপোষ্য সন্তানৰ মাতৃক অতিৰিক্তভাৱে ক্ৰমে ০.২ মিঃগ্ৰাম আৰু ০.৪ মিঃগ্ৰামৰ প্ৰয়োজন। একৰ পৰা ১২ বছৰৰ



লʼৰা-ছোৱালীক ০.৬-১.০ মিঃগ্ৰাম প্ৰয়োজন। নিয়াছিনৰ প্ৰয়োজন কিমান হʼব পাৰে? প্ৰাপ্তবয়স্ক পুৰুষ-মহিলাৰ দৈনিক ১৬-২০ মিঃগ্ৰাম আৰু ১৩-২০ মিঃগ্ৰামৰ প্ৰয়োজন। গৰ্ভৱতী মহিলাৰ বাবে দুই কিলোগ্ৰাম লাগে। পাঁচ কিলোগ্ৰামৰ দৰকাৰ সন্তানক গাখীৰ খুৱাই থকা মাতৃক। ১-১২ বছৰৰ লʼৰা-ছোৱালীক ৮-১৪ মিঃগ্ৰাম, ১৩-১৫ বছৰৰ লʼৰা-ছোৱালীক ১৭ মিঃগ্ৰাম আৰু ১৩-১৮ বছৰীয়া ছোৱালীক ১৪ মিঃগ্ৰাম নিয়াছিনৰ প্ৰয়োজন। পাইৰিড'ক্সিন নিতৌ দুই মিঃগ্ৰামৰ প্ৰয়োজন হয় প্ৰাপ্তবয়স্ক লোকক। গৰ্ভৱতী মহিলা আৰু দুগ্ধপোষ্য সন্তানৰ মাতৃয়ে ওপৰঞ্চি ০.৫ মিঃগ্ৰাম খোৱাটো ভাল। কেঁচুৱাক ০.৪ মিঃগ্ৰাম আৰু লʼৰা-ছোৱালীক ০.৪-২.০ মিঃগ্ৰাম পাইৰিড'ক্সিনৰ প্ৰয়োজন। সাধাৰণতে প্ৰত্যেক মানুহকে ১০০-৩০০ মাইক্ৰ'গ্ৰাম বায়'টিনৰ দৰকাৰ। এই পৰিমাণৰ বায়'টিন অন্ত্ৰত সংশ্লেষিত হয়। দৈনিক প্ৰাপ্তবয়স্ক লোকক এশ মাইক্ৰ'গ্ৰাম, গৰ্ভৱতী মহিলাক ১৫০-৩০০ মাইক্ৰ'গ্ৰাম, দুগ্ধপোষ্য সন্তানৰ মাতৃক ১৫০-৩০০ মাইক্ৰ'গ্ৰাম, এবছৰ পৰ্যন্ত কেঁচুৱাক ২৫ মাইক্ৰ'গ্ৰাম আৰু এবছৰৰ উৰ্ধ্বৰ লʼৰা-ছোৱালীক ৫০-১০০ মাইক্ৰ'গ্ৰাম ফলিক এচিডৰ প্ৰয়োজন হয়। ভিটামিন বি$_{১২}$ৰ প্ৰয়োজন হয় এগৰাকী প্ৰাপ্তবয়স্ক লোক এক মাইক্ৰ'গ্ৰাম, গৰ্ভৱতী বা সন্তানক গাখীৰ খুৱাই থকা তিৰোতাক ১.৫ মাইক্ৰ'গ্ৰাম, আৰু এবছৰতকৈ ডাঙৰ লʼৰা-ছোৱালীক ০.৫-১.০ মাইক্ৰ'গ্ৰাম।

### বদহজম

খাদ্য গ্ৰহণত বিসংগতি হʼলেই আৰম্ভ হয় বদহজমৰ সমস্যা। প্ৰায়ভাগ লোকেই বদহজমত আক্ৰান্ত হোৱা দেখা যায়। এয়া কোনো এটা ঋতুগত সমস্যা বুলি কʼব নোৱাৰি। বছৰৰ যিকোনো সময়তে বদহজম হʼব পাৰে। অৱশ্যে তুলনামূলকভাৱে গ্ৰীষ্মকালত এনে সমস্যাই বেছিকৈ গা কৰি উঠা পৰিলক্ষিত হয়। বদহজম মূলতে খাদ্য গ্ৰহণৰ বদভ্যাস। সাধাৰণতে হজপাচ্য? খালে বদহজম হোৱাৰ আশংকা নাথাকে। যেতিয়া প্ৰয়োজনতকৈ বেছি খাদ্য গ্ৰহণ কৰা হয় তেতিয়া এনে সমস্যাই গা কৰি উঠিব পাৰে।


### উপসৰ্গসমূহ

বদহজমৰ কিছুমান বিশেষ উপসৰ্গ আছে। এইবোৰ উপসৰ্গৰ ভিতৰত অন্যতম হʼল—

- আক্ৰান্ত লোকৰ পেটটো অনবৰতে ভৰি থকাৰ দৰে অনুভৱ হয়। একো বস্তু খাবলৈ মন নাযায়।
- পেটৰ কামোৰা হʼব পাৰে।
- সাধাৰণতে আক্ৰান্ত লোকৰ জিভাত জাৰি কৰে। অৰ্থাৎ জিভাখনৰ ওপৰফালে বগা চামনিসদৃশ কিছুমান পদাৰ্থ জমা হয়।
- মাজে মাজে বমি ভাব হোৱাটো আন এক লক্ষণ।
- শৌচ স্বাভৱিকভৱে নহয়। বেছিকৈ চাপ দিলেহে সামান্য পৰিমাণে শৌচ হয়।
- শাৰীৰিকভৱে দুৰ্বলতা অনুভৱ কৰে।
- বুকুখন জ্বলাপোৰা কৰা বদহজমৰ আন এক লক্ষণ।
- কিছুমানৰ আকৌ মূৰৰ বিষো হয়।
- কেতিয়াবা দীৰ্ঘদিন বদহজমৰ সমস্যাত আক্ৰান্ত হʼলে শৰীৰৰ ওজন হ্ৰাস পাব পাৰে।
- পায়ুদ্বাৰেৰে বেছিকৈ বায়ু ওলাই থাকে।

**কাৰণসমূহ**

খাদ্য গ্ৰহণৰ ক্ষেত্ৰত সতৰ্ক নহʼলে সততে বদহজমৰ সমস্যাই দেখা দিয়ে। আজিকালি বজাৰত পোৱা ফাষ্টফুড, জাংকফুড আদি কিমান স্বাস্থ্যসন্মত সেয়া এক বিতৰ্কিত বিষয়। গুৰুপাকী আহাৰ গ্ৰহণ কৰিলেও এনে হয়। বিশেষকৈ মাছ, মাংস, কণী আদি বেছি পৰিমাণে খালে বদহজম হোৱাৰ আশংকা থাকে। সঠিক সময়ত খাদ্য গ্ৰহণ নকৰিলেও এনে হয়। কেতিয়াবা আকৌ সঠিক সময়ত আহাৰ গ্ৰহণ কৰাৰ পাছতো যদি নিশা দুপৰলৈ উজাগৰে থাকে তেতিয়াও এনে হোৱা দেখা যায়। সহজ অৰ্থত কʼবলৈ হʼলে সঠিক সময়ত উপযুক্ত আহাৰ গ্ৰহণ নকৰা, সময় মতে বিছনালৈ নোযোৱা আদিয়ে হʼল বদহজমৰ অন্যতম কাৰণ। প্ৰয়োজনতকৈ বেছি আহাৰ গ্ৰহণ কৰাটো আন এক কাৰণ বুলি কʼব পাৰি। কিছুমানে খাদ্য বেছি পৰিমাণে গ্ৰহণ কৰে লোভ সামৰিব নোৱাৰি। নিজৰ পছন্দৰ কিবা বস্তু পালেই বেছিকৈ খায়। সেই অনুপাতে পৰিশ্ৰম নকৰিলেও এনে সমস্যাই গা কৰি উঠিব পাৰে।



### ফুড প্ৰিজাৰ্ভেটিভ এডিটিভ

খাদ্য বহুদিনলৈ সংৰক্ষণ কৰিবৰ বাবে বিভিন্ন ধৰণৰ ৰাসায়নিক ব্যৱহাৰ কৰা হয়। এই ৰাসায়নিক দ্ৰব্য যদিহে সঠিক পৰিমাণে প্ৰয়োগ কৰা নহয় তেন্তে বিপদ হোৱাটো খাটাং। বহুদিনলৈ খাদ্যবস্তু নষ্ট নোহোৱাকৈ ৰাখিবৰ বাবে যিবোৰ ৰাসায়নিক ব্যৱহাৰ কৰা হয়, সেইবোৰক কোৱা হয় ফুড প্ৰিজাৰ্ভেটিভ। তদুপৰি এনে ধৰণৰ খাদ্য আকৰ্ষণীয় আৰু সুগন্ধি কৰিবলৈ বিভিন্ন ধৰণৰ ৰং আৰু গোন্ধ মিহলায়। কৃত্ৰিম ৰং আৰু গোন্ধ ব্যৱহাৰ কৰিলে ফুড এডিটিভ বুলি কোৱা হয়। বহুতৰে মনত ভ্ৰান্ত ধাৰণা আছে যে বেঙেনা, মিছামাছ, বাদাম আদিৰ লগতে জাংক ফুড আদিয়ে এলাৰ্জিৰ সৃষ্টি কৰে। এনে ধাৰণাৰ বিপৰীতে নতুন তথ্য আগবঢ়াইছে ব্ৰিটিছ গৱেষকসকলে। পৰীক্ষা-নিৰীক্ষাত লাভ কৰা তথ্য অনুসৰি বিভিন্ন ধৰণৰ খাদ্যৰ বাবে এলাৰ্জি হোৱাৰ উপৰি এলাৰ্জিৰ উল্লেখযোগ্য আন কাৰণ হʼল ফুড প্ৰিজাৰ্ভেটিভ আৰু ফৰুড এডিটিভ। শতকৰা ৩৫ ভাগৰ ক্ষেত্ৰতে দেখা যায় যে খাদ্যৰ বাবে হোৱা এলাৰ্জিৰ মূলতে এই দুয়োবিধ। আমি যিবোৰ খাদ্য দৈনন্দিন খাদ্য তালিকাত অন্তৰ্ভুক্ত কৰো তাৰ পৰা মাত্ৰ পাঁচ শতাংশৰহে ফুড এলাৰ্জি হয়। অৰ্থাৎ প্ৰকৃতিৰ বুকুৰ পৰা লাভ কৰা খাদ্যৰ পৰা এলাৰ্জি হয়। তাৰ তুলনাত তেনে খাদ্য সংৰক্ষণ কৰাৰ পাছতহে এনে প্ৰৱণতা বৃদ্ধি হয়। দুয়োবিধ খাদ্যক কেন্দ্ৰ কৰি মানুহৰ মনত যি ধাৰণাই বাহ লৈছিল, সময়ৰ লগে লগে ধাৰণা সলনি হʼবলৈ ধৰিছে। এতিয়া যুৱ প্ৰজন্মৰ মাজত ফাষ্ট ফুড বা জাংক ফুডৰ চাহিদা অধিক। আগতে প্ৰস্তুত কৰি পেকেটৰ ভিতৰত সংৰক্ষণ কৰি থোৱা খাদ্যৰ প্ৰতিহে আগ্ৰহী। এনে খাদ্য সাধাৰণতে টিন অথবা প্লাষ্টিকৰ পেকেটতহে সংৰক্ষণ কৰা হয়। প্ৰতিযোগিতাৰ যুগত কোনোৱে সময়ৰ অপচয় কৰিব নোখোজে। সেইবাবে এনে খাদ্য গ্ৰহণ কৰিয়ে লাভ কৰে আত্মতুষ্টি। যিমানেই এনে ধৰণৰ খাদ্যৰ চাহিদা বৃদ্ধি পাইছে সিমানেই ফুড এলাৰ্জিও বৃদ্ধি হৈছে। বিভিন্ন তথ্যই এই কথাকে প্ৰমাণ কৰিছে। ফুড প্ৰিজাৰ্ভেটিভৰ পৰা হোৱা এলাৰ্জিৰ অন্যতম কাৰণ হʼল পেকিং কৰা খাদ্য। এইবোৰ খাদ্য বহুদিনলৈ নষ্ট নোহোৱাকৈ ৰাখিবলৈ ভাইটেলিন, ৰেভোমিউকয়েড, লিভেন্টিন আদি ব্যৱহাৰ কৰা হয়। সেইবোৰ উপাদানক গোপন উপাদান হিচাপেই সকলোৱে আখ্যা দিয়ে।

**ভিটামিনৰ পাৰ্শ্বক্ৰিয়া**

ভিটামিন 'এ'ৰ আধিক্যৰ বাবে মূৰৰ বিষ, ওকালি ভাব, ভোক নলগা, ছালত অসহ্য খজুৰতি, ভৰিৰ হাড় ফুলা আদি সমস্যা দেখা দিব পাৰে। যদিও ভিটামিন 'এ'ৰ অভাৱত কুকুৰি কণা আদি ৰোগ হয় তথাপি এনে ভিটামিন গ্ৰহণৰ ক্ষেত্ৰত সতৰ্কতা অৱলম্বন কৰিব লাগে। শৰীৰৰ বাবে আন এবিধ প্ৰয়োজনীয় উপাদান হʼল ভিটামিন 'ডি'। অৱশ্যে যিসকলে দীৰ্ঘদিন এনে ধৰণৰ ভিটামিন ব্যৱহাৰ কৰে তেওঁলোকৰ পাৰ্শ্বক্ৰিয়াৰ ফলত বমি হয়, ওকালি ভাব হোৱাৰ লগতে টোপনি বেছি হয়। আনহাতে, কোষ্ঠকাঠিন্যৰ সমস্যায়ো গা কৰি উঠে। এনে লোকৰ স্বভাৱ খিংখিঙীয়া হʼবলৈ ধৰে। অত্যধিক ভিটামিন 'ডি' গ্ৰহণৰ বাবে ৰেনেল ফেইলিউৰ পৰ্যন্ত হোৱাৰ আশংকা থাকে। ভিটামিন 'ই'ৰ ক্ষেত্ৰত আকৌ অন্য ধৰণৰ পাৰ্শ্বক্ৰিয়া ফুটি উঠে। এইবিধ ভিটামিন দীৰ্ঘদিন ব্যৱহাৰ কৰিলে ছিৰাম লিপিডৰ পৰিমাণ বৃদ্ধি পাবলৈ ধৰে। ৰক্ত সঞ্চালনৰ ক্ষেত্ৰতো স্বাভাৱিক প্ৰক্ৰিয়াত ব্যাঘাত জন্মে। সাধাৰণতে দৈনিক ১০-১২ মিলিগ্ৰাম ভিটামিন 'কে' গ্ৰহণ কৰিলে বিশেষ ক্ষতি হোৱাৰ আশংকা নাথাকে যদিও দীৰ্ঘদিন ব্যৱহাৰ কৰাৰ ফলত শিশুৰ জণ্ডিচ, হিমোলাইটিক এনিমিয়া আৰু মস্তিষ্কৰ স্থায়ী ক্ষতি হʼব পাৰে। ভিটামিন 'চি' বেছি পৰিমাণে খালে চৰ্মৰোগৰ সমস্যাই গা কৰি উঠা দেখা যায়। বিশেষকৈ বেছি পৰিমাণে ভিটামিন 'চি' খালে ছালত চকলা চকল হৈ খজুৱাবলৈ আৰম্ভ কৰে।

ওদালগুৰিৰ ভিন্ন প্ৰান্তত আৰক্ষী-পৰিবহণ বিভাগৰ মাৰাথন অভিযান

# ৩.১৩ লাখ টকাৰ জৰিমনা, ২৪১টা গোচৰসহ ৭০ খন অনুজ্ঞাপত্ৰ বাতিল

**বিশেষ সংবাদদাতা,**
**ওদালগুৰি ১ জানুৱাৰী ঃ** দুৰ্ঘটনা ৰোধৰ স্বাৰ্থত ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশৰ পাছতে পূৰ্বতকৈ অধিক তৎপৰ হৈ পৰিছে ওদালগুৰি জিলা পৰিবহণ বিভাগ। চলিত ডিচেম্বৰৰ ভিতৰতে ওদালগুৰি জিলা পৰিবহণ বিভাগটোৱে ওদালগুৰি জিলাৰ ভিন্ন প্ৰান্তত আইন ভংগকাৰী চালকৰ বিৰুদ্ধে অভিযান চলাই আজি পৰ্যন্ত ২৪১ টাকৈ গোচৰ পঞ্জীয়ন কৰাৰ লগতে ৭০ খনকৈ চালকৰ অনুজ্ঞাপত্ৰ বাতিল কৰিছে। এই অভিযানকালত বিভাগটোৱে এটা মাহতে ৩.১৩ লাখ টকাৰ জৰিমনা সংগ্ৰহ কৰাৰ তথ্য জিলা প্ৰশাসনে সংবাদ মাধ্যমক অৱগত কৰে। উল্লেখ্য যে ৰাজ্যৰ মুখ্যমন্ত্ৰীজনৰ নিৰ্দেশৰ পাছতে এইবাৰ পুনৰ কঠোৰ হৈ পৰিছে পৰিবহণ বিভাগ। বিশেষকৈ সমাগত ৩১ ডিচেম্বৰত যাতে অনাকাংক্ষিত পথ দুৰ্ঘটনাত কোনো লোকৰ প্ৰাণহানি নহয় তাৰ প্ৰতি লক্ষ্য ৰাখি পৰিবহণ বিভাগটোৱে বিগত ১০ দিন ধৰি ৰাইজৰ মাজত সজাগতা চলোৱাৰ লগতে আইন উলংঘাকাৰীৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিছে। সমান্তৰালভাৱে ওদালগুৰিৰ পৰা ভৈৰৱকুণ্ড বনভোজস্থলীলৈ যোৱা পথৰ ওপৰত তীক্ষ্ণ নজৰ ৰাখিছে জিলা আৰক্ষী বিভাগৰ লগতে পৰিবহণ বিভাগটোৱে। বিগত বৰ্ষবোৰত উক্ত পথছোৱাত সংঘটিত পথ দুৰ্ঘটনাত একাধিক লোকৰ প্ৰানহানি হোৱাৰ প্ৰতি লক্ষ্য ৰাখি মদ্যপান কৰি বাহন চলোৱাৰ বাবেই গৰিষ্ঠসংখ্যক দুৰ্ঘটনা সংঘটিত হোৱাৰ তথ্য লাভ কৰিছে পৰিবহণ বিভাগে। ফলস্বৰূপে আজি ওদালগুৰি আৰক্ষী, পৰিবহণ বিভাগ আৰু জিলা আইন সেৱা প্ৰাধিকাৰীৰ উদ্যোগত ওদালগুৰি-ভৈৰৱকুণ্ড পথৰ কাঁহিবাৰীত এক বিশেষ অভিযান আৰম্ভ কৰে বিভাগকেইটাই। অভিযানত হেলমেট পৰিধান নকৰা, ছিটবেল্ট নলগোৱা তথা নথি অবিহনে বাহন চলোৱা আৰু সুৰাসক্ত চালকৰ বিৰুদ্ধে একাধিক গোচৰ পঞ্জীয়নৰ লগতে আইন সেৱা প্ৰাধিকৰণৰ উদ্যোগত অনুষ্ঠিত লোক আদালতত উক্ত গোচৰসমূহ নিষ্পত্তিৰ ব্যৱস্থা কৰে। আজিৰ অভিযানত উপস্থিত থাকি জিলা অতিৰিক্ত আৰক্ষী অধীক্ষক বিদ্যুৎ দাস বড়োৱে সাংবাদিকৰ সন্মুখত মন্তব্য ১৩ পৃষ্ঠাত চাওক

## ৪৯৯ নম্বৰ ভূমকী প্ৰাথমিক বিদ্যালয়ৰ ক্ৰীড়া প্ৰতিযোগিতাৰ সামৰণি

**অগ্ৰদূত বাৰ্তা**
**গৰুভাষা, ১ জানুৱাৰী ঃ** বিটিআৰৰ সদৰ কোকৰাঝাৰ চহৰৰ নিকটৱৰ্তী ৪৯৯ নম্বৰ ভূমকী প্ৰাথমিক বিদ্যালয়ত যোৱা ২৭ ডিচেম্বৰৰ পৰা আৰম্ভ হোৱা বাৰ্ষিক ক্ৰীড়া প্ৰতিযোগিতাৰ যোৱা ৩০ ডিচেম্বৰত সামৰণি পৰে। বাৰ্ষিক ক্ৰীড়া প্ৰতিযোগিতাৰ লগত সংগতি ৰাখি এক বঁটা বিতৰণী সভা অনুষ্ঠিত হয়। সভাত সমবেত লোকসকলক সম্বোধন কৰি প্ৰাক্তন প্ৰধান শিক্ষক ঋষিমোহন নাথে কয় যে আজিকালি অধ্যয়নৰ লগতে ক্ৰীড়াৰ যথেষ্ট গুৰুত্ব আছে, সেয়েহে শিক্ষাৰ্থীসকলে ক্ৰীড়াক নিযুক্তিৰ মাধ্যম হিচাপে গঢ়ি তুলিব পাৰে আৰু লগতে ক্ৰীড়াৰে নিজৰ সুনাম গঢ়ি তুলিব ১৩ পৃষ্ঠাত চাওক

# প্ৰদীপ কুমাৰ শৰ্মাৰ ‘বেদীৰ পৰা বধ্যভূমি’ গ্ৰন্থ উন্মোচন

**গুৱাহাটী, ১ জানুৱাৰী ঃ** চিন্তামূলক আৰু তথ্যসমৃদ্ধ লেখাৰে ৮০ দশকৰ পৰা অসমৰ বিভিন্ন বাতৰি কাকত, আলোচনী আদিত নানা লিখনিৰে পঢ়ুৱৈ সমাজত সমাদৃত হোৱা প্ৰদীপ কুমাৰ শৰ্মাৰ সদ্য প্ৰকাশিত ‘বেদীৰ পৰা বধ্যভূমি’ গ্ৰন্থখন আজি ‘অগ্ৰদূত’ ভৱনৰ ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা প্ৰেক্ষাগৃহত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানৰ মাজেৰে উন্মোচন কৰা হয়। অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, বিশিষ্ট সাহিত্যিক-সাংবাদিক কনকসেন ডেকাই গ্ৰন্থখন উন্মোচন কৰি কয়, ‘এনে এখন তথ্যগধুৰ গ্ৰন্থ অসমীয়া সাহিত্য জগতলৈ আগবঢ়োৱা বাবে



লেখক শৰ্মাৰ শলাগৰ পাত্ৰ।’ ভাষণত প্ৰবীণ সাংবাদিক ডেকাই নাৰীক কিছুসংখ্যক পুৰুষে অৱদমিত কৰি ৰখাৰ বাবেই সতীদাহ প্ৰথাৰ প্ৰচলন আমাৰ ভাৰতবৰ্ষত প্ৰাক্- স্বাধীনতাৰ সময়ত কিমান বিভৎস আছিল, মনুৱে নাৰীক ‘পথে নাৰী বিবৰ্জিতা’ আদি নানা আখ্যা দিয়াৰ কথাও উল্লেখ কৰে। অনুষ্ঠানত লেখক প্ৰদীপ কুমাৰ শৰ্মাই গ্ৰন্থখনৰ বিষয়বস্তু যদিও নাৰীকেন্দ্ৰিক, তথাপি সমাজৰ তদানীন্তন চিন্তা-চৰ্চাৰ আভাস ১৩ পৃষ্ঠাত চাওক

## কোকৰাঝাৰৰ উপায়ুক্তলৈ কেন্দ্ৰীয় চৰকাৰৰ স্বৰ্ণ পদক

**অগ্ৰদূত বাৰ্তা**
**কোকৰাঝাৰ, ১ জানুৱাৰী ঃ** কোকৰাঝাৰ জিলা উপায়ুক্ত বৰ্ণালী ডেকাই নতুন বছৰৰ প্ৰাক্‌ক্ষণত জিলাখনৰ লগতে ৰাজ্যখনলৈ কঢ়িয়াই আনিছে সুনাম। গোৱালপাৰা জিলাৰ উপায়ুক্ত হিচাপে কৰ্মৰত অৱস্থাত উদ্ভাৱন কৰা গ’লমাৰ্ট প্ৰকল্পৰ বাবে বৰ্ণালী ডেকাক চৰকাৰৰ কৰ্মচাৰী, ৰাজহুৱা আৰু পেঞ্চন মন্ত্ৰালয়ৰ প্ৰশাসনিক সংস্কাৰ আৰু ৰাজহুৱা অভিযোগ বিভাগে প্ৰথম শ্ৰেণী শাখাৰ এক্সিলেন্স ইন গভৰ্মেণ্ট প্ৰচেছ ৰিইঞ্জিনিয়াৰিং ফৰ ডিজিটেল ট্ৰেন্সমেচন শিতানত স্বৰ্ণ পদকৰ বাবে ১৩ পৃষ্ঠাত চাওক

নৱবৰ্ষৰ প্ৰথমটো দিনত ইতিবাচক বাৰ্তাৰে পদযাত্ৰা কৰি গহপুৰত উপস্থিত দৰঙৰ যুৱক

# প্ৰকৃতি সুৰক্ষা, ৰক্তদানৰ সজাগতাৰে গৌৰী শংকৰ কলিতাৰ পদযাত্ৰা

**অগ্ৰদূত বাৰ্তা**
**গহপুৰ, ১ জানুৱাৰী ঃ** ইংৰাজী নৱবৰ্ষৰ প্ৰথমটো দিনত প্ৰকৃতি সুৰক্ষা, জীৱনৰ সুৰক্ষা আৰু ‘ৰক্তদান, মহান দান’ শীৰ্ষক বাৰ্তাৰে দৰং জিলাৰ পৰা পদযাত্ৰা আৰম্ভ কৰা এজন যুৱক আজি উপস্থিত হয় গহপুৰত। দৰং জিলাৰ দুনীৰ নিবাসী তথা ‘প্ৰকৃতি বন্ধু’ৰূপে খ্যাত গৌৰীশংকৰ কলিতা নামৰ এইজন যুৱকে যোৱা ২৪ ডিচেম্বৰত দৰং জিলাৰ আৰক্ষী অধীক্ষক সুশান্ত বিশ্ব শৰ্মাৰ পৰা অনুমতি লৈ আৰক্ষী অধীক্ষকৰ কাৰ্যালয়ৰ পৰা আৰম্ভ কৰিছিল এই পদযাত্ৰা। উল্লেখ্য যে প্ৰকৃতিক সুৰক্ষা প্ৰদানৰ লগতে ৰক্তদানে কিদৰে এজন মৃত্যুমুখী লোককো জীৱন দান দিব পৰে সেই বিষয়ে ৰাইজৰ মাজত সজাগতা সৃষ্টিৰ বাবে গৌৰী শংকৰ কলিতাই উক্ত পদযাত্ৰা আৰম্ভ কৰিছে। ক’ভিডকালীন পৰিস্থিতিত



বহু ৰোগীয়ে কিদৰে অক্সিজেনৰ বাবে হাহাকাৰ কৰিছিল সেই কথা মৰ্মে মৰ্মে উপলব্ধি কৰাৰ সমান্তৰালকৈ চিকিৎসালয়ত চিকিৎসাধীন ৰোগীয়ে এটোপাল ৰক্তৰ বাবে হাহাকাৰ কৰিব লগা হোৱা পৰিস্থিতিৰ বিষয়ে অসমবাসীৰ মাজত সজাগতা সৃষ্টিৰ লক্ষ্যৰে গৌৰী শংকৰে এই অভিযান আৰম্ভ কৰিছে। পদযাত্ৰাটোৰ জৰিয়তে গৌৰী শংকৰে অসমৰ ৩৪খন জিলাত ঘূৰি ৰাইজক প্ৰকৃতি সুৰক্ষাৰ ক্ষেত্ৰত আমাৰ কৰণীয় আৰু ৰক্তদানৰ গুৰুত্ব, মহত্তৰ বিষয়ে সজাগতা সৃষ্টি কৰাৰ প্ৰয়াস কৰা বুলি তেওঁ কয়। আজি পুৱা গহপুৰত উপস্থিত হোৱা গৌৰী শংকৰক গহপুৰ আৰক্ষী থানাৰ এটি দলে বিশ্বনাথ জিলাৰ পূব সীমা হাৰাজানলৈকে আগবঢ়াই দিয়ে।

# শুৱালকুছিৰ বিশাল ব্ৰহ্মপুত্ৰৰ সেউজ বালিচৰত দ্বি-শতাধিক বনভোজ দলে আদৰিলে নৱবৰ্ষক

■ ডিজিত বজোৱা গীতৰ তালে তালে কৰা নৃত্যই মুহিলে সকলোকে

**অগ্ৰদূত বাৰ্তা**
**শুৱালকুছি, ১ জানুৱাৰী ঃ** নৱবৰ্ষৰ আজি প্ৰথম দিনটোত এক উখল মাখল পৰিৱেশৰ সৃষ্টি হয় পূৰ্বৰ মানচেষ্টাৰ বস্ত্ৰনগৰী হিচাপে খ্যাত শুৱালকুছি। শুৱালকুছিৰ ব্ৰহ্মপুত্ৰৰ সেউজ বালিচৰত আজি পুৱাৰে পৰা শুৱালকুছিৰ উপৰিও ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰ লগতে ইয়াৰ পাৰ্শ্বৱৰ্তী অঞ্চলৰ প্ৰায় দ্বি-শতাধিক বনভোজ দল উপস্থিত হয়। ইংৰাজী নতুন বছৰটো আদৰাৰ বাবে এই দলসমূহ উপস্থিত হৈ যথেষ্ট আনন্দ-উল্লাস কৰা পৰিলক্ষিত হয়। প্ৰতিটো দলে ৰন্ধা কাৰ্যত জড়িত হৈ পৰাৰ লগতে লগত অনা ডিজি বজাই নাচ গান কৰি আনন্দত মতলীয়া হৈ পৰে। সৰু সৰু ল’ৰা-ছোৱালীসকলে বিভিন্ন খেলা ধুলাত অংশ লৈ মনৰ আনন্দ প্ৰকাশ কৰে। বিশেষকৈ শুৱালকুছিৰ এ চি চি ফিল্ডত বনভোজ দলৰ সংখ্যা সৰ্বাধিক হয়। সন্ধিয়া দলসমূহ উভতি যোৱাৰ পাছত শুৱালকুছিৰ সমগ্ৰ পৰিৱেশটো নিজম হৈ পৰে। উল্লেখ্য যে প্ৰতি বছৰে ইংৰাজী নতুন বছৰৰ প্ৰথম দিনটোত শুৱালকুছিত এনেদৰে বনভোজ দলৰ সমাগম হয়। শুৱালকুছিৰ প্ৰায় পৰিয়ালে ইয়াত অংশ লৈ এক বেলেগ অনুভূতি লাভ কৰে।

# চিৰাঙত পৰ্যটনৰ বাটেৰে যুৱকৰ আত্মনিৰ্ভৰশীলতাৰ পদক্ষেপ

**অগ্ৰদূত ব্যুৰ’**
**ৰঙাইগাঁও, ১ জানুৱাৰী ঃ** বিগত বৰ্ষৰ ২৭ জানুৱাৰীত স্বাধীন বড়োলেণ্ড দাবীৰে সংগ্ৰাম কৰি অহা এনডিএফবিৰ চাৰিটা গোটৰ লগতে এবছু আৰু আন দল-সংগঠনৰ প্ৰতিনিধিৰ উপস্থিতিত নতুন দিল্লীত স্বাক্ষৰিত বড়ো শান্তি চুক্তিৰ জৰিয়তে বিটিচিত শান্তি প্ৰতিষ্ঠা হোৱাৰ পাছতে ভাৰত ভূটান সীমান্ত অঞ্চলত যুৱ সমাজে আত্মনিৰ্ভৰশীল হোৱাৰ লক্ষ্যৰে অৰ্থনৈতিক উন্নয়নত গুৰুত্বাৰোপ কৰিছে। এই উদ্দেশ্য আগত ৰাখি এইবাৰ চিৰাং জিলাৰ উত্তৰাঞ্চলৰ বেংতল, টুক্ৰাঝাৰ নিকটৱৰ্তী নিজলাগুৰিত অৱস্থিত বনভোজস্থলী মুকলি হোৱাত সম্প্ৰতি



উক্ত ঠাইত বিভিন্ন বনভোজ দলৰ আগমনে অঞ্চলটোৰ যুৱ সমাজলৈ অৰ্থনীতিৰ বুনিয়াদ নামি আহিছে। কমেও পাঁচখন গাঁওৰ ৬০গৰাকী যুৱকে নিজলাগুৰি শ্লুইজ গেট অঞ্চলত গঢ়ি তুলিছে পৰ্যটনস্থলী। চিৰাং জিলাখনৰ মাজেৰে ভূটানৰ পৰা নামি আই নৈৰে বৈ অহা স্বচ্ছ শীতল পানী, প্ৰাকৃতিক সৌন্দৰ্যৰ মাজত দিনটো কটাৰ ১৩ পৃষ্ঠাত চাওক

# শুৱালকুছিৰ সেউজ বালিচৰত আত্মসহায়ক গোটৰ সন্মিলিত শীত সমাৰোহ

## জাতীয় সংগীত ভুলকৈ পৰিবেশন কৰাত ৰাজহুৱাকৈ ক্ষমা বিচাৰিলে আয়োজক সমিতিয়ে

**অগ্ৰদূত বাৰ্তা**
**শুৱালকুছি, ১ জানুৱাৰী ঃ** অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান লগতে শুৱালকুছি উন্নয়ন খণ্ড প্ৰকল্প পৰিচালনা শাখাৰ অন্তৰ্গত আশাদ্বীপ আৰু মহাবাহু মণ্ডল সংগঠনৰ সৌজন্যত শুৱালকুছি বালিচৰত দুদিনীয়া পৰিক্ৰমাৰে অনুষ্ঠিত হয় সন্মিলিত শীত সমাৰোহ। আত্মসহায়ক গোটৰ মহিলাসকলে উৎপাদন তথা নিজ হাতেৰে প্ৰস্তুত কৰি ওলোৱা বিভিন্ন সামগ্ৰী বিক্ৰী কৰাৰ উদ্দেশ্যৰে অনুষ্ঠিত কৰা সমাৰোহত অংশগ্ৰহণ কৰে প্ৰায় অৰ্ধশতাধিক আত্মসহায়ক গোটৰ মহিলাসকলে। ৪০খন বিপণীত লাড়ু-পিঠাকে ধৰি গোটৰ মহিলাসকলে নিজ হাতে উৎপাদন কৰা সামগ্ৰীসমূহ বিক্ৰী কৰে। যোৱা দুদিন ধৰি বিপণীসমূহত গ্ৰাহকৰ লানিনিছিগা সোঁতে গোটৰ মহিলাসকলক উৎসাহিত কৰে। চৰকাৰে প্ৰদান কৰা অনুদানৰে মহিলাসকল যে বজাৰ দখল কৰিব পৰাকৈ নিজকে সাজু কৰি তুলিছে সন্মিলিত শীত সমাৰোহে প্ৰমাণ কৰিছে বুলি ৰাইজে মতপোষণ কৰে। দৰাচলতে, অসম ৰাজ্যিক গ্ৰামীণ অভিকৰণ অভিযানৰ শুৱালকুছি উন্নয়ন খণ্ডৰ আশাদ্বীপ আৰু মহাবাহু গাঁও সংগঠনৰ সহযোগত অঞ্চলটোৰ আত্মসহায়ক গোটৰ মহিলাসকলে উৎপাদন তথা নিজ হাতেৰে প্ৰস্তুত কৰি ওলোৱা বিভিন্ন সামগ্ৰী বিক্ৰী কৰাৰ উদ্দেশ্যে অনুষ্ঠিত কৰা হৈছে সন্মিলিত শীত সমাৰোহ। শীত সমাৰোহত নিজ নিজ আত্মসহায়ক গোটে উৎপাদন কৰা সামগ্ৰী বিক্ৰীৰ বাবে পুৱাতে আহি ভিৰ কৰেহি বহু মহিলাই। আনহাতে, অনুষ্ঠানৰ আৰম্ভণিতে পৰিবেশন কৰা জাতীয় সংগীতটো ভুলকৈ পৰিৱেশন কৰাত সমগ্ৰ অঞ্চলত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে।

## দক্ষিণ ৰঙিয়া প্ৰেছ ক্লাবত ‘স্তব্ধ প্ৰহৰ’ উন্মোচন

**অগ্ৰদূত বাৰ্তা**
**কনিহা, ১ জানুৱাৰী ঃ** বিগত ক’ভিডকালীন সময়ছোৱাৰ বিভিন্ন আলোক চিত্ৰ সম্বলিত ভিডিঅ’ ‘স্তব্ধ প্ৰহৰ’ আজি সন্ধিয়া ডিমুৰ দক্ষিণ ৰঙিয়া প্ৰেছ ক্লাবত আনুষ্ঠানিকভাৱে উন্মোচন কৰে সাংবাদিক পেঞ্চনাৰ কৃষ্ণকান্ত কলিতাই। ভাষণত কলিতাই কয় যে স্তব্ধ প্ৰহৰত কেৱল স্থিৰচিত্ৰৰ উপৰি বিভিন্ন ভিডিঅ’ আৰু ফটোৰ বৰ্ণনা প্ৰকাশ কৰিলে অধিক আকৰ্ষণীয় হোৱাৰ স্থল আছিল। অনুষ্ঠানত ডোৰক আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া আমানুৰ ৰহমান আৰু সদৌ অসম ছাত্ৰ সন্থাৰ সহকাৰী সাধাৰণ সম্পাদক ধৰ্মেশ্বৰ দাসে অংশগ্ৰহণ কৰে। লেখক প্ৰশান্ত কুমাৰ চৌধুৰীয়ে প্ৰস্তুত কৰি উলিওৱা ভিডিঅ’ উন্মোচনী অনুষ্ঠানটোৰ আঁত ধৰে সাংবাদিক অজন্ত চৌধুৰীয়ে।

# শান্তি-সম্প্ৰীতিৰ আদৰ্শ হওক বিটিআৰ শিল্পী সমাজ একত্ৰিত হোৱাৰ প্ৰয়োজন আছে

ৰাজ্যবাসীলৈ নৱবৰ্ষৰ শুভেচ্ছা ছাত্ৰ নেতা দ্বিপেন বড়ো, শিল্পী ৰবিৰাম ব্ৰহ্মৰ

**বিশেষ সংবাদদাতা**
**ওদালগুৰি ১ জানুৱাৰী ঃ** ‘শান্তি-সম্প্ৰীতি, ভ্ৰাতৃত্ববোধেৰে আদৰ্শ হওক বিটিআৰ। অঞ্চলটোত পূৰ্বৰ সেই কণ্টকময় দিনবোৰ পৰিসমাপ্তি ঘটি নতুন দিগন্তৰ সূচনা হৈছে। এই ধাৰা অব্যাহত থকাটো মনে-প্ৰাণে কামনা কৰিছো।’ এই মন্তব্য নিখিল বড়ো ছাত্ৰ সন্থা চমুকৈ এবছুৰ কেন্দ্ৰীয় সভাপতি দ্বিপেন বড়োৰ। সমূহ অসমবাসী ৰাইজক তেওঁ নৱবৰ্ষৰ ওলগ জনাই আগন্তুক বৰ্ষটো সকলোৰে বাবে সুন্দৰ হোৱাৰ কামনা কৰে। বিটিআৰ সন্দৰ্ভত তেওঁ মন্তব্য কৰি কয়, ‘আগন্তুক দিনত শিক্ষা-সংস্কৃতি-অৰ্থনীতি এই সকলো দিশতে দেশৰ ভিতৰতে আদৰ্শ হিচাপে আগুৱাই যাওঁক বিটিআৰ। এই অঞ্চলৰ নতুন প্ৰজন্মই যাতে আগন্তুক দিনত সকলো দিশতে ভাৰতবৰ্ষক প্ৰতিনিধিত্ব কৰিব পাৰে তাৰ কামনা কৰি বিটিআৰ চুক্তিখন





সোনকালে ৰূপায়ণ হোৱাটো কামনা কৰিছো।’ ইফালে, আগন্তুক নতুন বৰ্ষ উপলক্ষে ৰাজ্যবাসীক ওলগ জনায় ৰাজ্যৰ বিশিষ্ট চিত্ৰ তথা ভাস্কৰ্য শিল্পী ৰবিৰাম ব্ৰহ্মই। তেওঁ সকলোকে নতুন বছৰৰ শুভেচ্ছা জনোৱাৰ লগতে আগন্তুক দিনবোৰত তেওঁৰ পৰিকল্পনা ব্যক্ত কৰে। ‘জীৱনত মোৰ অন্তিম ইচ্ছা আছে এখন চিত্ৰ প্ৰদৰ্শনী অনুষ্ঠিত কৰা। যিখন প্ৰদৰ্শনীৰ নাম হ’ব ‘লাষ্ট এগজিভিছন’। এই ইচ্ছা মই দীৰ্ঘদিনে মনত পুহি ৰাখিছো। মই মোৰ ‘শোভা ব্ৰহ্ম আৰ্ট গেলাৰী আৰু আৰ্টিষ্ট ভিলেজ’ অনুষ্ঠানটোক উত্তৰ-পূৰ্বাঞ্চলৰ ভিতৰতে জিলিকাই তোলাৰ সপোন আছিল। প্ৰতিবাৰে চৰকাৰ পক্ষই এই সপোনৰ আঁৰৰ আশা মোক দেখুৱাই যদিও বাস্তৱত ৰূপায়ণ নকৰে। গতিকে আগন্তুক দিনত বিটিআৰ তথা নতুন ৰাজ্য চৰকাৰে যাতে মোৰ সপোন বাস্তৱত ৰূপায়ণ কৰে। বুলি শিল্পীজনে মন্তব্য কৰে।

## জলেশ্বৰত ২০ টাকৈ চোৰাং গৰু জব্দ ঃ চাৰি অভিযুক্ত ধৃত

**অগ্ৰদূত বাৰ্তা**
**লক্ষীপুৰ, ১ জানুৱাৰী ঃ** গোৱালপাৰাৰ জলেশ্বৰ আৰক্ষীয়ে কালি পুৱা ১০-৩০ বজাত চোৰাং গৰু সৰবৰাহৰ বিৰুদ্ধে চলোৱা এক অভিযানত ২০ টাকৈ চোৰাং গৰুসহ চাৰি অভিযুক্তক হাতে-লোটে আটক কৰে। ধৃত লোক চাৰিজন ক্ৰমে ফকিৰগঞ্জৰ বন্দিহানা চৰৰ ছায়েদ আলীৰ পুত্ৰ আমিৰ আলী, ছাহজাহানৰ পুত্ৰ বিশা মণ্ডল, বয়জেৰ আলগা গাঁৱৰ আব্দুল গফুৰৰ পুত্ৰ হাছেন আলী আৰু চাইলধোৱা গাঁৱৰ ৰহিজ উদ্দিনৰ পুত্ৰ ইউছুফ আলী। বিশেষ সূত্ৰৰ আঁত ধৰি জলেশ্বৰ আৰক্ষীয়ে ব্ৰহ্মপুত্ৰ নদীৰ (জলেশ্বৰ) পাৰঘাটত অভিযান চলায়। ইপিনে, চোৰাং গৰু সৰবৰাহকাৰীয়ে যন্ত্ৰচালিত নাৱৰে নদী পথেৰে কঢ়িয়াই অনা ২০ টাকৈ চোৰাং গৰু ইতিপূৰ্বে পাৰঘাটত নমাই ৰাখে। তেনে সময়তে আৰক্ষীয়ে চলোৱা তালাচীত চোৰাং গৰুসহ চাৰি অভিযুক্তক হাতে-লোটে কৰায়ত্ত কৰে। জব্দকৃত গৰুকেইটা বাংলাদেশলৈ চালান কৰাৰ উদ্দেশ্যে বহিঃজিলাৰ পৰা নদী পথেৰে উক্ত স্থানলৈ নাৱৰে কঢ়িয়াই আনিছিল বুলি আৰক্ষীৰ সন্দেহ। এই সন্দৰ্ভত জলেশ্বৰ আৰক্ষীয়ে ইতিমধ্যে এক গোচৰ ৰুজু কৰিছে।

## লাহৰীঘাটত খেতিৰ মাজত মহিলাৰ মৃতদেহ উদ্ধাৰ

**অগ্ৰদূত বাৰ্তা**
**ভূৰাগাঁও, ১ জানুৱাৰী ঃ** লাহৰীঘাট আৰক্ষী থানাৰ অন্তৰ্গত চেতুৱাই খাইটি গাঁৱত কালি এগৰাকী অচিনাক্ত মহিলাৰ মৃতদেহ উদ্ধাৰ হোৱা ঘটনাই সমগ্ৰ অঞ্চলটোতে তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। উল্লেখ্য যে গাঁওখনৰ কাষতে থকা পথাৰৰ মাকৈ খেতিৰ মাজত উদ্ধাৰ হয় ২৫-৩০ বছৰীয়া এজন মহিলাৰ মৃতদেহ। অৱশ্যে ঘটনাৰ খবৰ পাই উপস্থিত হয় লাহৰীঘাট থানাৰ আৰক্ষী। ঘটনাৰ সন্দৰ্ভত জানিব পৰা মতে, আজি আবেলি চেতুৱাই খাইটি গাঁৱৰ দুটি শিশুৱে পথাৰৰ পৰা ছাগলী আনিবলৈ যাওতে ১৩ পৃষ্ঠাত চাওক

## গোসাঁইগাঁৱত শিক্ষয়িত্ৰী ৰেণু ব্ৰহ্মৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**
**গোসাঁইগাঁও, ১ জানুৱাৰী ঃ** কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমা সদৰ চহৰৰ বাসিন্দা তথা কেশৱ ডেকা মেম’ৰিয়েল প্ৰাথমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী তথা বিশিষ্ট শিক্ষাবিদ, বড়ো সাহিত্য সভাৰ প্ৰাক্তন সভাপতি পদ্মশ্ৰী ড° কামেশ্বৰ ব্ৰহ্মৰ সহধৰ্মিণী ৰেণু ব্ৰহ্ম (৭৫)ৰ মৃত্যুত গোসাঁইগাঁও সদৰ চহৰত শোকাকুল পৰিৱেশৰ সৃষ্টি হৈছে। শিক্ষয়িত্ৰীগৰাকীয়ে বিগত এটা বছৰৰ পৰাই বৃক্কজনিত ৰোগত আক্ৰান্ত হৈ চিকিৎসাধীন হৈ আছিল। গোসাঁইগাঁও সদৰ চহৰৰ কেশৱ ডেকা প্ৰাথমিক বিদ্যালয়ৰ পৰা ২০০৬ত অৱসৰ গ্ৰহণ কৰা শিক্ষয়িত্ৰীগৰাকীয়ে যোৱা ৩০ ডিচেম্বৰৰ নিশা ১১ বজাত গোসাঁইগাঁও আৰ এন বি অসামৰিক চিকিৎসালয়ত চিকিৎসাৰ বাবে ভৰ্তি কৰোৱাৰ পাছতেই ইহসংসাৰ ত্যাগ কৰে।

## কনিহাৰ উত্তৰণ কৃষি উৎপাদনকাৰী কোম্পানীৰ

# ৰাছিয়ালৈ জহা-কোমল চাউলৰ নমুনা প্ৰেৰণ

**অগ্ৰদূত বাৰ্তা**
**কনিহা, ১ জানুৱাৰী ঃ** কামৰূপ জিলাৰ কনিহাৰ নিকটৱৰ্তী ইচ্ছাদঘৰীয়াৰ শিক্ষিত যুৱক অমল ভড়ালীয়ে অসমৰ ৰাণী আৰু মেঘালয়ৰ বৰাপানীত ভাৰতীয় কৃষি অনুসন্ধান পৰিষদৰ ২০০৯ৰ পৰা ২০১৬লৈ প্ৰকল্প সহায়ক হিচাপে কাম কৰিছে। ২০১৫ত ভাৰত চৰকাৰে কৃষি ব্যৱসায়ৰ ওপৰত আৰু কৃষকে উৎপাদিত সামগ্ৰীৰ কেনেকৈ বজাৰ মূল্য উপযুক্ত ধৰণে পাব পাৰে তাৰ বাবে আয়োজন কৰা সন্মিলনত অংশ লৈ আত্মবিশ্বাস লাভ কৰে। তাৰ পৰা আহি নিজৰ অঞ্চলত কৃষি খণ্ডৰ উন্নতিৰ বাবে মনোনিবেশ কৰে। কনিহা অঞ্চলত কৃষকৰ প্ৰকৃত বজাৰৰ অভাৱ অনুভূত হোৱাত স্থানীয় আন এজন শিক্ষিত লোক পৰেশ শৰ্মাৰ স’তে মত বিনিময় কৰি সম্পূৰ্ণ সঁহাৰি পোৱাৰ পথত এখন সভাৰ আয়োজন কৰে। ৰাইজক উদ্দেশ্যৰ বিষয়ে অৱগত কৰাৰ পাছত উক্ত



সভাতে পৰেশ শৰ্মাক সভাপতি আৰু অমল ভড়ালীক সম্পাদকৰূপে লৈ ‘সেউজী যুটীয়া কৃষি সমবায় সমিতি নামেৰে এটি সংস্থা গঠন কৰা হয়। একোটা বছৰত একেডৰা মাটিতে দ্বিতীয়বাৰ খেতি কৰা আৰম্ভ কৰি কামৰূপৰ কৃষি বিজ্ঞান কেন্দ্ৰৰ স’তে যোগাযোগ কৰে। ৰঙিয়াৰ কৃষি বিভাগ, কে ভি কে আদিৰ পৰা উপযুক্ত সঁহাৰি লাভ কৰাৰ পাছত ২০১৯ত কৃষি সংস্থাটো এফ পি অ’ লৈ উন্নীত হয়। ইতিমধ্যে বিভাগৰ পৰা বিভিন্ন ৰবি শস্য- মচুৰ, সৰিয়হ, মটৰ, আলু আদিৰ প্ৰদৰ্শনীমূলক খেতি ৰঙিয়া মহকুমাৰ কনিহা, ইচ্ছাদঘৰীয়া, শিমলুৱা, নিজবড়িগোগ, লাভি, কেকেনীকুছি, মধুকুছি, ডোবক, ডিমু, চনমাগুৰী, জাপিয়া, সৌৰামুৰি, বাৰাংহাটী, ঘোপলা আদি গাঁৱত সম্পন্ন কৰি আত্মবিশ্বাস ১৩ পৃষ্ঠাত চাওক

## শ্ৰীমন্ত শংকৰ মিছনতো নৱবৰ্ষৰ আদৰণি অনুষ্ঠান

**বিশেষ সংবাদদাতা**
**নগাঁও, ১ জানুৱাৰী ঃ** উত্তৰ-পূব ভাৰতৰ অন্যতম মানৱ সেৱাৰ স্বেচ্ছাসেৱী সংগঠন শ্ৰীমন্ত শংকৰ মিছন কৰ্তৃপক্ষই আজি ইংৰাজী নৱবৰ্ষৰ আদৰণি অনুষ্ঠানৰ আয়োজন কৰে। শ্ৰীমন্ত শংকৰ মিছনৰ উপ-সভাপতি ৰঞ্জিত কুমাৰ তামুলী ফুকনৰ সভাপতিত্বত অনুষ্ঠিত অনুষ্ঠানৰ প্ৰাৰম্ভণিতে মিছনৰ কৰ্মচাৰীসকলে এটা ঘোষা পৰিৱেশন কৰাৰ লগতে ৰঞ্জিত কুমাৰ তামুলী ফুকন আৰু ডাঃ কৃষ্ণ বৰাই এগছি বন্তি প্ৰজ্বলন কৰাৰ পাছত কেক কাটি আগন্তুক বৰ্ষটোত সকলোৰে মংগলময় হোৱাৰ কামনা কৰে। ইয়াৰ পাছতে শ্ৰীমন্ত শংকৰ মিছনে প্ৰস্তুত কৰা এখন ইংৰাজী কেলেণ্ডাৰ মুকলি কৰে। অনুষ্ঠানত শ্ৰীমন্ত শংকৰ মিছনৰ সম্পাদক বল্লদেৱ শৰ্মা, প্ৰবীণ সদস্য পূৰ্ণ চন্দ্ৰ বৰুৱা, ডাঃ কৃষ্ণ বৰা, ভাৰত গোস্বামী, খগেন নাথ, প্ৰভাত বৰা, অনিমা বৰুৱা শৰ্মা, ইন্দ্ৰ মোহন বৰা, পৰাণ কুমাৰ মহন্ত, ৰুণজুন বৰা, তগৰ বৰাকে ধৰি বহুকেইগৰাকী সদস্য, শ্ৰীমন্ত শংকৰ মিছনৰ কৰ্মচাৰীসকলৰ উপৰিও মিছনবাসীসকল উপস্থিত থাকে। উপস্থিত সকলোৱে নিজৰ বক্তব্য দাঙি ধৰি আগন্তুক বৰ্ষটো সমগ্ৰ দেশবাসীৰ মংগল কামনা কৰাৰ লগতে বিভিন্ন গীত-মাত পৰিৱেশন কৰি এক আনন্দময় পৰিৱেশৰ সৃষ্টি হয়।

## জনীয়া এফ এ এ এম কলেজৰ প্ৰৱক্তা হাবেজ উদ্দিন আহমেদৰ মৃত্যুত শোক

**কলগাছিয়া, ১ জানুৱাৰী ঃ** বৰপেটা জিলাৰ জনীয়া ফখৰুদ্দিন আলী আহমেদ মেম’ৰিয়েল কলেজৰ প্ৰৱক্তা তথা গোবিন্দপুৰ গাঁৱৰ মুছলেম উদ্দিন আহমেদৰ পুত্ৰ হাবেজ উদ্দিন আহমেদৰ অকাল বিয়োগত অঞ্চলব্যাপী শোকৰ ছাঁ পৰিছে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৫৩ বছৰ। বিগত দুবছৰ ধৰি কৰ্কট ৰোগত ভুগি অৱশেষত অকাল মৃত্যুক আঁকোৱালি ল’লে হাবেজ উদ্দিন আহমেদে । আহমেদে গোবিন্দপুৰ আক্ৰম আলী আহমেদ হাইস্কুলৰ এছ এম ডি চিৰ সভাপতি পদত অধিষ্ঠিত থকাৰ উপৰি বিভিন্ন সামাজিক কামৰ লগত জড়িত আছিল। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ এজন পুত্ৰ সন্তান, এজনী কন্যা সন্তান আৰু বহুতো আত্মীয়-স্বজনক ইহসংসাৰত এৰি যায়। বহু গুণমুগ্ধৰ সমাগমত জানাজাৰ নামাজ সম্পন্ন হয়। তেওঁৰ মৃত্যুত জনীয়া এফ এ এ এম কলেজ, জনীয়া প্ৰেছ ক্লাব, গোবিন্দপুৰ আক্ৰম আলী আহমেদ হাইস্কুলৰ লগতে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছে ।

## বিহপুৰীয়া জাতীয় বিদ্যালয়ত চিত্ৰকলা প্ৰদৰ্শনী সম্পন্ন

**অগ্ৰদূত বাৰ্তা**
**বিহপুৰীয়া, ১ জানুৱাৰী ঃ** বছৰৰ অন্তিম দিনটোত বিহপুৰীয়াৰ অগ্ৰণী মাতৃভাষা মাধ্যমৰ শিক্ষানুষ্ঠান চন্দ্ৰেশ্বৰ বৰুৱা স্মৃতি বিহপুৰীয়া জাতীয় বিদ্যালয়ত এখন চিত্ৰকলা প্ৰদৰ্শনী অনুষ্ঠিত হয়। বছৰৰ অন্তিমটো দিনত ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক মানসিক দিশ বিকাশৰ লক্ষ্যৰে ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা প্ৰস্তুত কৰা বিভিন্ন কলা, জনজাতীয় পৰম্পৰা সাজপাৰ খাদ্য সম্ভাৰ আদিৰ প্ৰদৰ্শনীয়ে ৰাইজৰ মন মুহিবলৈ সক্ষম হয়। প্ৰদৰ্শনীৰ দ্বাৰ উন্মোচন কৰে বিদ্যালয় উন্নয়ন সমিতিৰ সভাপতি ড° তৰুণ শৰ্মাই। প্ৰদৰ্শনীৰ সমান্তৰালকে অনুষ্ঠিত মত বিনিময় অনুষ্ঠান সঞ্চালনা কৰে অৱসৰপ্ৰাপ্ত অধ্যক্ষ হৰেন্দ্ৰ নাথ দত্তই। বিদ্যালয়ৰ অধ্যক্ষ যাদৱ বৰুৱাই আঁত ধৰা অনুষ্ঠানত বিদ্যালয় পৰিচালনা সমিতিৰ সম্পাদক ড° বিপুল নেওগ, অৱসৰপ্ৰাপ্ত শিক্ষকদ্বয় ঠগেশ্বৰ ভড়ালী, সত্যজিত বৰুৱাই অংশগ্ৰহণ কৰে।





### শিৱাংগী-সিদ্ধান্ত ২০২১ ৰ শ্ৰেষ্ঠ জুনিয়ৰ খেলুৱৈ

# লাভলীনা বৰ্ষশ্ৰেষ্ঠ ক্ৰীড়াবিদ

**গুৱাহাটী, ১ জানুৱাৰী ঃ** অসম ক্ৰীড়া সাংবাদিক সন্থাই এইবাৰ পুনৰ প্ৰদান কৰিব বাৰ্ষিক ক্ৰীড়া বঁটা। সেই অনুসৰি অহা 11 জানুৱাৰীত গুৱাহাটীত হ'বলগা এক অনুষ্ঠানত বাৰ্ষিক ক্ৰীড়া বঁটা আনুষ্ঠানিকভাবে প্ৰদান কৰা হ'ব। উল্লেখ্য যে এইবাৰ আৰ জি বৰুৱা বৰ্ষ শ্ৰেষ্ঠ খেলুৱৈৰ বঁটা লাভ কৰিছে প্ৰথম অসমীয়াৰূপে অলিম্পিক পদক তথা খেলৰত্ন সন্মান লাভ কৰা মহিলা বক্সাৰ লাভলীনা বৰগোহাঁয়ে। নৃপেন্দ্ৰ নাৰায়ণ সিংহ বৰ্ষ শ্ৰেষ্ঠ জুনিয়ৰ বঁটা বিজয়ী দুই খেলুৱৈ হ'ল শিৱাংগী শৰ্মা (সাঁতোৰ) আৰু সিদ্ধান্ত গগৈ (ভাৰোত্তোলন)। ইফালে, অসম ক্ৰীড়া সাংবাদিক সন্থাই এইবাৰ পুলিন দাস জীৱনযোৰা সাধনা বঁটা দিব সাংবাদিক, সংগঠক, ৰেফাৰী প্ৰেমধৰ শৰ্মাক। আনহাতে, নৰুল আমিন বৰ্ষশ্ৰেষ্ঠ দলৰ সন্মান লাভ কৰিছে অসমৰ পুৰুষ ভলীবল দলে। উল্লেখ্য যে এইবাৰ অসম ক্ৰীড়া সাংবাদিক সন্থাক বঁটা প্ৰদানত সহায় কৰিছে অইল আৰু অসম চৰকাৰে।



# ৰাষ্ট্ৰীয় কিক বক্সিঙত জেমছৰ স্বৰ্ণ পদক লাভ

অগ্ৰদূত বাৰ্তা
**কাকপথাৰ, ১ জানুৱাৰী ঃ** অসমৰ জেমছ গোহায়ে ৰাষ্ট্ৰীয় কিক বক্সিঙত স্বৰ্ণ জয় কৰিবলৈ সক্ষম হৈছে। মহাৰাষ্ট্ৰৰ পুনেস্থিত শ্ৰীশিৱ ছত্ৰপতি ক্ৰীড়া প্ৰকল্পত অনুষ্ঠিত হোৱা ৰাষ্ট্ৰীয় কিক বক্সিঙত অসমক 32 জনীয়া দলে অংশ লয়। উল্লেখ্য যে অসম দলে আঠটা স্বৰ্ণ, পাঁচটা ৰূপ আৰু আঠটা ব্ৰঞ্জৰ পদকেৰে ৰাজ্যখনলৈ সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হয়। হেভীৱেইট শাখাত তিনিচুকীয়া জিলাৰ কাকপথাৰৰ জেমছঞ্জ গোহাঁয়ে কেৰেলাৰ শ্ৰীহৰিক পৰাস্ত কৰি স্বৰ্ণ পদক লাভ কৰে। উল্লেখ্য যে জেমছঞ্জ গোহাঁই কাকপথাৰ প্ৰাথমিক শিক্ষাখণ্ডৰ অন্তৰ্গত কাকজান হিন্দী প্ৰাথমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক তথা কাকপথাৰ মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক।





# জিলা ভিত্তিক বেডমিণ্টন প্ৰতিযোগিতা

অগ্ৰদূত বাৰ্তা
**মঙলদৈ, ১ জানুৱাৰী ঃ** দৰং জিলা বেডমিন্টন সন্থাৰ উদ্যোগত তথা দ্য মঙলদৈ ক্লাবৰ সহযোগত অহা 3–5 জানুৱাৰীত ইয়াৰ গোপীনাথ বৰদলৈ ইনড'ৰ ষ্টেডিয়ামত জিলা ভিত্তিত স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ মাজত বেডমিন্টন প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে । আয়োজকে অৱগত কৰা অনুসৰি দ্বাদশ শ্ৰেণীলৈ অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীৰ বাবে মুকলি থকা এই প্ৰতিযোগিতা চাৰিটা ভিন্ন শাখাত অনুষ্ঠিত হ'ব । ইচ্ছুক খেলুৱৈ সকলে তিনি জানুৱাৰীৰ পুৱা ন বজাৰ ভিতৰত যোগদান নিশ্চিত কৰিব লাগিব । অধিক জানিবলৈ 9864191004 ফোন নম্বৰত যোগাযোগ কৰিবলৈ কোৱা হৈছে।

### নেপালত আমন্ত্ৰণমূলক দক্ষিণ এছিয়া গেমছ

# অসম-মেঘালয়ৰ খেলুৱৈৰ নটা পদক লাভ




**গুৱাহাটী, ১ জানুৱাৰী ঃ** নেপালৰ ৰাজধানী কাঠমাণ্ডুত অনুষ্ঠিত হোৱা আমন্ত্ৰণমূলক দক্ষিণ এছিয়া গেমছ (ছাফ)ত অসম আৰু মেঘালয়ৰ খেলুৱৈৰে গঠিত এটা দলে অনবদ্য প্ৰদৰ্শন কৰি সফলতা লাভ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে গ্ৰেণ্ডমাষ্টাৰ গমে থাপাৰ নেতৃত্বত নেপাললৈ গৈছিল উত্তৰ-পূৰৰ দলটো। যোৱা 29–31 ডিচেম্বৰলৈ নেপালৰ ৰাজধানী কাঠমাণ্ডুত অনুষ্ঠিত হোৱা আমন্ত্ৰণমুলক দক্ষিণ এছিয়া গেমছখনত অসমৰ খেলুৱৈয়ে সাতটা সোণ আৰু এটা ৰূপৰ পদক লাভ কৰাৰ বিপৰীতে মেঘালয়ৰ খেলুৱৈয়ে এটা স্বৰ্ণ পদক লাভ কৰে। অসমৰ নিবিড় নিলিম ক্ৰ' আৰু প্ৰাঞ্জল দাসে দুটাকৈ সোণ লাভ কৰাৰ বিপৰীতে ভয়োলিনা ক্ৰ'ৱে এটা সোণ আৰু এটা ৰূপৰ পদক লাভ কৰে। আনহাতে, বিতোপন বৰা আৰু গৌঞ্জন নাৰ্জাৰীয়ে এটাকৈ সোণ লাভ কৰিবলৈ সক্ষম হয়। ইফালে, মেঘালয়ৰ ফ্ৰান্সিছ ইংজালে এটা সোণ দখল কৰে। দলৰ প্ৰশিক্ষক আছিল গৌতম দাস। আনহাতে, দলৰ লগত বিষয়াৰূপে গৈছিল অজিত বড়ো আৰু ভক্ত প্ৰ াদ ক্ৰ'। উল্লেখ্য যে ইয়াৰপূৰ্বে যোৱা নৱেম্বৰত নেপালৰ ৰাজধানী কাঠমাণ্ডুত অনুষ্ঠিত হোৱা দ্বিতীয় ছাকাছ আন্তৰ্জাতিক গেমছ, 2021তো অসমে অনবদ্য প্ৰদৰ্শন কৰিছিল। উক্ত প্ৰতিযোগিতাত অসমৰ 10 জনীয়া এটা দলে অংশ লৈছিল। ইয়াৰে ন গৰাকীয়ে সোণ লাভ কৰাৰ বিপৰীতে এজনে ৰূপৰ পদক লাভ কৰে। উল্লেখ্য যে দ্বিতীয় ছাকাছ আন্তৰ্জাতিক গেমছ, 2021 ত গমে থাপাৰ নেতৃত্বত খেলা অসম দলে কুংফু, কাৰাটে, কিকবক্সিং, টাইকোৱান-ড', উশ্বুত অংশ লৈছিল। ছাউথ এছিয়ান ফেডাৰেছন অব অৱ স্পৰ্টছ নেপাল শাখাই আয়োজন কৰিছিল দ্বিতীয় ছাকাছ আন্তৰ্জাতিক গেমছ, 2021¼

# জে কে বৰুৱা আন্তঃজিলাৰ নাহৰকটীয়াৰ দল বাছনি

অগ্ৰদূত বাৰ্তা
**নাহৰকটীয়া, ১ জানুৱাৰী ঃ** অসম ক্ৰিকেট সন্থাই আয়োজন কৰিব লগা 19 বছৰৰ অনূৰ্ধ্ব জে কে বৰুৱা সোঁৱৰণি আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলগীয়া নাহৰকটীয়া দলটো নিৰ্বাচন কৰিবলৈ অহা তিনি আৰু চাৰি জানুৱাৰীত নাহৰকটীয়া ক্ৰীড়া সন্থাৰ ষ্টেডিয়ামত এক বাছনি শিবিৰ অনুষ্ঠিত কৰা হৈছে। সেয়েহে নাহৰকটীয়া ক্ৰীড়া সন্থাৰ ষ্টেডিয়ামত ইচ্ছুক খেলুৱৈ সকলক উপস্থিত হ'বলৈ অনুৰোধ জনাইছে জিলা ক্ৰীড়া সন্থাই। উল্লেখ্য যে নাহৰকটীয়াৰ প্ৰথমখন খেল অহা ছয় জানুৱাৰীত মাৰ্ঘেৰিটাৰ বিৰুদ্ধে ডিব্ৰুগড়ৰ জালান নগৰ আউটডৰ ষ্টেডিয়ামত অনুষ্ঠিত হ'ব।

# এম এ চি কাপ ফুটবলত নৰ্থ হংক্ৰাম ক্ৰীড়া সন্থা চেম্পিয়ন

**অগ্ৰদূত বাৰ্তা, বৈথালাংছু, ১ জানুৱাৰী ঃ** কাৰ্বি আংলং স্বায়ত্ব শাসিত পৰিষদৰ 26 টা পৰিষদীয় সমষ্টিত অনুষ্ঠিত হৈ থকা এম এ চি কাপ ফুটবল প্ৰতিযোগিতাৰ ৰংখাং পৰিষদীয় সমষ্টিৰ ফাইনেল খেলখন হানল'ক্ৰক মিনি ষ্টেডিয়াম খেলপথাৰত অনুষ্ঠিত কৰা হয় । তীব্ৰ প্ৰতিযোগিতামূলক খেলখনিত অংশগ্ৰহণ কৰে হংক্ৰাম ক্ৰীড়া সন্থা আৰু নৰ্থ হংক্ৰাম ক্ৰীড়া সন্থাই। ফাইনেলত নৰ্থ হংক্ৰাম ক্ৰীড়া সন্থাই 3–1 গলৰ ব্যাৱধানত পৰাস্ত কৰে হংক্ৰাম ক্ৰীড়া সন্থাক। ডিফু সমষ্টিৰ সাংসদ হৰেণছিং বে'ৰ পিতৃ-মাতৃ প্ৰয়াত জয়ছিং বে' আৰু ছিকা ৰংহাংপীৰ সোঁৱৰণত অনুষ্ঠিত কৰা ফুটবল প্ৰতিযোগিতাখনিৰ ফাইনেলত বঁটাবিতৰণী অনুষ্ঠানত দুয়োটি দলকে ট্ৰফী প্ৰদান কৰে মুখ্য অতিথি সাংসদ বে'য়ে।

# ফিফা মহিলা বিশ্বকাপৰ বাবে সাজু হৈছে ভাৰতীয় ফুটবল ফেডাৰেছন

**নতুন দিল্লী, ১ জানুৱাৰী ঃ** চলিত বছৰ ভাৰতত হ'বলগা 17 বছৰ অনূৰ্ধ্ব মহিলা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ প্ৰস্তুতি আৰম্ভ কৰিছে ভাৰতীয় ফুটবল ফেডাৰেছনে। উল্লেখ্য যে প্ৰতিযোগিতাৰ মেছকট ইতিমধ্যে মুকলি কৰিছে ফিফাই। ভাৰতৰ নাৰী শক্তিৰ বিশ্ব জয়ৰ প্ৰতীকৰূপে মেছকটৰ নাম ৰখা হৈছে 'ইভা'। উল্লেখ্য যে ভাৰতত হ'বলগা 17 বছৰ অনূৰ্ধ্ব মহিলা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ নতুন দিন ইতিমধ্যে নিৰ্ধাৰণ কৰিছে আন্তৰ্জাতিক ফুটবল সন্থাই। সেই অনুসৰি তিনিবাৰ পিছপৰাই এইবাৰ অনুষ্ঠিত হ'ব 17 বছৰ অনূৰ্ধ্ব মহিলা বিশ্বকাপ ফুটবল প্ৰতিযোগিতা। ফিফাই নতুনকৈ ঘোষণা কৰা সূচী অনুসৰি অহা 11–30 অক্টোবৰলৈ ভাৰতত অনুষ্ঠিত হ'ব 17 বছৰ অনূৰ্ধ্ব মহিলা বিশ্বকাপ ফুটবল প্ৰতিযোগিতা। উল্লেখ্য যে কৰ'নাৰ বাবে তিনিবাৰ পিছুৱাই গৈছে ভাৰতত অনুষ্ঠিত হ'বলগা 17 বছৰ অনূৰ্ধ্ব মহিলা বিশ্বকাপ ফুটবল প্ৰতিযোগিতা। পূৰ্বৰ সূচী অনুসৰি 2020 ৰ দুইৰ পৰা 21 নবেম্বৰলৈ ভাৰতত অনুষ্ঠিত হোৱাৰ কথা আছিল 17 বছৰ অনূৰ্ধ্ব মহিলা বিশ্বকাপ ফুটবল প্ৰতিযোগিতা। কিন্তু কৰ'নাৰ বাবে সেয়া পিছুৱাই নতুন দিন নিৰ্ধাৰণ কৰে ফিফাই। আন্তৰ্জাতিক ফুটবল ফেডাৰেছনে 2021 ত অনুষ্ঠিত কৰিব বিচাৰিছিল প্ৰতিযোগিতাখন। ফিফাই তেতিয়া জনোৱা মতে 2021 ৰ 17 ফেব্ৰুৱাৰীৰ পৰা সাত মাৰ্চলৈ অনুষ্ঠিত কৰাৰ কথা আছিল 17 বছৰ অনূৰ্ধ্ব মহিলা বিশ্বকাপ ফুটবল প্ৰতিযোগিতা। কিন্তু পুনৰ কৰ'নাৰ বাবে সেয়া আকৌ এবাৰ পিছুৱাই দিয়া হয়। উল্লেখ্য যে ভাৰতৰ মুঠ পাঁচটা স্থানত এই ফুটবল প্ৰতিযোগিতাৰ মেচ অনুষ্ঠিত হ'ব। গুৱাহাটীৰ সৰুসজাই ষ্টেডিয়ামো 17 বছৰ অনূৰ্ধ্ব মহিলা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ অন্যতম স্থান।

# ৰাষ্টীয় কাৰাটেত সাফল্য ধিঙৰ তিনি ছাত্ৰীৰ

অগ্ৰদূত বাৰ্তা
**ধিং, ১ জানুৱাৰী ঃ** নগাঁও জিলা ধিং লহকৰ গাঁৱৰ তিনি গৰাকীকৈ কিশোৰীয়ে ৰাষ্টীয় পৰ্যায় কাৰাটে চিম্পিয়নশ্বিপত সফলতা লাভ কৰিছে। পদক জয়ী খেলুৱৈ তিনিগৰাকী হ'ল ডিম্পল দাস, নয়না দাস আৰু ৰাখী দাস। উল্লেখ্য যে ধিঙৰ এই তিনি গৰাকী কণমানি ছাত্ৰীয়ে নতুন দিল্লীত অনুষ্ঠিত ৰাষ্টীয় পৰ্যায় কাৰাটে চিম্পিয়নশ্বিপত অংশ গ্ৰহন কৰিছিল আৰু ডিম্পল দাসে দুটাকৈ ৰূপৰ পদক অৰ্জন কৰাৰ বিপৰীতে নয়না দাসে ব্ৰঞ্জৰ পদক আৰু ৰাখী দাসে সোণৰ পদক অৰ্জন কৰিবলৈ সক্ষম হয়। এই সফলতাৰ বাবে এতিয়া ধিং অঞ্চলত আনন্দৰ বন্যা বৈছে। ধিং আঠগাঁও মজলীয়া বিদ্যালয়ত তেওঁলোকক লৈ আয়োজন কৰা এক সম্বৰ্ধনা অনুষ্ঠানত তিনিগৰাকী ছাত্ৰীক সহপাঠী সকলৰ লগতে বিদ্যালয়ৰ শিক্ষক শিক্ষয়ত্ৰীসকলে ঢোলে দগৰে আদৰণি জনায়। বিদ্যালয়ত তিনিগৰাকীক উষ্ম আদৰণি জনোৱা হয় গামোছা, মানপত্ৰ আৰু শৰাই উপহাৰ দি । তাৰোপৰি ধিং আঞ্চলিক ছাত্ৰ সন্থাৰ লগতে ধিং প্ৰেছ ক্লাবেও তিনি ছাত্ৰীক উষ্ম আদৰণি জনায়।



জোহান্সবাৰ্গত বুমৰাহৰ অনুশীলন


প্ৰথম টেষ্টত নিউজিলেণ্ডৰ ক্ৰনলি

# প্ৰাইজমানি ফুটবলত নেঘেৰিটিং চাহ বাগিচাৰ ফুটবল দলৰ খিতাপ

অগ্ৰদূত বাৰ্তা
**দেৰগাঁও, ১ জানুৱাৰী ঃ** নেঘেৰিটিং টেকেলা লাইন যুৱ সংঘৰ সৌজন্যত নেঘেৰিটিং গাওঁৰ সমূহ ৰাইজৰ সহযোগত অনুষ্ঠিত কৰা ফুটবল প্ৰতিযোগিতাৰ ফাইনেলত নেঘেৰিটিং চাহ বাগিচা ফুটবল একাদশে খেলে নেঘেৰিটিং টেকেলা লাইন ফুটবল একাদশৰ বিৰুদ্ধে। ফাইনেল খেলখন 1–1 গ'লত সমাপ্তি হোৱাত টাইব্ৰেকাৰ জড়িয়তে চেম্পিয়ন নিৰ্ণয় কৰা হয়। টাইব্ৰেকাৰত 5–4 গ'লত নেঘেৰিটিং চাহ বাগিচাৰ ফুটবল দলে জয়ী হয়। ফাইনেল খেল শুভাৰম্ভ কৰে আটছা গোলাঘাট জিলা সমিতিৰ সভাপতি ৰাবুল তুৰি আৰু গীতৰ শৰাইৰে কণ্ঠ শিল্পী চামিম আখতাৰে। উক্ত খেলৰ খেল পৰিচালনা সভাপতি পৰেশ চাহু সম্পাদকদ্বয় বুলু হাও পংকজ চাহুই জনোৱা মতে চেম্পিয়ন দলে 15 হেজাৰ টকাসহ ট্ৰফী লাভ কৰে। ট্ৰফী দাতা উৰ্মিলা চাহু। ইফালে, ৰানাৰ্ছআপ দলে 10 হেজাৰ টকাৰ লগতে ট্ৰফী লাভ কৰে। দাতা বুলু হাও।

# ৰাষ্ট্ৰীয় পেঞ্চাক চিলাট সমৰকলা প্ৰতিযোগিতাত ২২ পদক লাভ

অগ্ৰদূত বাৰ্তা
**সৰুপথাৰ, ১ জানুৱাৰী ঃ** হাৰিয়ানাত অনুষ্ঠিত ৰাষ্ট্ৰীয় পেঞ্চাক চিলাট সমৰ কলা প্ৰতিযোগিতাত ধনশিৰি মহকুমাৰ এটা দলে বৃহৎ সফলতা লাভ কৰিছে। উল্লেখ্য যে হাৰিয়ানাৰ এম ডি বিশ্ববিদ্যালয়ত অনুষ্ঠিত ছাব-জুনিয়ৰ আৰু জুনিয়ৰ ৰাষ্ট্ৰীয় পেঞ্চাক চিলাট সমৰকলা প্ৰতিযোগিতাত অসম পেঞ্চাক চিলাট সন্থাৰ সম্পাদক লক্ষ্যজিত দলেৰ নেতৃত্বত যোৱা অসম দলক প্ৰতিনিধিত্ব কৰি গোলাঘাট সৰুপথাৰৰ ৰিছিকা লহকৰে ৰেগু আৰু ট্ৰেগ্ডিং শাখাত সোণৰ পদক, অনন্যা শইকীয়াই ৰেগু আৰু টুংগল শাখাত ব্ৰঞ্জৰ পদক, নিষ্ঠাৰিণী শইকীয়াই ৰেগু শাখাত ব্ৰঞ্জৰ, নটাছা শইকীয়াই ৰেগু শাখাত ব্ৰঞ্জ , হীৰস্ময়ী শইকীয়াই ৰেগু শাখাত সোণ, টুংগল আৰু ট্ৰেগ্ডিং শাখাত ৰূপৰ পদক, অমনদীপ শইকীয়াই ৰেগু, টুংগল আৰু ট্ৰেগ্ডিং শাখাত ৰূপৰ পদক, শ্ৰীবৎস্য বড়োৱে ৰেগু শাখাত ৰূপ আৰু টুংগল শাখাত ব্ৰঞ্জৰ পদক, ৰ'জমণি গগৈয়ে ৰেগু শাখাত সোণ আৰু ট্ৰেগ্ডিং শাখাত ব্ৰঞ্জৰ পদক, বৰ্ণিল জোনাক কোঁৱৰে ট্ৰেগ্ডিং আৰু টুংগল শাখাত ব্ৰঞ্জৰ পদক, প্ৰেৰণা গগৈয়ে টেগ্ডিং শাখাত ৰূপৰ পদক, অভিজ্ঞান শইকীয়াই ৰেগু শাখাত ৰূপৰ পদক, ৰাছিকা সন্দিকৈয়ে টুংগল শাখাত ব্ৰঞ্জৰ পদক আৰু ৰিয়ান লহকৰে ট্ৰেগ্ডিং শাখাত ব্ৰঞ্জৰ পদক লাভ কৰি ধনশিৰি মহকুমালৈ গৌৰৱ কঞ্জয়িাই আনে। ৰঞ্জুমনি শইকীয়া আৰু মৌছুমী শইকীয়াৰ তত্বাবধানত তথা প্ৰশিক্ষক ৰেখামনী চুতীয়া আৰু গগন চন্দ্ৰ বড়োৰ নেতৃত্বত অংশ গ্ৰহন কৰা মুঠ 17 গৰাকী খেলুৱৈৰ চাৰি গৰাকীয়ে সোণ, আঠ গৰাকীয়ে ৰূপ আৰু 10টা ব্ৰঞ্জৰ পদকৰে মুঠ 22টা পদক লাভ কৰি গোলাঘাটৰ লগতে সমগ্ৰ অসমলৈ গৌৰৱ কঢ়িয়াই আনে।

# জামুগুৰি টাইকোৱান-ড' একাডেমীৰ সফলতা

অগ্ৰদূত বাৰ্তা
**নদুৱাৰ, ১ জানুৱাৰী ঃ** সদৌ শোণিতপুৰ জিলা আন্তঃক্লাব অ'পেন টাইকোৱান-ড' চেম্পিয়নশ্বিপত জামুগুৰি টাইকোৱান-ড' একাডেমীৰ খেলৱৈসকলে অংশগ্ৰহণ কৰি গৌৰৱময় সফলতা লাভ কৰিবলৈ সক্ষম হৈছে। তেজপুৰৰ ত্যাগবীৰ হেমবৰুৱা স্মৃতিভৱনত অনুষ্ঠিত প্ৰতিযোগিতাখনিত জামুগুৰি টাইকোৱান-ড' একাডেমীৰ খেলুৱৈসকলে 14 টা সোণৰ পদক তিনিটা ৰূপৰ পদক আৰু 11 টা ব্ৰঞ্জ ৰ পদক লাভ কৰি সমগ্ৰ অঞ্চলটিলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। জিলাখনৰ ভিন্ন প্ৰান্তৰ হেজাৰোধিক প্ৰতিযোগীয়ে পুমচে আৰু কিউৰিগী খেলত অংশগ্ৰহণ কৰা প্ৰতিযোগিতাখনত জামুগুৰি টাইকোৱান-ড' একাডেমীৰ ভাৰ্গৱ নাথ, নিশামণি বৰা, ভায়লিনা সুত, ধ্ৰীতি সিং, শ্ৰেয়া দেউৰি, জ্যোতিৰ্ময় শইকীয়া, ধ্ৰুপদ কাশ্যপ, মাৰচেন্ট বৰুৱা, দৰ্শিল বৰা, মৰম দাস, অনুৰঞ্জন শৰ্মা, ৰিছা বৰুৱা, শৈলাজা কুমাৰী



বাৰুতি আৰু পুৰবী চৌধুৰীয়ে সোণৰ পদক, উজ্জশ্ৰীবল বৰা, শৈলাজা কুমাৰী বাৰুতি আৰু ৰাধিকা বৰ্মাহে ৰূপৰ পদক আৰু কৃষ্ণাভ শইকীয়া, টনবীৰ কিশোৰ বৰা, নিতিশ হাজৰিকা, পংকজ নায়ক, ভৈৰৱ জ্যোতি বৰা, নিহাৰজ্যোতি বৰদলৈ, ধৃতিধান্য বৰুৱা, ৰিয়া বৰুৱা, পূৰ্ণপ্ৰসাদ শৰ্মা, সুভাংগী বৰা, ধ্ৰুপদ কাশ্যপে ব্ৰঞ্জ ৰ পদক বুটলি আনিবলৈ সক্ষম হয়। ইয়াৰোপৰি প্ৰতিযোগিতাখনত জামুগুৰি টাইকোৱান-ড' একাডেমীৰ খেলুৱৈ মাৰচেন্ট বৰুৱাই শ্ৰেষ্ঠ ফাইটাৰৰ পদক বুটলিবলৈও সক্ষম হয়। জামুগুৰি টাইকোৱান-ড' একাডেমীৰ প্ৰশিক্ষাৰ্থীসকলৰ এই সফলতাত টাইকোৱান-ড' একাডেমীৰ লগত জড়িত সকলো ব্যক্তি আনন্দিত হৈ পৰাৰ লগতে প্ৰশিক্ষক কৌস্তভ বাৰুতি, বিকিৰাজ বাৰুতি আৰু তুৰভ হাজৰিকাই খেলুৱৈসকলক এই জয়ৰ ধাৰা অনাগত দিনসমুহতো অব্যাহত ৰাখি অঞ্চলটোলৈ অধিক গৌৰৱ কঢ়িয়াই অনাৰ বাবে সকলো প্ৰশিক্ষাৰ্থীলৈ আহবান জনায়।



অসম চৰকাৰ

# দ্বিতীয় পৰ্যায়ত

## ১১ লাখ প্ৰথম শ্ৰেণী (নিয়মীয়া পৰিশোধকাৰী) হিতাধিকাৰীৰ বাবে

## অসম মাইক্ৰ'ফাইনেন্স উদগনি আৰু সকাহ আঁচনি, ২০২১ৰ শুভাৰম্ভণি



ড° হিমন্ত বিশ্ব শৰ্মা
মুখ্যমন্ত্ৰী, অসম

আঁচনিখনৰ এখন ৰাজ্যিক পৰ্যায়ৰ শুভাৰম্ভণি অনুষ্ঠান যোৱা ২৮ নৱেম্বৰ,২০২১ তাৰিখে শোণিতপুৰ জিলাত অনুষ্ঠিত কৰা হৈছে। নৱেম্বৰ মাহত মুঠ ৮ খন জিলাৰ হিতাধিকাৰীসকলক উদগনিমূলক সাহায্য প্ৰদান কৰা হৈছে। অহা ২ আৰু ৬ জানুৱাৰী, ২০২২ তাৰিখে বিশ্বনাথ, ধেমাজি আৰু ডিব্ৰুগড় জিলাৰ হিতাধিকাৰীসকলক উদগনিমূলক সাহায্য প্ৰদান কৰা হ'ব।

| ক্ৰ | জিলা | অনুষ্ঠানৰ বিশিষ্ট অতিথি | তাৰিখ / সময় |
|---|---|---|---|
| ১ | বিশ্বনাথ | **ড° হিমন্ত বিশ্ব শৰ্মা**, মাননীয় মুখ্যমন্ত্ৰী, অসম<br>**শ্ৰীযুতা অজন্তা নেওগ**, মাননীয়া বিত্ত আৰু সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী<br>**শ্ৰীযুত পীযুষ হাজৰিকা**, মাননীয় জল সম্পদ,তথ্য আৰু জনসংযোগ বিভাগৰ মন্ত্ৰী<br>**শ্ৰীযুত পল্লৱ লোচন দাস**, মাননীয় সাংসদ, তেজপুৰ | ২ জানুৱাৰী, ২০২২<br>দিনৰ ১১.০০ বজাত |
| ২ | ধেমাজি | **ড° হিমন্ত বিশ্ব শৰ্মা**, মাননীয় মুখ্যমন্ত্ৰী, অসম<br>**শ্ৰীযুতা অজন্তা নেওগ**, মাননীয়া বিত্ত আৰু সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী<br>**শ্ৰীযুত ৰণোজ পেগু**, মাননীয় শিক্ষামন্ত্ৰী<br>**শ্ৰীযুত সঞ্জয় কিশান**, মাননীয় শ্ৰমিক কল্যাণ আৰু চাহ জনজাতি কল্যাণ বিভাগৰ মন্ত্ৰী<br>**শ্ৰীযুত প্ৰদান বৰুৱা**, মাননীয় সাংসদ, লখিমপুৰ | ২ জানুৱাৰী, ২০২২<br>দিনৰ ২.০০ বজাত |
| ৩ | ডিব্ৰুগড় | **ড° হিমন্ত বিশ্ব শৰ্মা**, মাননীয় মুখ্যমন্ত্ৰী, অসম<br>**শ্ৰীযুতা অজন্তা নেওগ**, মাননীয়া বিত্ত আৰু সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী<br>**শ্ৰীযুত অতুল বৰা**, মাননীয় কৃষি, মন্ত্ৰী<br>**শ্ৰীযুত ৰামেশ্বৰ তেলী**, মাননীয় সাংসদ, ডিব্ৰুগড় | ৬ জানুৱাৰী, ২০২২<br>দিনৰ ১.৩০ বজাত |

## আঁচনিখনৰ অৱলোকন

- সমগ্ৰ দেশৰ ভিতৰতেই এই আঁচনিখন প্ৰথম প্ৰচেষ্টা আৰু মাইক্ৰ'ফাইনেন্স সংস্থাসমূহৰ পৰা ক্ষুদ্ৰ ঋণ লোৱা ব্যক্তিসকলক উদগনি আৰু সকাহ প্ৰদান কৰাই হৈছে আঁচনিখনৰ উদ্দেশ্য।
- প্ৰথম শ্ৰেণীৰ ঋণীক ২৫,০০০ টকা অথবা মুঠ অনাদায় ঋণৰ যিটোৱেই কম, সেই পৰিমাণৰ উদগনিমূলক সাহায্য চেকৰ জৰিয়তে প্ৰদান কৰা হ'ব।
- প্ৰথম শ্ৰেণীৰ হিতাধিকাৰীসকলক উদগনিমূলক সাহায্য প্ৰদান কৰাৰ পিছত বাকী দুটা শ্ৰেণীৰ হিতাধিকাৰীক পৰ্যায়ক্ৰমে সকাহ প্ৰদান কৰা হ'ব।

জনসংযোগ/ডি/২৫৪১/২১

**বিত্ত বিভাগ | অসম চৰকাৰ**